## ভিতৰৰ পৃষ্ঠাত

স্বাধীনতা দিৱস পৃষ্ঠা ৪
অনৈক্যৰ মাজত ঐক্য... পৃষ্ঠা ৫
ম'বাইল ফোনৰ ওপৰত... পৃষ্ঠা ৭
অৰ্থৰ দাপোণত প্ৰতিফলিত... পৃষ্ঠা ৮



RNI No. ASSASS/2014/56974
Postal Registration No. GH-164/2021-2023
www.asombhumi.comত উপলব্ধ

# অসম ভূমি

জাতীয় স্বাৰ্থত দায়বদ্ধ

■ Vol:14 ■ Issue: 2 ■ Guwahati ■ Wednesday ■ 12 August, 2026 ■ Rs. 5 ■ বছৰ- ১৪ ■ সংখ্যা- ২ ■ গুৱাহাটী ■ বুধবাৰ ■ ২৬ শাওণ, ১৯৪৮ শক ■ মূল্য ঃ ৫ টকা


## বিদ্যালয় চামিলকৰণ আৰু কিছু প্ৰাসংগিক চিন্তা

■ ড° দীপেশ চন্দ্ৰ ভাগৱতী

চৰকাৰী তথ্যমতে ২০১৬-১৭ বৰ্ষৰ পৰা ২০২৪-২৫ বৰ্ষৰ ভিতৰত অসমত নিম্ন প্ৰাথমিক পৰ্যায়ৰ পৰা হাইস্কুল পৰ্যায়ৰ সামৰি প্ৰায় ৮,০০০ খন চৰকাৰী স্কুলৰ সংখ্যা হ্ৰাস পাইছে। ইয়াৰ ভিতৰত নিম্ন প্ৰাথমিক স্কুলৰ সংখ্যা ৩৯,৯৮৬ৰ পৰা ৩৩,৩৯৪, মজলীয়া বা উচ্চ প্ৰাথমিকৰ সংখ্যা ৭,৮৩২ৰ পৰা ৬,৩৪৩ আৰু হাইস্কুলৰ সংখ্যা ৩,৪৮৫ৰ পৰা ৩,৩০৭ খনলৈ নিম্নগামী হৈছে। একে সময়সীমাৰ ভিতৰত অৱশ্যে উচ্চতৰ মাধ্যমিক স্কুলৰ সংখ্যা ৯২৫ৰ পৰা ১২৫৬ খনলৈ বৃদ্ধি হয়। এই আলোচনাত নিম্ন প্ৰাথমিক স্কুলৰ চামিলকৰণ আৰু আনুষংগিক বিষয়ৰ ওপৰতহে আলোকপাত কৰা হ'ব।

চৰকাৰী ভাষ্যমতে, পৰ্যাপ্তসংখ্যক শিক্ষাৰ্থীয়ে নামভৰ্তি নকৰা স্কুলসমূহ নিকটৱৰ্তী অন্য স্কুলৰ লগত চামিল কৰা হৈছে আনহাতে একে চৌহদত থকা নিম্ন প্ৰাথমিক স্কুল আৰু উচ্চ প্ৰাথমিক স্কুল দুখনক একত্ৰিত কৰি দুয়োখন স্কুলক এটা প্ৰশাসনিক কৰ্তৃত্বৰ দ্বাৰা পৰিচালনাৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। ওপৰোক্ত ব্যৱস্থা দুটা ৰূপায়ণৰ ■ ১১ পৃষ্ঠাত



দুই কেবিনেট মন্ত্ৰীক লগত লৈ জুবিন ক্ষেত্ৰ পৰিদৰ্শন মুখ্যমন্ত্ৰীৰ

## সোণাপুৰৰ বিজ্ঞান নগৰীক অতিৰিক্ত ১০০ কোটি দিব চৰকাৰে ঃ ড° শৰ্মা

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে সোণাপুৰস্থিত বিজ্ঞান নগৰী, গুৱাহাটীত উপস্থিত হৈ কেন্দ্ৰটোত চলি থকা কাম-কাজ পৰিদৰ্শন কৰাৰ লগতে বিভাগীয় কৰ্তৃপক্ষৰ সৈতে এক পৰ্যালোচনা বৈঠকত মিলিত হৈ বিজ্ঞান নগৰীৰ পৰৱৰ্তী পৰ্যায়ৰ কাম-কাজসমূহৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। ইয়াৰ পাছতে উপস্থিত সংবাদ মাধ্যমৰ সৈতে হোৱা কথোপকথনত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ১৫০ বিঘাৰো অধিক মাটিত বিজ্ঞান নগৰী, গুৱাহাটীৰ নিৰ্মাণ কাৰ্য চলি আছে। পাঁচ মাহৰ পূৰ্বে ইয়াৰ আনুষ্ঠানিক উদ্বোধনৰ পাছত এতিয়া আন কেইবাটাও নতুন সংযোজনৰ কাম চলি থকা বুলি জানিবলৈ দি তেওঁ কয় যে ২০২৭ চনৰ মাৰ্চৰ ভিতৰত ই পূৰ্ণাংগ ৰূপ লাভ কৰিব বুলি তেওঁ আশাবাদী। বিজ্ঞান নগৰীখনক দৰ্শনাৰ্থীৰ বাবে অধিক আকৰ্ষণীয় কৰি তোলাৰ বাবে এটা ডিজিটেল পেনোৰামা, সন্মিলন কেন্দ্ৰ, মিউজিকেল ফাউণ্টেইন, পাৰ্কিঙৰ সা-সুবিধা আদি কাম-কাজ হাতত লোৱাৰ বাবে ৰাজ্য চৰকাৰৰ তৰফৰ পৰা অতিৰিক্ত ■ ১১ পৃষ্ঠাত

ৰহাৰ কমাৰজানত ঘোষণা মুখ্যমন্ত্ৰীৰ

## সুলভ মূল্যত নিমখ মিঠাতেলো দিব চৰকাৰে



**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই যোৱা সোমবাৰে ৰহাৰ কমাৰজান গাঁৱৰ সুৰেন পাটৰৰ সুলভ মূল্যৰ দোকানৰ প্ৰাংগণত আয়োজিত এক অনুষ্টুপীয়া কাৰ্যসূচীত ৰাষ্ট্ৰীয় খাদ্য সুৰক্ষা আইনৰ হিতাধিকাৰীসকলৰ বাবে বজাৰতকৈ সুলভ মূল্যত মচুৰ দাইল আৰু চেনি বিতৰণ আঁচনি পুনৰ মুকলি কৰে। উল্লেখ্য যে এই আঁচনিখনৰ অধীনত হিতাধিকাৰীসকলে প্ৰতি কিলোগ্ৰাম মচুৰ দাইল ৭০ টকা আৰু চেনি ৩০ টকাত লাভ কৰিব। বিনামূলীয়া চাউলৰ লগতে সুলভ মূল্যত মচুৰ দাইল আৰু চেনিৰ যোগানে ৰাজ্যৰ দৰিদ্ৰ পৰিয়ালসমূহৰ পুষ্টিগত সুৰক্ষা সুনিশ্চিত কৰাত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব। এই ■ দুই পৃষ্ঠাত

বাজপেয়ী ভৱনত মন্ত্ৰী পীযূষ হাজৰিকাৰ সংবাদমেল

## দেশত অস্থিৰতা-অৰাজকতাৰ সৃষ্টি কৰাটোৱেই কংগ্ৰেছৰ মূল লক্ষ্য

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত ন্যায্য অধিকাৰ আৰু ঝাৰখণ্ড লোকসেৱাৰ পৰীক্ষাত হোৱা অবাধ দুৰ্নীতিৰ উচিত তদন্তৰ দাবীত শান্তিপূৰ্ণভাৱে আন্দোলন কৰা ছাত্ৰ-ছাত্ৰীৰ ওপৰত সংঘটিত আৰক্ষীৰ বৰ্বৰোচিত অত্যাচাৰৰ তীব্ৰ নিন্দা কৰি যোৱা মঙলবাৰে অটল বিহাৰী বাজপেয়ী ভৱনত এখন সংবাদমেল সম্বোধন কৰে মন্ত্ৰী পীযুষ হাজৰিকাই। তেওঁ অভিযোগ কৰে যে কংগ্ৰেছ আৰু ঝাৰখণ্ড মুক্তি মৰ্চাৰ দুৰ্নীতিগ্ৰস্ত চৰকাৰে নিৰস্ত্ৰ আৰু নিৰ্দোষ ছাত্ৰ-ছাত্ৰীৰ ওপৰত চলোৱা ■ দুই পৃষ্ঠাত



## বানবিধ্বস্ত এলেকাত বিশুদ্ধ খোৱাপানী যোগানৰ নিৰ্দেশ মন্ত্ৰী কৃষ্ণেন্দু পাল

**ষ্টাফ ৰিপ'ৰ্টাৰ ঃ** শেহতীয়াকৈ উজনি অসমৰ চৰাইদেউ, শিৱসাগৰ, যোৰহাট আদি জিলাত প্ৰলয়ংকৰী বানে বিস্তৰ ক্ষতি কৰাৰ পৰিপ্ৰেক্ষিতত বানপীড়িত ৰাইজৰ সহায় হোৱাকৈ পৰিষ্কাৰ-পৰিচ্ছন্ন পৰিৱেশ, বিশুদ্ধ খোৱাপানী যোগানৰ দিশ আদিক সামৰি অসম চৰকাৰৰ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী কৃষ্ণেন্দু পালৰ অধ্যক্ষতাত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ দুয়োগৰাকী মুখ্য অভিযন্তাৰ লগতে এটা দলে যোৱা শুকুৰবাৰৰ পৰা বিভিন্ন অঞ্চল পৰিদৰ্শন কৰে আৰু ক্ষতিগ্ৰস্ত ■ দুই পৃষ্ঠাত

ৰাজ্যজুৰি সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন

## অষ্টম দৰমহা আয়োগৰ ভিত্তিত শিক্ষক-কৰ্মচাৰীক দৰমহাৰ দাবী



**অসম ভূমি সেৱা, বৰপেটা ঃ** যোৱা সোমবাৰে বৰপেটা জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ আতিথ্যত বৰপেটাৰোডস্থিত শ্ৰী হিন্দী এম ই স্কুলত সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস পালন কৰা হয়। সিদিনা পুৱা ৯.৩০ বজাত সংস্থাৰ সভাপতি অতুল চন্দ্ৰ দাসে পতাকা উত্তোলন কৰাৰ পাছত বৰপেটা জিলাৰ সভাপতি লক্ষ্মীনাথ কাকতিয়ে স্মৃতি তৰ্পণ কাৰ্যসূচী মুকলি কৰে। সংস্থাৰ প্ৰধান সম্পাদক ৰঞ্জন মেধিয়ে আঁতধৰা মুকলি সভাত সভাপতিত্ব কৰে অতুল চন্দ্ৰ দাসে। সভাত সংস্থাৰ কেন্দ্ৰীয় সাংগঠনিক সম্পাদক প্ৰদীপ ■ দুই পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## অষ্টম দৰমহা আয়োগৰ ভিত্তিত

কুমাৰ ডেকা, ৰাজ্যিক সদস্য লংকেশ্বৰ বৰ্মন, কালিচৰণ কলিতা, নগেন্দ্ৰ নাথ শালৈ, দিলীপ চন্দ্ৰ দাস, দিপ্তী কুমাৰ বড়ো, ৰাতুল কুমাৰ দাস আৰু ইমৰান খানো উপস্থিত থাকে। উক্ত সভাত সুভাষ চন্দ্ৰ সাহা আৰু নৱদীপ কুমাৰ গায়নক সম্বৰ্ধনা জনোৱা হয়। বৰপেটাৰোডত কেন্দ্ৰীয় কাৰ্যসূচীৰ উপৰি অসমৰ প্ৰতিখন জিলাতে জিলা সমিতিসমূহে সংস্থাৰ প্ৰতিষ্ঠা দিৱস পালন কৰা বুলি সংগঠনটোৰ সভাপতি-সম্পাদকে জানিবলৈ দিছে। তেওঁলোকে এক বিবৃতিত কয় যে ১৯৫৮ চনৰ ১০ আগষ্টত যোৰহাট নগৰত গঠন হোৱা সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাই অসমৰ শিক্ষা জগতৰ উন্নয়নত আগ ভাগ লৈ আহিছে। অসমত প্ৰাথমিক শিক্ষা চাকৰি সেৱা বিধি নোহোৱাকৈ চলি আছে, বিগত প্ৰায় আঠ-দহ বছৰে প্ৰধান শিক্ষক পদৰ পদোন্নতি হোৱা নাই, শেহতীয়াকৈ এছ আৰ ডি শিক্ষকসকলৰ দৰমহাৰ বিসংগতি অতি শীঘ্ৰে আঁতৰ কৰি ৰাজ্যখনত চাপ মুক্ত পৰিৱেশত শিক্ষকসকলক জ্ঞানৰ আদান প্ৰদান কৰিবলৈ দিব লাগে। নেতা দুগৰাকীয়ে লগতে কয় যে সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাই পূৰ্বৰে পৰা বেতন সুৰক্ষাসহ ঠিকাভিত্তিক শিক্ষকসকলৰ চাকৰি নিয়মীয়াকৰণৰ বাবে দাবী কৰি আহিছিল। সংস্থাই দাবী কৰা ধৰণে হ'লে এই সমস্যাৰ সৃষ্টি নহ'লহেঁতেন। সংস্থাই বিগত এক জানুৱাৰীৰ পৰা পাঁচমাহৰ মৰগীয়া বানচৰ বকেয়া আৰু ২০২৬ চনৰ এক জানুৱাৰীৰ পৰা প্ৰযোজ্য হোৱাকৈ বহু আকাংক্ষিত অষ্টম দৰমহা আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত অসমৰ শিক্ষক কৰ্মচাৰীসকলক দৰমহা দিয়াৰো দাবী উত্থাপন কৰে।

ইপিনে, সদৌ অসম মধ্য ইংৰাজী শিক্ষক সংস্থাৰ ৬৯ সংখ্যক প্ৰতিষ্ঠা দিৱস গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাই ৪ নং শিক্ষক গোট, মালিগাঁৱৰ আতিথ্যত ৩৭ নং জালুকবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত সুন্দৰবড়ী মধ্য ইংৰাজী বিদ্যালয়ত এদিনীয়া কাৰ্যসূচীৰে পালন কৰে। পুৱা প্ৰথমে স্বচ্ছ অভিযান কাৰ্যসূচীৰে অনুষ্ঠানৰ আৰম্ভণি হয়। তাৰ পাছত গছপুলি ৰোপণ কৰে বিদ্যালয়খনৰ ভাৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰূপজ্যোতি বেজে। সংস্থাৰ পতাকা উত্তোলন কৰে জিলা সংস্থাৰ সভাপতি গোলোক চন্দ্ৰ দাসে। শ্বহীদ বেদীত বন্তি প্ৰজ্বলন কৰে জিলা সংস্থাৰ সাধাৰণ সম্পাদক তিলক চন্দ্ৰ বৈশ্যই। এই অনুষ্ঠানত গুৱাহাটী জিলা মধ্য ইংৰাজী শিক্ষক সংস্থাৰ বিষয়ববীয়া, জিলা সংস্থাৰ অন্তৰ্গত শিক্ষক গোট সমূহৰ সভাপতি, সম্পাদক, জিলা সদস্যৰ লগতে ৪ নং শিক্ষক গোটৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু বিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীসকল উপস্থিত থাকে।

## সুলভ মূল্যত নিমখ মিঠাতেলো

আঁচনিৰ জৰিয়তে সমগ্ৰ অসমৰ ৭০ লাখৰো অধিক পৰিয়ালৰ প্ৰায় ২,৪৮,১১,৬৪৫ গৰাকী ব্যক্তি উপকৃত হ'ব। নগাঁও জিলাৰ ৩,৮৫,২৯৯ টা পৰিয়ালৰ ১৫,৮৩,০৮০ গৰাকী ব্যক্তিক এই আঁচনিয়ে সামৰি ল'ব। ৰহা সমষ্টিৰ ৬১,৬১৪ টা পৰিয়ালৰ ২.৩৬ লাখ গৰাকী ব্যক্তি আঁচনিখনৰ পৰা উপকৃত হ'ব। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বিধানসভা নিৰ্বাচনৰ পিছত বাজেট অধিৱেশন নোহোৱালৈকে পূৰ্বৰ চৰকাৰে গ্ৰহণ কৰা প্ৰায়বোৰ আঁচনি বন্ধ হৈ আছিল। জুলাইত বাজেট গৃহীত হোৱাৰ পিছত যোৱা ১ আগষ্টত অৰুণোদয় আঁচনি পুনৰ আৰম্ভ কৰা হ'ল। ৬ আগষ্টত মুখ্যমন্ত্ৰীৰ নিযুত মইনা আৰু মুখ্যমন্ত্ৰীৰ নিযুত বাবু আঁচনিৰ আৱেদন-পত্ৰ বিতৰণ কৰা হৈছে। আজি ৰহা সমষ্টিৰ পৰা সুলভ মূল্যত মচুৰ দাইল আৰু চেনি বিতৰণৰ আঁচনিও পুনৰ আৰম্ভ হৈছে। উজনিৰ বান পৰিস্থিতিৰ বাবে এই অনুষ্ঠান অনুষ্টুপীয়াকৈ আয়োজন কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে কাৰিকৰী অসুবিধাৰ বাবে সদ্যহতে নিমখ দিয়া হোৱা নাই যদিও কিছুদিনৰ ভিতৰতে সুলভ মূল্যত নিমখ যোগান ধৰা হ'ব। তেওঁ কয় যে প্ৰতি মাহৰ ১ৰ পৰা ১০ তাৰিখৰ ভিতৰত পালন কৰা অন্ন সেৱা সপ্তাহত ৰাইজে বিনামূলীয়া চাউল লাভ কৰাৰ লগতে সুলভ মূল্যত দাইল আৰু চেনি ক্ৰয় কৰিব পাৰিব। বিধানসভা নিৰ্বাচনৰ প্ৰচাৰৰ সময়ত দিয়া প্ৰতিশ্ৰুতি অনুসৰি সুলভ মূল্যত মিঠাতেল দিয়াৰ বাবে চৰকাৰে পদক্ষেপ ল'ব বুলি মুখ্যমন্ত্ৰীয়ে সদৰী কৰে। তেওঁ লগতে অৰুণোদয় আঁচনিৰ পৰা বাদ পৰি যোৱা পৰিয়ালসমূহক আঁচনিখনত অন্তৰ্ভুক্ত কৰাৰ বাবে কাম আৰম্ভ কৰাৰ কথাও ঘোষণা কৰে। উজনি অসমত হোৱা প্ৰলয়ংকাৰী বান পৰিস্থিতিৰ মোকাবিলা কৰাত চৰকাৰখন ব্যস্ত থকা হেতুকে বহু কাম স্থবিৰ হৈ পৰা বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বান পৰিস্থিতি এতিয়া উন্নত হৈছে আৰু সেয়ে চৰকাৰে ৰাইজৰ আশা-আকাংক্ষা পূৰণ কৰিব পৰাকৈ জনকল্যাণমূলক কাম-কাজসমূহ আৰম্ভ কৰিব। ৰাইজক সুলভ মূল্যত দাইল, চেনি আৰু নিমখ যোগানৰ আঁচনিখনৰ ৰূপায়ণত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰা সমবায় সমিতি আৰু সুলভ মূল্যৰ দোকানসমূহক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ জ্ঞাপন কৰে। ৰাইজৰ কল্যাণৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰে ৰূপায়ণ কৰা বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অনাগত দিনত ৰাজ্যৰ দুখীয়া ৰাইজক ইয়াতকৈও বেছি সহায় কৰিবলৈ চৰকাৰ যত্নৱান হ'ব। তেওঁ ৰহা সমষ্টিৰ উন্নয়নৰ বাবে অনাগত ৫ বছৰত বহুখিনি কাম হাতত লোৱাৰ আশ্বাস দিয়ে। সভাত কৃষি আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায়, বিধায়ক শশীকান্ত দাস, ৰূপক শৰ্মা, জিতু গোস্বামী প্ৰমুখ্যে কেইবাগৰাকী জনপ্ৰতিনিধি, বিশিষ্ট ব্যক্তি আৰু উচ্চ পদস্থ বিষয়া উপস্থিত থাকে।

## বানবিধ্বস্ত এলেকাত বিশুদ্ধ খোৱাপানী

ৰাইজৰ অভাৱ-অভিযোগসমূহৰ বুজ লয়। উল্লেখ্য যে মন্ত্ৰীগৰাকীয়ে এই দুৰ্যোগৰ সময়ত প্ৰতিজন ব্যক্তিয়ে যাতে বিশুদ্ধ খোৱাপানী লাভ কৰে তথা বান শুকোৱাৰ পিছত দেখা দিবলগীয়া সম্ভাব্য পৰিস্থিতিৰ পৰা ৰাইজক উপকৃত কৰি তুলিবৰ বাবে চাফ-চিকুণতা আদি দিশত লৈ থকা ব্যৱস্থাসমূহ অধিক ক্ষিপ্ৰতৰ কৰি তুলিবলৈ বিভাগীয় বিষয়াসকলক  নিৰ্দেশ প্ৰদান কৰে। লগতে মন্ত্ৰীগৰাকীয়ে এই বানত বেয়াকৈ ক্ষতিগ্ৰস্ত হোৱা বিহুবৰ, নেপালীখুঁটি আৰু শ'লমাৰা অঞ্চলত উপস্থিত হৈ বানাক্ৰান্ত ৰাইজৰ অভাৱ-অভিযোগসমূহৰ বুজ লয় লগতে খাদ্য-সামগ্ৰী, ফেনাইল, ব্লিচিং পাউদাৰ আদি সামগ্ৰী যোগান ধৰে। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে উক্ত অঞ্চলসমূহত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ তৰফৰ পৰা নিয়োজিত বিষয়া, কৰ্মচাৰী, স্বেচ্ছাসেৱকসকলক সন্মিলীতভাৱে কাম কৰি যাবলৈ নিৰ্দেশ প্ৰদান কৰে। লগতে মন্ত্ৰীগৰাকীয়ে যোৱা ১০ আগষ্টৰ ভিতৰত ডিব্ৰুগড়, তিনিচুকীয়া, গোলাঘাট আৰু নগাঁও জিলাত উপস্থিত হৈ উক্ত জিলাকেইখনৰ জিলা আয়ুক্ত, মুৰব্বী বিষয়াসকলৰ লগত বৈঠকত মিলিত হৈ জনস্বাস্থ্য কাৰিকৰী বিভাগৰ ৰূপায়ণ হৈ থকা বিভিন্ন আঁচনি তথা বানপানীৰ সময়ত ল'বলগীয়া বিভিন্ন দিশ সামৰি পৰ্যালোচনা বৈঠকত মিলিত হ'ব। উল্লেখ কৰিবলগীয়া যে ডিব্ৰুগড় জনস্বাস্থ্য কাৰিকৰী সংমণ্ডলে অসম চিকিৎসা মহাবিদ্যালয়ৰ বাবে নিৰৱচ্ছিন্ন পানী যোগানৰ এক বিস্তৃত আঁচনি গ্ৰহণ কৰিছে আৰু এই ভ্ৰমণকালতে বিভাগীয় মন্ত্ৰীগৰাকীয়ে এই আঁচনিখনক এক চূড়ান্ত ৰূপ দিয়াৰো ব্যৱস্থা গ্ৰহণ কৰিব। লগতে মন্ত্ৰীগৰাকীয়ে এই পৰিদৰ্শন কালতে নাজিৰা বিধানসভা সমষ্টিৰ অন্তৰ্গত মিৰিগাঁও পানী যোগান আঁচনি আৰু ডিব্ৰুগড় জিলাৰ চাবুৱা তি-ই-চাৰি নং পানী যোগান আঁচনিও পৰিদৰ্শন কৰে।

## দেশত অস্থিৰতা-অৰাজকতাৰ সৃষ্টি

দমন-নিপীড়নে দেশৰ গণতান্ত্ৰিক মূল্যবোধ আৰু মানৱতাক লজ্জানত কৰিছে। মন্ত্ৰী হাজৰিকাই কয় যে ঝাৰখণ্ডৰ ছাত্ৰ-ছাত্ৰীসকলে নিজৰ ভৱিষ্যৎ, অধিকাৰ আৰু কৰ্মসংস্থাপনৰ দাবীত অত্যন্ত শান্তিপূৰ্ণ, মৰ্যাদাপূৰ্ণ আৰু শৃংখলাবদ্ধভাৱে আন্দোলন কৰি আহিছে। আন্দোলনকাৰীসকলে কোনো ধৰণৰ হিংসাত্মক কাৰ্য নকৰাকৈ, অশালীন ভাষা বা অপশব্দ ব্যৱহাৰ নকৰাকৈ আন্দোলন কৰাৰ পাছতো কংগ্ৰেছ-জেএমএম চৰকাৰে তেওঁলোকৰ ওপৰত নিৰ্মম অত্যাচাৰ চলাইছে। ৰাঁচীত শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰা ছাত্ৰ-ছাত্ৰীৰ পথত কাঁইটীয়া তাঁৰ স্থাপন কৰি তেওঁলোকক সন্ত্ৰাসবাদীৰ দৰে ব্যৱহাৰ কৰা হৈছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে আন্দোলনকাৰীৰ ওপৰত কন্দুৱা গেছ নিক্ষেপ কৰা হৈছে, ৰাতিৰ আন্ধাৰতো খেদি খেদি বৰ্বৰভাৱে লাঠীচালনা কৰা হৈছে আৰু নিৰ্দয়ভাবে জলকামান ব্যৱহাৰ কৰা হৈছে। বহু আন্দোলনকাৰীয়ে ছাত্ৰীসকলৰ কাপোৰ পৰ্যন্ত ফালি পেলোৱা টিভি স্ক্ৰীণত দেখা পোৱা গৈছে। কিন্তু নিজকে ছাত্ৰ-ছাত্ৰীৰ ৰক্ষক বুলি দাবী কৰা তথাকথিত ছাত্ৰনেতাসকল, তথাকথিত বুদ্ধিজীৱী আৰু ৰাহুল গান্ধী এই নিৰ্যাতিত ছাত্ৰ-ছাত্ৰীৰ আৰ্তনাদৰ প্ৰতি সম্পূৰ্ণ নীৰৱ বুলি মন্ত্ৰীগৰাকীয়ে মন্তব্য কৰে। হাজৰিকাই অভিযোগ কৰে যে কংগ্ৰেছৰ একমাত্ৰ উদ্দেশ্য হৈছে প্ৰতিটো পৰিস্থিতিৰ ৰাজনৈতিক সুযোগ গ্ৰহণ কৰি দেশত অস্থিৰতা আৰু অৰাজকতাৰ সৃষ্টি কৰা। তেওঁ স্পষ্ট কৰি দিয়ে যে ভাৰতীয় জনতা পাৰ্টি ঝাৰখণ্ডৰ যুৱ আৰু ছাত্ৰ সমাজৰ সৈতে শিলৰ দৰে দৃঢ়ভাৱে থিয় হৈ আছে। কংগ্ৰেছ আৰু জেএমএম চৰকাৰে আন্দোলনকাৰী ছাত্ৰ-ছাত্ৰীৰ ন্যায্য দাবীসমূহ অনতিপলমে পূৰণ কৰা উচিত বুলিও তেওঁ মন্তব্য কৰে। সংবাদমেলত মন্ত্ৰী হাজৰিকাই কয়, 'ঝাৰখণ্ডৰ ৰাজধানী ৰাঁচীত নিযুক্তি কেলেংকাৰি আৰু প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে শান্তিপূৰ্ণভাৱে প্ৰতিবাদ কৰা ছাত্ৰ-যুৱকসকলৰ ওপৰত ৰাহুল গান্ধীৰ নিৰ্দেশতে বৰ্বৰ অত্যাচাৰ চলোৱা হৈছিল বুলিও তথ্য পোহৰলৈ আহিছে। দিল্লীৰ যন্তৰ-মন্তৰৰ ঘটনাক লৈ ৰাজনীতি কৰিবলৈ সদায় তৎপৰ ৰাহুল গান্ধী ঝাৰখণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ আৰ্তনাদৰ প্ৰতি সম্পূৰ্ণ বধিৰ কিয়?'

দিল্লীত ছাত্ৰ-ছাত্ৰীৰ প্ৰতি কৃত্ৰিম সহানুভূতি প্ৰদৰ্শন কৰা ৰাহুল গান্ধীয়ে ঝাৰখণ্ডলৈ গৈ নিৰ্যাতিত ছাত্ৰ-ছাত্ৰীৰ খবৰ ল'বলৈ আহৰি নাই কিয় বুলি প্ৰশ্ন উত্থাপন কৰে। মন্ত্ৰীগৰাকীয়ে কয় যে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যতৰ সৈতে ৰাহুল গান্ধীৰ কোনো সম্পৰ্ক নাই, তেওঁ কেৱল সুবিধাবাদৰ ৰাজনীতি কৰিব বিচাৰে। য'ত কংগ্ৰেছৰ চৰকাৰে আৰক্ষীৰ দ্বাৰা অত্যাচাৰ চলায়, তাত তেওঁ নীৰৱতা অৱলম্বন কৰে আৰু য'ত ৰাজনৈতিক লাভৰ সম্ভাৱনা দেখে, তাত তেওঁ নাটক মঞ্চস্থ কৰে। গণতান্ত্ৰিক পদ্ধতিৰে নিজৰ অধিকাৰ আৰু ভৱিষ্যতৰ দাবীত মাত মতা যুৱ সমাজৰ ওপৰত এনে নিৰ্দয় দমন-পীড়ন কিয় চলোৱা হ'ল বুলিও মন্ত্ৰীগৰাকীয়ে প্ৰশ্ন কৰে। ছাত্ৰ-ছাত্ৰীৰ প্ৰতি সমৰ্থন এতিয়া কংগ্ৰেছৰ ৰাজনৈতিক সুবিধা আৰু গোপন অভিসন্ধিৰ ওপৰত নিৰ্ধাৰিত হ'ব নেকি বুলি তেওঁ প্ৰশ্ন উত্থাপন কৰে। ঝাৰখণ্ডৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত সংঘটিত বৰ্বৰ অত্যাচাৰক তীব্ৰ ভাষাৰে নিন্দা কৰি মন্ত্ৰী হাজৰিকাই কয় যে এই ভণ্ডামিপূৰ্ণ দুমুখীয়া মানদণ্ডৰ বাবে ৰাহুল গান্ধী আৰু কংগ্ৰেছ দলে দেশৰ যুৱ সমাজৰ ওচৰত ক্ষমা বিচাৰিব লাগিব। এই বিষয়ত ৰাহুল গান্ধীয়ে দেশবাসীক উত্তৰ দিবই লাগিব।  সংবাদমেলত মন্ত্ৰী হাজৰিকাই অভিযোগ কৰে যে ৰাহুল গান্ধী এতিয়া কেৱল এজন ব্যৰ্থ নেতাই নহয়, দেশত অৰাজকতা আৰু মিছা কথাৰ প্ৰতীকত পৰিণত হৈছে। বিগত ১৫ দিন ধৰি তেওঁ বাৰে বাৰে মিছা কথা কৈ, বিভ্ৰান্তি সৃষ্টি কৰি আৰু গণতন্ত্ৰৰ সৰ্বোচ্চ মন্দিৰ সংসদৰ কাম-কাজ ব্যাহত কৰি আহিছে। তেওঁৰ উদ্দেশ্য আলোচনা বা সমাধান নহয়, তেওঁৰ একমাত্ৰ লক্ষ্য হৈছে বিশৃংখলতা সৃষ্টি কৰা। সেইবাবেই তেওঁ প্ৰতিদিনে নিজৰ দাবী আৰু লক্ষ্য সলনি কৰি আহিছে। প্ৰথমে ৰাহুল গান্ধীয়ে শিক্ষামন্ত্ৰীৰ পদত্যাগ দাবী কৰিছিল। তাৰ পাছত তেওঁ সংসদত 'নীট' সন্দৰ্ভত আলোচনাৰ দাবীৰে সদনৰ কাম-কাজ ব্যাহত কৰিবলৈ আৰম্ভ কৰে। গণতান্ত্ৰিক মূল্যবোধৰ প্ৰতি সন্মান জনাই কেন্দ্ৰীয় চৰকাৰে কেৱল আলোচনাই অনুষ্ঠিত কৰা নহয়, প্ৰশ্নকাকত ফাদিলৰ বিৰুদ্ধে আইনখনো অধিক কঠোৰ কৰি তোলে। তাৰ পাছত ৰাহুল গান্ধীয়ে যন্তৰ-মন্তৰৰ ঘটনা সন্দৰ্ভত কেন্দ্ৰীয় গৃহমন্ত্ৰীৰ বিবৃতি দাবী কৰে। মন্ত্ৰী হাজৰিকাই কয় যে চৰকাৰে স্পষ্টভাৱে জনাইছিল-সংসদ চলিবলৈ দিয়ক, গৃহমন্ত্ৰীয়ে সদনত উত্তৰ দিব। কিন্তু বিৰোধীয়ে ইচ্ছাকৃতভাৱে সংসদ চলিবলৈ দিয়া নাই। সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেণ ৰিজিজু আৰু কেন্দ্ৰীয় মন্ত্ৰী পীযুষ গোৱেলে গৃহমন্ত্ৰীয়ে সদনত প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিব বুলি স্পষ্ট কৰাৰ পাছতো ৰাহুল গান্ধীয়ে পুনৰ নিজৰ লক্ষ্য সলনি কৰিছে। যোৱা ১০ আগষ্ট সোমবাৰে অনুষ্ঠিত সংবাদমেলত ৰাহুল গান্ধীয়ে যন্তৰ-মন্তৰত গুলীচালনা হোৱা বুলি আন এক অসত্য দাবী কৰা বুলিও মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, 'যন্তৰ-মন্তৰত এটাও গুলী নচলাৰ পাছতো ৰাহুল গান্ধীয়ে গুলীচালনাৰ অভিযোগ উত্থাপন কৰিছে। ৰাহুল গান্ধীয়ে মিছা কথা কোৱা বন্ধ কৰক।'  মন্ত্ৰী হাজৰিকাই অভিযোগ কৰে যে ৰাহুল গান্ধীয়ে প্ৰকৃততে কেন্দ্ৰীয় গৃহমন্ত্ৰীয়ে সদনত উত্তৰ দিয়াটো নিবিচাৰে। কাৰণ, সদনত বিতৰ্ক অনুষ্ঠিত হ'লে আৰু গৃহমন্ত্ৰীয়ে সকলো তথ্য দাঙি ধৰিলে ৰাহুল গান্ধীয়ে সৃষ্টি কৰা মিছা কথা আৰু প্ৰতাৰণাৰ সমগ্ৰ জালখন ছিন্নভিন্ন হৈ পৰিব বুলি তেওঁ শংকিত। ৰাহুল গান্ধীলৈ প্ৰত্যক্ষ প্ৰত্যাহ্বান জনাই মন্ত্ৰী হাজৰিকাই কয়, 'ৰাহুল গান্ধী, গৃহমন্ত্ৰী আপোনাৰ প্ৰতিটো প্ৰশ্নৰ উত্তৰ দিবলৈ আহিছে। এতিয়া ৰণক্ষেত্ৰৰ পৰা পলায়ন নকৰিব। বিতৰ্কলৈ ভয় নকৰিব।' দেশৰ যুৱ সমাজে কংগ্ৰেছৰ এই দুমুখীয়া চৰিত্ৰ ইতিমধ্যে বুজি পাইছে বুলি উল্লেখ কৰি মন্ত্ৰীগৰাকীয়ে কয় যে মিছা কথাৰ ভেটিত গঢ়ি তোলা ৰাহুল গান্ধীৰ ৰাজনীতি অতি সোনকালেই দেশবাসীৰ সন্মুখত মুখথেকেচা খাব।

# কামৰূপ মহানগৰ জিলাত ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱস

## সোণতলা-বৰকুছিৰ মা বাঘেশ্বৰী পীঠত মাৰৈ পূজা

**মিৰ্জা ঃ** পলাশবাৰী সমষ্টিৰ সোণতলা-বৰকুছিৰ শ্ৰীশ্ৰীমা বাঘেশ্বৰী পীঠত অহা ১৮, ১৯ আৰু ২০ আগষ্টত তিনিদিনীয়া কাৰ্যসূচীৰে মাৰৈ পূজাৰ আয়োজন কৰা বুলি পৰিচালনা সমিতিৰ সভাপতি প্ৰবীণ নাথ, সাধাৰণ সম্পাদকদ্বয় নিৰেন চন্দ্ৰ মালী, বাপুৰাম বড়োৱে জানিবলৈ দিছে। কাৰ্যসূচী অনুসৰি অহা ১৮ আগষ্টৰ সন্ধিয়া ৭ বজাত প্ৰতিমা স্থাপন, নিশা ৮ বজাত অধিবাস, ৮.৩০ বজাত দুলনী বৰণ, ৯.৩০ বজাত দেওধা নাচ আৰম্ভ, ১২ বজাত দেওধা নাচৰ সামৰণি আৰু প্ৰসাদ বিতৰণ। তেনেদৰে ১৯ আগষ্টৰ ৰাতিপুৱা ৮ বজাত ঘট বুৰণ, ৯ বজাত পদ্মকুমাৰী আৰু অষ্টনাগ পূজাৰম্ভ, ১১ বজাত বলি-বিধান উৎসৰ্গা, দুপৰীয়া ১২ বজাত পুষ্পাঞ্জলি প্ৰদান, স্তৱ পাঠ আৰু শান্তি, আবেলি ১ বজাত দেওধা নাচ আৰম্ভ, ১.৫৫ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ অভ্যাগতৰ অভ্যৰ্থনা আৰু ৰাইজৰ ভোগ বিতৰণ, নিশা ৮ বজাত আৰতি, ১০ বজাত দেওধা নাচৰ সামৰণি আৰু প্ৰসাদ বিতৰণ। ২০ আগষ্ট অৰ্থাৎ সামৰণিৰ দিনা ৰাতিপুৱা ৮ বজাত পদ্মকুমাৰী পূজাৰম্ভ, ১১ বজাত বলি-বিধান উৎসৰ্গা, দুপৰীয়া ১২ বজাত হোম, পুষ্পাঞ্জলি প্ৰদান, স্তৱ পাঠ আৰু শান্তি, দিনৰ ১ বজাত দেওধা নাচ আৰম্ভ, ২ বজাৰ পৰা সন্ধিয়া ৭ বজালৈ অভ্যাগতৰ অভ্যৰ্থনা আৰু ৰাইজৰ ভোগ বিতৰণ কৰা হ'ব।

**গুৱাহাটী ঃ** সমগ্ৰ ৰাজ্যৰ লগতে কামৰূপ মহানগৰ জিলাতো যোৱা সোমবাৰে ৰাষ্ট্ৰীয় পেলু নিৰ্মূলকৰণ দিৱসৰ আৰম্ভ কৰা হয়। এবছৰ বয়সৰ পৰা ১৯ বছৰ বয়সৰ শিশুসকলক পেলু মুক্ত কৰাৰ উদ্দেশ্যে এই কাৰ্যসূচী প্ৰতি বছৰে দুবাৰকৈ (আগষ্ট আৰু ফেব্ৰুৱাৰীত) পালন কৰা হয়। জিলাখনৰ ১-১৯ বছৰ বয়সৰ মুঠ ১,০৬,৮৯৩ গৰাকী শিশুক এতিয়াৰে পৰা ১৭ আগষ্টৰ ভিতৰত চৰকাৰী বিদ্যালয় আৰু অংগনৱাড়ী কেন্দ্ৰত পেলু নিৰ্মূলকৰণৰ উদ্দেশ্যে এলবেনডেজল টেবলেট খুওৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। তদুপৰি স্কুল নোযোৱা আৰু স্কুলৰ পৰা বাদ পৰা শিশু সকলকো স্বাস্থ্য বিভাগৰ তৰফৰ পৰা এই কাৰ্যসূচীৰ অধীনত সামৰি লৈ আশাকৰ্মীসকলে ঘৰে ঘৰে গৈ টেবলেট সেৱন কৰাব। জিলাখনৰ অংগনবাড়ী কেন্দ্ৰ আৰু বিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত শৌচাগাৰৰ ব্যৱহাৰ, পৰিষ্কাৰকৈ হাত ধোৱা অভ্যাস গঢ়ি তোলা আৰু বিশুদ্ধ খোৱাপানী সেৱনৰ গুৰুত্ব সম্পৰ্কেও সজাগতা সৃষ্টি কৰা হ'ব। মহানগৰৰ সাতগাঁও নগৰীয়া ৰাজিক আয়ুষ্মান আৰোগ্য মন্দিৰত আয়োজিত উক্ত অনুষ্ঠানৰ আৰম্ভ কৰি কামৰূপ মহানগৰ জিলাৰ জিলা উন্নয়ন আয়ুক্ত মনজিৎ বৰকাকতিয়ে সভাত



উপস্থিত প্ৰতিগৰাকী অভিভাৱকক উক্ত সময়চোৱাত তেওঁলোকৰ শিশুটিক এই পেলুনাশক টেবলেট সেৱণ কৰাবলৈ আহ্বান জনায়। অনুষ্ঠানত যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক, অতিৰিক্ত মুখ্য চিকিৎসা আৰু স্বাস্থ্য বিষয়া (পৰিয়াল কল্যাণ), জিলা প্ৰতিষেধক বিষয়া, ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান অসমৰ পুষ্টি পৰামৰ্শ দাতা, শিক্ষা বিভাগৰ প্ৰতিনিধি, স্বাস্থ্য বিভাগৰ বিষয়াসকলৰ লগতে ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযানৰ জিলা আৰু খণ্ডভিত্তিক বিষয়াসকল উপস্থিত থাকে।

# সদৌ অসম এনৰেগা কৰ্মচাৰী পৰিষদৰ বান সাহায্য-সামগ্ৰী বিতৰণ

**ৰঙিয়া ঃ** যোৱা ৮ আগষ্টত সদৌ অসম এনৰেগা কৰ্মচাৰী পৰিষদে বানপীড়িত শিৱসাগৰ, যোৰহাট আৰু চৰাইদেউ জিলাত ক্ষতিগ্ৰস্তসকলৰ মাজত সাহায্য প্ৰদান কৰে। বানপীড়িত প্ৰায় ১০০ পৰিয়ালক আৰ্থিক সাহায্যৰ উপৰি অত্যাৱশ্যকীয় সামগ্ৰী প্ৰদান কৰে পৰিষদৰ প্ৰতিনিধিসকলে। পৰিষদৰ সভাপতি পৰেশ দাস, কাৰ্যকৰী সভাপতি নাৰায়ণ গগৈ আৰু সাধাৰণ সম্পাদক গৌতম কোচৰ নেতৃত্বত যোৱা সাহায্যকাৰী দলটোত কেইবাখনো জিলাৰ প্ৰায় ৩০ জন সদস্যই অংশগ্ৰহণ কৰে। অসমৰ প্ৰতিখন জিলাৰ প্ৰায়



৪০০০ কৰ্মচাৰীয়ে আগবঢ়োৱা ধনৰাশি ১০০ জন বানাক্ৰান্তক প্ৰদান কৰা হয়। উল্লেখ্য যে নগাঁও জিলাৰ সঞ্জয় পালৰ নেতৃত্বত নগাঁও জিলা পৰিষদৰ সমূহ সতীৰ্থই বানাক্ৰান্ত পৰিয়ালৈলৈ অতি আৱশ্যকীয় সামগ্ৰী আগবঢ়ায়। শিৱসাগৰ, নাজিৰা, যোৰহাট আৰু চৰাইদেউ জিলাৰ চাৰিটা স্থানত জিলা সমিতিসমূহৰ সহযোগত এই কাৰ্যসূচী সফল কৰা হয়। এনৰেগা কৰ্মচাৰী উন্নয়ন পৰিষদে সাহায্য প্ৰদানত বিশেষভাৱে সহযোগ কৰা শিৱসাগৰ, নাজিৰা, যোৰহাট আৰু চৰাইদেউ জিলা সমিতিক বিশেষ ধন্যবাদ আগবঢ়োৱাৰ উপৰি প্ৰতিখন জিলাৰ পৰা সহায়ৰ হাত আগবঢ়োৱা প্ৰতিজন কৰ্মচাৰীক কৃতজ্ঞতা জ্ঞাপন কৰে।

## ডুমুনীত বিশ্ব আদিবাসী দিৱস পালন

**অসম ভূমি সেৱা,নাথকুছি ঃ** বাক্সা জিলাৰ ডুমুনীত যোৱা ৯ আগষ্টত পালন কৰা হয় বিশ্ব আদিবাসী দিৱস। এই দিৱসতে আদিবাসীসকলৰ দীৰ্ঘদিনীয়া প্ৰাপ্য অধিকাৰক লৈ সৰৱ হৈ পৰে সদৌ অসম আদিবাসী ছাত্ৰ সন্থা চমুকৈ আছা। ডুমুনী আঞ্চলিক আদিবাসী ছাত্ৰ সন্থাৰ উদ্যোগত আৰু চৰ্ণা কমিটী, ডুমুনীৰ সহযোগত আদিবাসী দিৱস উপলক্ষে উলিওৱা এই বৰ্ণিল শোভাযাত্ৰাত অংশগ্ৰহণ কৰি আছাৰ নেতৃত্বই ৰাজ্য চৰকাৰৰ বিৰুদ্ধে তীব্ৰ ক্ষোভ উজাৰি নিজৰ প্ৰাপ্য মজুৰি বিচাৰি দাবী উত্থাপন কৰে।

### আইআইটি গুৱাহাটীত কবিকৃষ্ণ লেবৰেটৰীৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ

# নতুন সম্ভাৱনাৰ সন্ধান কৰাতো সময়ৰ আহ্বান ঃ প্ৰকাশ চন্দ্ৰ দাস

**গুৱাহাটী ঃ** আন্তঃৰাষ্ট্ৰীয় খিলঞ্জীয়া দিৱস উপলক্ষে কবিকৃষ্ণ লেবৰেটৰী, আইআইটি গুৱাহাটী ৰিছাৰ্চ পাৰ্ক-ৰ উদ্যোগত যোৱা দেওবাৰে 'ভাৰতীয় দৰ্শন আৰু জ্ঞানতত্ত্বক বিজ্ঞানলৈ ৰূপান্তৰ ঃ প্ৰাচীন জ্ঞানক আধুনিক বৈজ্ঞানিক অনুসন্ধানৰ সৈতে সংযোগ' শীৰ্ষক এখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আলোচনাচক্ৰ অনুষ্ঠিত হৈ যায়। উপাশা শৰ্মাই অভ্যাগতসকলক আদৰণি জনোৱাৰ অন্তত: শুৱালকুছিৰ হাটীসত্ৰৰ সত্ৰাধিকাৰ ৰাজীৱ সন্তই বন্তি প্ৰজ্বলন কৰি এই আলোচনাচক্ৰৰ আৰম্ভ কৰে। ইয়াৰ পিছতে আদৰণি ভাষণ দি ডº বিকুল দাসে দৰ্শনৰ পৰা বৈজ্ঞানিক অনুমানলৈ শীৰ্ষক বিষয়ত নিজৰ দৃষ্টি-ভংগি উপস্থাপন কৰে। তেওঁ ভাৰতীয় দৰ্শন আৰু





জ্ঞানতত্ত্বৰ ধাৰণাসমূহ কেনেদৰে বৈজ্ঞানিক অনুমান আৰু গৱেষণালৈ ৰূপান্তৰ কৰিব পাৰি সেই বিষয়ে উল্লেখ কৰে। ইয়াৰ পিছতে আলোচনাচক্ৰত ভাষণ দি ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ উত্তৰ-পূৰৱ ক্ষেত্ৰ প্ৰমুখ উল্লাস কুলকাৰ্ণীয়ে ভাৰতীয় জ্ঞানতত্ত্বক সমসাময়িক বিজ্ঞানলৈ ৰূপান্তৰ কৰাত আইআইটিসমূহৰ ভূমিকাৰ বিষয়ে উল্লেখ কৰে। আলোচনাচক্ৰত অংশগ্ৰহণ কৰি শান্তি সাধনা আশ্ৰমৰ হেম ভাইয়ে দৰ্শন আৰু বিজ্ঞানঃ 'শান্তি সাধনা আশ্ৰম-কবিকৃষ্ণৰ যাত্ৰা' শীৰ্ষক বিষয়ৰ ওপৰত ভাষণ দিয়ে। আইআইটিৰ গুৱাহাটীৰ সঞ্চালক দেৱেন্দ্ৰ জালিহাল, আইআইটি গুৱাহাটীৰ ভাৰতীয় জ্ঞান ব্যৱস্থা কেন্দ্ৰৰ মুৰব্বী ডº উদয় শংকৰ দীক্ষিত, অধ্যাপক ডº অজয় কুমাৰ বি কুল্লু মাক্কাৰা, অধ্যাপক ডº কৰুণা কলিতা, অধ্যাপক ডº সুকন্যা শৰ্মা, ডº সিদ্ধাৰ্থ সিংহ, ডº বন্টি বৰা, ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘৰ বৌদ্ধিক প্ৰমুখ শংকৰ দাস, ডº মংগলা হেডগে, অধ্যাপক ডº উদয় শংকৰ দীক্ষিত প্ৰমুখ্যে কেইবাগৰাকী ব্যক্তিয়ে এই আলোচনাত অংশগ্ৰহণ কৰি ভাৰতীয় বৈজ্ঞানিক চিন্তা আৰু জ্ঞানতত্ত্বৰ ওপৰত আলোচনা আগবঢ়ায়। এই আলোচনাচক্ৰত অংশগ্ৰহণ কৰি হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে প্ৰাচীন ভাৰতীয় চিন্তা-চেতনাৰ গভীৰতা আৰু আধুনিক বিজ্ঞানৰ যুক্তিনিষ্ঠ অনুসন্ধানৰ মাজত এক সেতু নিৰ্মাণ কৰি জ্ঞান, গৱেষণা আৰু উদ্ভাৱনৰ নতুন সম্ভাৱনাৰ সন্ধান কৰাতো সময়ৰ আহ্বান বুলি কয়। এই আলোচনাচক্ৰত ভাৰতৰ সমৃদ্ধ দাৰ্শনিক আৰু থলুৱা জ্ঞান-পৰম্পৰাক কেনেদৰে সুশৃংখল বৈজ্ঞানিক অনুমান, গৱেষণা-পদ্ধতি আৰু সমসাময়িক উদ্ভাৱনলৈ ৰূপান্তৰ কৰিব পাৰি, সেই বিষয়ে আলোচনা কৰা হয়। বিশেষকৈ বৈদিক জৈৱ উপকাৰ তন্ত্ৰ বা বৈদিক পৰোপকাৰবাদৰ ওপৰত আধাৰিত অনুমানমূলক যুক্তিক বৈজ্ঞানিক অনুমান আৰু পৰীক্ষামূলক গৱেষণা পদ্ধতিলৈ ৰূপান্তৰত কবিকৃষ্ণ লেবৰেটৰীত চলি থকা গৱেষণাৰ বিষয়েও আলোচনা কৰা হয়। আলোচনাচক্ৰত ছাত্ৰ-ছাত্ৰীৰ লগত মত-বিনিময় কৰাৰ লগতে লেবৰেটৰীও পৰিদৰ্শন কৰা হয়। ছাত্ৰ-ছাত্ৰীসকলে নিজৰ অভিজ্ঞতা, চিন্তা আৰু গৱেষণাৰ সৈতে জড়িত বিভিন্ন বিষয়ৰ ওপৰত মত-বিনিময় কৰে। সুনীতা ভূঞাই সাংস্কৃতিক কাৰ্যসূচী ৰূপায়ণ কৰা এই আলোচনাচক্ৰৰ অন্তত: শলাগৰ শৰাই আগবঢ়ায় গৱেষক শিক্ষাৰ্থী তুলিকা শৰ্মাই।

■ অসম ভূমি ■ ১২ আগষ্ট, ২০২৬ ■

সম্পাদকৰ মেজৰ পৰা...


# জীৱনৰ উদ্‌গতি

জীৱন এক শিল্প। মানুহ নিজেই ইয়াৰ শিল্পী বা কলাকাৰ। মানৱ জীৱনৰ প্ৰতিটো স্তৰ একোটা শিল্প, মাথোঁ এই স্তৰবোৰ নানাৰঙী ফুলৰ দৰে বৰ্ণময়, বৈচিত্ৰ্যময় কৰি সজাই তুলিব পৰাতে মানৱ জীৱনৰ সাৰ্থকতা। একোজন শিল্পীৰ সুকুমাৰ চিন্তা-ভাবনাৰ দ্বাৰা এটা শিল্প, সি চিত্ৰ বা ভাস্কৰ্য, কবিতা অথবা সংগীত যিয়েই নহওক সাজি-পাৰি সৌন্দৰ্যশালী, ৰসোত্তীৰ্ণ হৈ কলামোদীৰ হৃদয়ত নান্দনিক আনন্দ-অনুভূতিৰ ঢৌ তোলে, কিয়নো তেওঁ অন্তৰতম উপলব্ধিৰে সৰ্বস্ব উজাৰি শিল্প স্ৰজনত মনোনিবেশ কৰে; ঠিক তেনেদৰে এটা শিল্পময় জীৱনে ব্যক্তিৰ নিজা উৎকৰ্ষ সাধন কৰাৰ লগতে সমসাময়িক সমাজখনতো আনন্দ আৰু প্ৰেৰণাৰ উৎসৰূপে ক্ৰিয়া কৰে।

প্ৰকৃতিৰ সকলো জীৱৰে এটা জীৱনকাল থাকে। যিকোনো জীৱৰ জনম-মৰণৰ মাজৰ নিচেই চমু সময়কণেই জীৱন। অনন্ত সময়ৰ তুলনাত জীৱৰ জীৱনকাল ক্ষুদ্ৰাতিক্ষুদ্ৰ। জীৱশ্ৰেষ্ঠ মানুহো ইয়াৰ ব্যতিক্ৰম নহয়। এই কম সময়ৰ, ক্ষণভংগুৰ জীৱনটো প্ৰতিজন মানুহে নিজাকৈ যাপন কৰে। সাধাৰণভাৱে লক্ষ্য কৰিলে দেখা যায় আমি জন্ম হ'লো কাৰণেই জীয়াই থাকিব লাগে বা আছো। কিন্তু, এক শ্ৰেণীৰ মানুহে তেনেদৰে নাভাবি জীৱনক উচ্চতৰ স্তৰলৈ তুলি নিয়াৰ চেষ্টাত ব্ৰতী হয়, তেওঁলোকৰ থাকে আত্মসংযম সম্বলিত পৰিশীলিত জীৱনবোধ, সুস্থ চিন্তা-চেতনা, সু-ৰুচিসম্পন্ন মানসিকতা, প্ৰেম-কৰুণা, ন্যায়নিষ্ঠা, উদাৰতা ইত্যাদি অনেক গুণ। এইসকল ব্যক্তিয়ে জীৱনক সুন্দৰ ৰূপত সজাই-পৰাই আনন্দময় আৰু সন্তুষ্টিৰে উপভোগ কৰে। এইসকলেই জীৱন শিল্পী। মানুহৰ হৃদয়ক বিমল আনন্দেৰে তৃপ্ত কৰা একোটা শিল্পৰ সৃষ্টিত যিদৰে এজন শিল্পীৰ একাগ্ৰ সাধনা নিহিত, ঠিক তেনেদৰে একোজন জীৱন শিল্পীয়েও পৰিমাৰ্জিত জীৱন-প্ৰণালীৰে মনুষ্যত্বক দেৱত্বলৈ উত্তৰণ ঘটায় আৰু দহৰ আদৰ্শ হৈ ধৰা দিয়ে।

'সাৰথি' নামৰ পুথিখনত লেখক সত্যনাথ বৰাদেৱে 'মনুষ্য জীৱনৰ লক্ষ্য' পাঠটোত উল্লেখ কৰিছে 'সংসাৰত উদ্‌গতি কৰাই মানুহৰ জীৱনৰ সংকল্প বা লক্ষ্য হোৱা উচিত।' তেখেতে কেনেধৰণৰ উদ্‌গতি কৰিব লাগে গোটেই পুথিখনত তাৰো বিস্তৃত ব্যাখ্যা দাঙি ধৰিছে। কথাশিল্পী হোমেন বৰগোহাঞিদেৱে 'উচ্চাকাংক্ষা' শীৰ্ষক সংকলনখনত লিখিছে 'প্ৰত্যেক মানুহৰ জীৱনৰ লক্ষ্য হোৱা উচিত এটা নহয়— দুটা। প্ৰথমটো লক্ষ্য হ'ল নিজৰ সহজাত প্ৰতিভা আৰু অভিৰুচিৰ লগত সংগতি ৰাখি এখন কৰ্মক্ষেত্ৰ বাছি লৈ তাত কৃতকাৰ্য হ'বলৈ চেষ্টা কৰা। দ্বিতীয়টো লক্ষ্য হ'ল সুকুমাৰ হৃদয়-বৃত্তি আৰু নৈতিক চৰিত্ৰৰ উৎকৰ্ষ সাধন কৰি জীৱনত সুখ, শান্তি আৰু আনন্দ পাবলৈ চেষ্টা কৰা। এনেদৰে অসংখ্য উদ্ধৃতি দিব পৰা যায়। এটা কথা ঠিক মানুহে সন্তুষ্টিৰে আৰু পৰিপূৰ্ণভাৱে কটোৰাটোৰে জীৱনৰ উদ্দেশ্য। তাকে পাবলৈ হ'লে এনে কিছু কাম কৰিব লাগিব যিবোৰ সুনিয়ন্ত্ৰিত আৰু সুশৃংখলিত। অতি প্ৰাচীন কালৰে পৰা জীৱনক উৰ্ধ্বগামী গতিৰে কলাত্মক ৰূপত সজাই তোলা অলেখ ব্যক্তিৰ জীৱনে আমাক অফুৰন্ত প্ৰেৰণাৰে বাট দেখুৱাই আহিছে। শিল্পময় জীৱনৰ অধিকাৰীসকল চিৰনমস্য!

আজিৰ বিজ্ঞান-প্ৰযুক্তিৰ আধুনিক যুগত মানুহে বাৰু শান্তিৰে জীৱনটো যাপন কৰিব পাৰিছেনে? অত্যধিক ভোগ-লালসাৰ প্ৰলোভনৰ অগ্নিত দহি দহি মানুহে উদ্বেগপূৰ্ণ সময় অতিবাহিত কৰিবলগা হোৱা নাইনে! তাৰ মাজতো এনে বহু লোক আছে যিসকলে একাগ্ৰ সাধনাৰে জীৱনক সাৰ্থক কৰিব পাৰিছে। আমাৰ সমাজতে থকা এনে কিছু ব্যক্তিৰ ওচৰত শিৰ নত হয়। আমি আনক উপকাৰ কৰিব নোৱাৰিলেও অপকাৰ নকৰি, সত্য আৰু ন্যায়ৰ পথত থাকি উচিত-অনুচিত বিবেচনা কৰি এটা শান্ত জীৱন কটাবলৈ যত্ন কৰাৰ কথা নিশ্চয় ভাবিব পাৰো। জীৱনত ঘাত-প্ৰতিঘাত আহেই, মাথোঁন সংযম আৰু ধৈৰ্যৰে তাৰ মুখামুখি হ'বলৈ সাজু থাকিব লাগিব। বৰ্তমান সমাজত চলি থকা অসামাজিক কাণ্ডবোৰৰ কাৰণ হিচাপে মানৱ জীৱনৰ মূল্য বুজি নোপোৱা, ক্ষমতাৰ লালসা, প্ৰচুৰ সম্পত্তিৰ লোভ আৰু অহংকাৰ বুলিয়ে ভাব হয়। প্ৰতিজন ব্যক্তিয়ে যদি নিজকে শান্ত-নিৰুদ্বেগ কৰি ৰাখিব পাৰিলেহেঁতেন তেতিয়াহ'লে আজিৰ এনে অসূয়া-অপ্ৰীতি, হত্যা-লুণ্ঠন আদি সমস্যাৰ উদ্ভৱ নহ'লহেঁতেন। গতিকে আমি এটা শান্ত পৰিৱেশ সৃষ্টিত আমাৰ জীৱনেৰে অকণমান অৰিহণা যোগাব নোৱাৰোনে?



# স্বাধীনতা দিৱস

চন্দ্ৰ শেখৰ পৰাজুলী

আজি আমি বৰ্তমান সময়ত চন্দ্ৰযান-২ বা চন্দ্ৰযান-৩ মহাকাশত এৰি মনে মনে হয়তো সকলো ভাৰতীয় লোকসকলে গৌৰৱান্বিত অনুভৱ কৰো নহয়নে? কিন্তু চাওক ১৬ জুলাই ১৯৬৯ চনত এপলো-১১ মহাকাশযানত তিনিজন মহাকাশচাৰী জোনবাইৰ দেশলৈ বুলি ৰাওনা হৈ প্ৰায় ৫৭ বছৰৰ আগতেই চন্দ্ৰত মানুহে ভৰি থৈ আহিবলৈ সক্ষম হৈছে। এতিয়া কথা হ'ল বৰ্তমানে ২০২৩ চনত ইণ্টাৰনেট লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ইমান ক্ৰান্তিৰ সময়ত আমি কেৱল চন্দ্ৰলৈ এখন যন্ত্ৰ পঠিয়াই ইমানকৈ উৎফুল্লিত হোৱাৰ মই কাৰণ বিচাৰি পোৱা নাই। চাওক, আগতে মানুহে বল প্ৰয়োগৰ জৰিয়তে নানান দেশৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু আজিকালি বল প্ৰয়োগ কৰাতকৈ বুদ্ধি প্ৰয়োগৰ দিন আহিছে।

ভাৰতবৰ্ষত প্ৰতি বছৰে ১৫ আগষ্ট তাৰিখে স্বাধীনতা দিৱস উদ্‌যাপন কৰা হয়। কিন্তু বৰ্তমান সময়ৰ লাখটকীয়া প্ৰশ্নটো হ'ল আমি বৰ্তমান সময়ত সঁচাকৈয়ে সম্পূৰ্ণ ৰূপত এখন স্বাধীন ৰাষ্ট্ৰনে? আমাৰ দেশ ভাৰতে বৰ্তমান সময়ত এখন স্বাধীন ৰাষ্ট্ৰ ৰূপত স্বীকৃতি পোৱা প্ৰায় ৮০ বছৰ হৈছে। এই ৮০ বছৰ ধৰি আমি নিজে কিমান আত্মনিৰ্ভৰশীল হৈছো সেয়াহে হয়তো আমি সকলোৱে নিজে নিজে অনুমান কৰিবলৈ সক্ষম নহয়নে? ইয়াৰ লগে লগে আমাৰ দেশে কিমান উন্নতি সাধন কৰিবলৈ সক্ষম হৈছো সেইবোৰ আমি আজি নিজ চকুৰে প্ৰত্যক্ষ কৰি গৈ আছো। চাওক মই ইয়াতে যদি আমাৰ দেশৰ বিষয়ে আপোনালোকক ধনাত্মক দিশতকৈ যদি ঋণাত্মক দিনবোৰ যদি অৱগত কৰিবলৈ ধৰো, তেন্তে আপোনালোকে মোক ঋণাত্মক মানসিকতাৰে পৰিপুষ্ট মানুহৰ লগত তুলনা কৰিব। তথাপি যি কিয়ে নহওক কিয় আমি সত্যক উজাগৰ কৰিবলৈ ভয় কৰিব নালাগে। আচলতে কিছুমান প্ৰকৃত সত্য নিজৰ মাজত দমন কৰাটো সম্ভৱপৰ হয় যদিও এনেধৰণৰ নানান বিষয়বস্তু থাকে যাক আমি জগতৰ আগত ঢাকি ৰখাটো কেতিয়াও সম্ভৱপৰ নহয়।

আমি বৰ্তমান সময়ত চন্দ্ৰযান-২ বা চন্দ্ৰযান-৩ মহাকাশত এৰি মনে মনে হয়তো সকলো ভাৰতীয় লোকসকলে গৌৰৱান্বিত অনুভৱ কৰো নহয়নে? কিন্তু চাওক ১৬ জুলাই ১৯৬৯ চনত এপলো-১১ মহাকাশযানত তিনিজন মহাকাশচাৰী জোনবাইৰ দেশলৈ বুলি ৰাওনা হৈ প্ৰায় ৫৭ বছৰৰ আগতেই চন্দ্ৰত মানুহে ভৰি থৈ আহিবলৈ সক্ষম হৈছে। এতিয়া কথা হ'ল বৰ্তমানে ২০২৩ চনত ইণ্টাৰনেট লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ ইমান ক্ৰান্তিৰ সময়ত আমি কেৱল চন্দ্ৰলৈ এখন যন্ত্ৰ পঠিয়াই ইমানকৈ উৎফুল্লিত হোৱাৰ মই কাৰণ বিচাৰি পোৱা নাই। চাওক, আগতে মানুহে বল প্ৰয়োগৰ জৰিয়তে নানান দেশৰ ওপৰত নিজৰ প্ৰভাৱ বিস্তাৰ কৰিছিল। কিন্তু আজিকালি বল প্ৰয়োগ কৰাতকৈ বুদ্ধি প্ৰয়োগৰ দিন আহিছে। এসময়ত যিদৰে আমি আনৰ বল প্ৰয়োগৰ জৰিয়তে দমন হৈ আছিলো ঠিক সেইদৰে এতিয়া আমি আকৌ পুনৰ এবাৰ ডিজিটেলী পশ্চিমীয়া দেশৰ তলতীয়া হৈ পৰিছো।

আৰু এনে সমস্যা সমাধানৰ বাবে আমাৰ মাজত প্ৰতিভাৰ অভাৱ আছে, এনে নহয়। আচলতে আমাৰ মাজত থকা প্ৰতিভাসমূহৰ উচিত মূল্যাংকন কৰাৰ পৰাহে আমি বঞ্চিত হৈ আছো। আমি এতিয়াও স্বাধীনতাৰ প্ৰায় ৮০ বছৰৰ পিছতো নাৰী সমাজৰ ওপৰত উচিত ন্যায় আৰু নাৰী সমাজক বৰ্তমান সময়তো সুৰক্ষিত কৰি তুলিবলৈ সম্ভৱপৰ হৈ উঠা নাই। কিন্তু কিমান দুখৰ বিষয় অতীতত ভাৰতবৰ্ষক ভাৰতমাতা, নাৰীক অৰ্ধাংগিনী আৰু গাইক আমি গো-মাতা বুলি গণ্য কৰিছিলো যদিও বৰ্তমান সময়ত নাৰী জাতিক সুৰক্ষা প্ৰদানৰ পৰা বঞ্চিত হৈ আছো। সেয়েহে মোৰ মতে প্ৰকৃত স্বাধীনতা তেতিয়াহে আহিব যেতিয়া আমাৰ দেশে সফলতাৰ সৰ্বোচ্চ শিখৰত অতিক্ৰম কৰিবলৈ সক্ষম হ'ব। দেশৰ প্ৰতিজন মানুহৰ জীয়াই থকাৰ বাবে ন্যূনতম সামগ্ৰী সংগ্ৰহ কৰিবলৈ চিন্তা-চৰ্চা বা সংগ্ৰাম, সংঘৰ্ষ কৰাৰ পৰা বঞ্চিত হৈ বিকশিত দেশৰ কল্পনা কৰিবলৈ ধৰিব। কাৰণ ভোকাতুৰ ব্যক্তিয়ে পোনপ্ৰথমে অন্নৰ সন্ধান কৰিব লাগিব আৰু এজন ভৰপেট ব্যক্তিয়েহে অন্যান্য দিশত মনোনিবেশ কৰিবলৈ সক্ষম হ'ব।

উপৰিউক্ত আলোচনাৰ জৰিয়তে বেছিভাগ মানুহে গম পাইছে মই আচলতে কি ক'বলৈ বিচাৰিছো আৰু কিছুমান মানুহে মোক হয়তো ঋণাত্মক চিন্তাধাৰাৰ ব্যক্তিৰ লগত তুলনা কৰিব। আচলতে ময়ো ভাৰতবৰ্ষৰ বেছিভাগ সৰ্বসাধাৰণ নাগৰিকৰ দৰে দুবেলা দুমুঠি অন্নৰ সন্ধানতে আত্মনিয়োগ কৰি থাকিব লগা হৈছে। তথাপি আমাৰ ভাৰত মহান বুলি হুংকাৰ দিয়াসকলক আমাৰ দেশৰ প্ৰকৃত সত্য আৰু কিছু আচল তথ্য অৱগত কৰিবলৈ আন্তৰিকতাৰে মন গ'ল। আচলতে এসময়ত আমাৰ ভাৰত মহান ৰাষ্ট্ৰ আছিল কিন্তু বৰ্তমান সময়ত আমাৰ দেশৰ পৰা মহান শব্দটো দিনক দিনে নাইকিয়া হৈ গৈ আছে। সেয়েহে আকৌ পুনৰ এবাৰ মহান শব্দটো ঘূৰাই পাবলৈ হ'লে প্ৰতিটো ক্ষেত্ৰত কাম কৰি যাব লাগিব। তথাপি মহান ভাৰতৰ কল্পনাৰ সৈতে অনাগত স্বাধীনতা দিৱসৰ সকলো দেশবাসীলৈ আন্তৰিক শুভকামনা আৰু শুভেচ্ছা জনালো। ■

*অসম হৈছে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে মহীয়সী আৰু সংমিশ্ৰিত সংস্কৃতিৰে চহকী এক অনন্য ভূমি। যুগ যুগ ধৰি এইখন ৰাজ্যত বিভিন্ন ধৰ্ম, বৰ্ণ, জাতি আৰু জনজাতিৰ লোকে বৈচিত্ৰ্যৰ মাজতো এক সুদৃঢ় সম্প্ৰীতিৰ পৰম্পৰা ৰক্ষা কৰি সহাৱস্থান কৰি আহিছে। 'অনৈক্যৰ মাজত ঐক্য'— হৈছে অসমৰ প্ৰাণস্পন্দন। বড়ো, মিচিং, কাৰ্বি, ডিমাচা, ৰাভা, তিৱা, দেউৰী আদি বহুতো খিলঞ্জীয়া জনজাতিৰ লগতে অজনজাতীয় সম্প্ৰদায় আৰু হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, শিখ আদি বিভিন্ন ধৰ্মীয় লোকে নিজ নিজ স্বকীয় ঐতিহ্য বজাই ৰাখি একেখন অসমীয়া সমাজতে যুগ যুগ ধৰি নিবিড়ভাৱে বাস কৰি আহিছে। অতীতৰে পৰা অসমীয়া ভাষাই এই বিভিন্ন ভাষা-ভাষী আৰু ফৈদৰ লোকসকলৰ মাজত ভাব আদান-প্ৰদানৰ আৰু একতাৰ এক শক্তিশালী মাধ্যম হিচাপে কাম কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উদাৰ মানৱতাবাদ আৰু আজানপীৰৰ সম্প্ৰীতিৰ বাৰ্তাই গঢ়ি তোলা এই সমাজখনত সংঘাত বা ভেদাভেদৰ প্ৰাচীৰখনে কেতিয়াও স্থায়ী ৰূপ ল'ব পৰা নাই। এই একতা কেৱল এক আভিধানিক শব্দ বা মুখৰ কথা হৈ থকা নাই, বৰঞ্চ সমাজৰ প্ৰতিটো কঠিন পৰীক্ষাত এই বৰঘৰৰ ভেটি অধিক সুদৃঢ় হৈ প্ৰকাশ পাইছে।*

# অনৈক্যৰ মাজত ঐক্য উজনিৰ বান আৰু অসমীয়াৰ ঐতিহাসিক সম্প্ৰীতি



নলিনী ৰঞ্জন ভূঞা

অসম হৈছে প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্যৰে মহীয়সী আৰু সংমিশ্ৰিত সংস্কৃতিৰে চহকী এক অনন্য ভূমি। যুগ যুগ ধৰি এইখন ৰাজ্যত বিভিন্ন ধৰ্ম, বৰ্ণ, জাতি আৰু জনজাতিৰ লোকে বৈচিত্ৰ্যৰ মাজতো এক সুদৃঢ় সম্প্ৰীতিৰ পৰম্পৰা ৰক্ষা কৰি সহাৱস্থান কৰি আহিছে। 'অনৈক্যৰ মাজত ঐক্য'— হৈছে অসমৰ প্ৰাণস্পন্দন। বড়ো, মিচিং, কাৰ্বি, ডিমাচা, ৰাভা, তিৱা, দেউৰী আদি বহুতো খিলঞ্জীয়া জনজাতিৰ লগতে অজনজাতীয় সম্প্ৰদায় আৰু হিন্দু, ইছলাম, খ্ৰীষ্টান, বৌদ্ধ, শিখ আদি বিভিন্ন ধৰ্মীয় লোকে নিজ নিজ স্বকীয় ঐতিহ্য বজাই ৰাখি একেখন অসমীয়া সমাজতে যুগ যুগ ধৰি নিবিড়ভাৱে বাস কৰি আহিছে। অতীতৰে পৰা অসমীয়া ভাষাই এই বিভিন্ন ভাষা-ভাষী আৰু ফৈদৰ লোকসকলৰ মাজত ভাব আদান-প্ৰদানৰ আৰু একতাৰ এক শক্তিশালী মাধ্যম হিচাপে কাম কৰি আহিছে। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ উদাৰ মানৱতাবাদ আৰু আজানপীৰৰ সম্প্ৰীতিৰ বাৰ্তাই গঢ়ি তোলা এই সমাজখনত সংঘাত বা ভেদাভেদৰ প্ৰাচীৰখনে কেতিয়াও স্থায়ী ৰূপ ল'ব পৰা নাই। এই একতা কেৱল এক আভিধানিক শব্দ বা মুখৰ কথা হৈ থকা নাই, বৰঞ্চ সমাজৰ প্ৰতিটো কঠিন পৰীক্ষাত এই বৰঘৰৰ ভেটি অধিক সুদৃঢ় হৈ প্ৰকাশ পাইছে।

প্ৰকৃতি যেনেকৈ অসমৰ বাবে এক অপূৰ্ব আশীৰ্বাদ, ঠিক তেনেকৈ কালৰূপী বানো এইখন ৰাজ্যৰ বাবে এক চিৰন্তন আৰু হৃদয়বিদাৰক অভিশাপ। যোৱা ১৯ জুলাইৰ নিশা অসম-নাগালেণ্ড সীমান্তৰ মন জিলাৰ নাগিনীমৰা পাহাৰত হোৱা ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা ভয়াৱহ জলপ্ৰলয়ে উজনি অসমৰ কেইবাখনো জিলাত এক অবৰ্ণনীয়, অভাৱনীয় আৰু মৰ্মন্তুদ পৰিস্থিতিৰ সৃষ্টি কৰিছে। পাহাৰ খহি নামি অহা তীব্ৰ বানৰ কোবাল সোঁতে চকুৰ পলকতে উটুৱাই লৈ গ'ল হাজাৰ হাজাৰ পৰিয়ালৰ সপোনৰ ঘৰখন। মুহূৰ্ততে সৰ্বস্ব হেৰুৱাই নিঠৰুৱা হৈ পৰিল অজস্ৰ বানাক্ৰান্ত লোক। এই প্ৰলয়ংকৰী বানত কিমান মানুহ উটি গ'ল, কিমান জীৱ-জন্তু আৰু চৰাই-চিৰিকটি বোকা-বালিত পোত গ'ল তাৰ কোনো সীমা-সংখ্যা নোহোৱা হ'ল। শিৱসাগৰ, নাজিৰা, সোণাৰী, চৰাইদেউ, যোৰহাট, গোলাঘাট, মহমৰা আদিকে ধৰি সমগ্ৰ অঞ্চলটোত একো বাকী নৰ'ল। ঘৰ-বাৰী, খেতি-পথাৰ, ধানৰ ভঁৰাল, ঘৰুৱা আচবাব, কিতাপ-বহী, খাদ্য-সামগ্ৰীৰ পৰা আৰম্ভ কৰি বিদ্যালয়-মহাবিদ্যালয়লৈকে সকলো ধ্বংসস্তুপত পৰিণত হ'ল।

সম্প্ৰতি জিলাকেইখনত সৃষ্টি হৈছে এক অকল্পনীয় অৱস্থাৰ। চাৰিওফালে কেৱল মৃতদেহৰ পচা দুৰ্গন্ধ। আনফালে দূষিত পানী আৰু খৰ-খজুৱতিকে ধৰি নানা চৰ্মৰোগ তথা মহামাৰীসদৃশ বেমাৰত আক্ৰান্ত হৈ পৰিছে লাখ লাখ লোক। সৰ্বস্ব হেৰুৱাই দিশহাৰা হৈ পৰা এই লোকসকলৰ মূৰৰ ওপৰত নাই এখন চালি, নাই বিশুদ্ধ খোৱাপানী, নাই খাদ্য-এক অনিশ্চিত ভৱিষ্যতৰ আশংকাত হাহাকাৰ কৰি উঠিছে বানাক্ৰান্তসকলে। প্ৰকৃতিৰ চৰম তাণ্ডৱে মানুহৰ সপোনবোৰ নিমিষতে ছাই কৰি পেলাই অভূতপূৰ্ব মানৱীয় সংকটৰ সৃষ্টি কৰিলে।

দুৰ্যোগৰ এই ঘোৰ অন্ধকাৰৰ সময়ছোৱাত সমগ্ৰ অসমত সৃষ্টি হৈছে এক ঐতিহাসিক আৰু আৱেগিক অৱস্থাৰ। লক্ষণীয়ভাৱে বানপীড়িত লোকসকলৰ দুৰ্দশাৰ সমভাগী হৈ সমগ্ৰ অসমবাসী এক হৈ থিয় দিছে। ভৌগোলিক দূৰত্ব বা ৰাজনৈতিক মেৰুকৰণক নেওচি অসমৰ প্ৰতিটো প্ৰান্তৰ পৰা মানুহ দৌৰি আহিছে বানাক্ৰান্তসকলৰ কাষলৈ। কি তৰুণ, কি বৃদ্ধ, কি ধনী, কি দুখীয়া সকলোৱেই খাদ্য, বস্ত্ৰ, ঔষধ আৰু বিশুদ্ধ খোৱাপানীকে ধৰি নানান সাহায্য সামগ্ৰীৰ টোপোলা লৈ দিন-ৰাতি একাকাৰ কৰি শিৱসাগৰ, নাজিৰা, চৰাইদেউৰ অভিমুখে যাত্ৰা কৰা দেখা গৈছে। 'আমি সকলো অসমীয়া, আমি একেজনী মাতৃৰে সন্তান' —এই সৰ্বজনীন আৰু নিভাঁজ অনুভৱৰ মানসিকতাই সকলো সৰু-বৰ দেৱাল ধূলিসাৎ কৰি সকলোৱে মূল লক্ষ্য হৈ পৰিছে বানাক্ৰান্ত সহোদৰসকলক উদ্ধাৰ কৰাটো।

নিজৰ সাঁচতীয়া ধন ব্যয় কৰি বানপীড়িত অঞ্চললৈ খাদ্য-সামগ্ৰী প্ৰেৰণ কৰাৰ উপৰি ঘৰে ঘৰে সামগ্ৰী আৰু অৰ্থ সংগ্ৰহত ব্যস্ত হৈ পৰিছে সকলো। বাকচৰ চাদৰৰ ভাঁজত সুমুৱাই থোৱা সাঁচতীয়া টকাকেইটা বা সংৰক্ষিত মেখেলা-চাদৰযোৰ এগৰাকী মাতৃয়ে উলিয়াই দিছে, বানত নিঠৰুৱা হোৱা আন এগৰাকী ভগ্নীৰ দেহাটো ঢাকিবৰ বাবে। এটকা-দুটকাকৈ সাঁচি থোৱা মাটিৰ টেকেলিটো ভাঙি কণমানি সৰু ল'ৰা-ছোৱালীয়েও নিজৰ সমস্ত পুঁজি আগবঢ়াইছে দুৰ্গতসকলৰ বাবে। শিল্পীসকলে গীত গাই গাই সাহায্য সংগ্ৰহ, সাংবাদিকসকলে এপদ-দুপদকৈ সামগ্ৰী সংগ্ৰহ কৰিবলৈ উঠিপৰি লাগিছে সকলো অঞ্চলতে। বাছ ড্ৰাইভাৰ, ট্ৰাক ড্ৰাইভাৰ, মেজিক সংস্থা, টমটম সংস্থা, বণিক সংস্থা, জ্যেষ্ঠ নাগৰিকৰ পৰা মহিলা সমিতিলৈকে কোনো বাকী নাই। সহায়ৰ বাবে হাত উজান দিছে সকলোৱে।

■ ১০ পৃষ্ঠাত



# অসমৰ বানপানীক কেন্দ্ৰই কিয় নিদিয়ে ৰাষ্ট্ৰীয় দুৰ্যোগৰ মৰ্যাদা ?

চন্দন কুমাৰ নাথ

প্ৰতিবছৰে বাৰিষা অহাৰ লগে লগে অসমৰ জনজীৱন একপ্ৰকাৰ স্তব্ধ হৈ পৰে। বানপানী আৰু খহনীয়া অসমৰ বাবে কেৱল এক প্ৰাকৃতিক পৰিঘটনাই নহয়, ই এক বাৰ্ষিক ট্ৰেজেডী যিয়ে ৰাজ্যখনৰ অৰ্থনীতি, আন্তঃগাঁথনি আৰু সমাজ ব্যৱস্থাক কোঙা কৰি পেলায়। শেহতীয়াকৈ ২০২৬ চনৰ জুলাই মাহত অহা প্ৰলয়ংকৰী বানপানীয়ে উজনি অসমৰ শিৱসাগৰ, চৰাইদেউ, গোলাঘাট, যোৰহাট আদি জিলাত যি বিভীষিকাৰ সৃষ্টি কৰিলে, সি সঁচাকৈয়ে হৃদয়বিদাৰক। এই ভয়াৱহ বানত প্ৰায় ৭৫ জনৰো অধিক লোকৰ অকাল প্ৰাণহানি ঘটিছে আৰু হাজাৰ হাজাৰ লোক গৃহহীন হৈ বিস্তৰ ক্ষতিৰ সন্মুখীন হৈছে। এনে এক ভয়াৱহ পৰিস্থিতিৰ পিছতে ৰাজনৈতিক দলসমূহে প্ৰধান মন্ত্ৰীৰ তাৎক্ষণিক ভ্ৰমণৰ লগতে কেন্দ্ৰীয় চৰকাৰক অসমৰ বানপানী সমস্যাক 'ৰাষ্ট্ৰীয় দুৰ্যোগ' (National Calamity) হিচাপে ঘোষণা কৰিবলৈ দাবী জনাইছে।

অসমৰ জনসাধাৰণৰ মনত যুগ যুগ ধৰি উদয় হোৱা এটা সাধাৰণ অথচ গুৰুত্বপূৰ্ণ প্ৰশ্ন হ'ল ইমান ভয়াৱহ ক্ষয়-ক্ষতিৰ পিছতো কেন্দ্ৰীয় চৰকাৰে অসমৰ বানপানীক কিয় ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা নকৰে? অসমৰ বানপানীক ৰাষ্ট্ৰীয় দুৰ্যোগ হিচাপে ঘোষণা নকৰাৰ আঁৰৰ আটাইতকৈ ডাঙৰ কাৰণটো কোনো ৰাজনৈতিক অনীহা নহয়, বৰঞ্চ ই এক আইনী আৰু প্ৰশাসনিক সীমাবদ্ধতা। ভাৰত চৰকাৰে দুৰ্যোগ ব্যৱস্থাপনাৰ বাবে 'দুৰ্যোগ ব্যৱস্থাপনা আইন, ২০০৫' প্ৰণয়ন কৰিছিল। আটাইতকৈ গুৰুত্বপূৰ্ণ কথাটো হ'ল, এই আইনখনত 'ৰাষ্ট্ৰীয় দুৰ্যোগ' বা 'National Disaster' বুলি কোনো নিৰ্দিষ্ট শব্দ বা শ্ৰেণী বিভাজনৰ উল্লেখ নাই। ভাৰতীয় প্ৰশাসন ব্যৱস্থাত দুৰ্যোগৰ মাত্ৰা আৰু ভয়াৱহতাৰ ওপৰত ভিত্তি কৰি ইয়াক 'গুৰুতৰ প্ৰকৃতিৰ দুৰ্যোগ' (Disaster of Severe Nature) হিচাপেহে গণ্য কৰা হয়। যেতিয়া কোনো এখন ৰাজ্যত দুৰ্যোগৰ মাত্ৰা ৰাজ্য চৰকাৰৰ মোকাবিলা কৰাৰ সামৰ্থ্যৰ বাহিৰলৈ যায়, তেতিয়া কেন্দ্ৰীয় চৰকাৰে ইয়াক 'গুৰুতৰ প্ৰকৃতিৰ দুৰ্যোগ' হিচাপে বিবেচনা কৰি ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি পুঁজিৰ (NDRF) পৰা অতিৰিক্ত সাহায্য প্ৰদান কৰে। সেয়েহে, আইনী দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে চৰকাৰীভাৱে কোনো দুৰ্যোগকেই 'ৰাষ্ট্ৰীয় দুৰ্যোগ' বুলি ঘোষণা কৰাৰ কোনো সাংবিধানিক বা আইনী প্ৰাৱধান বৰ্তমানলৈকে নাই। আইনী সীমাবদ্ধতা থকাৰ পিছতো এই বিষয়টোৱে বাৰে বাৰে ৰাজনৈতিক বিতৰ্কৰ ৰূপ কিয় লয়, সেয়াও এক লক্ষণীয় বিষয়।

■ নৱম পৃষ্ঠাত



# বানৰ বিভীষিকা

**মৰমী আহমেদ**

নিমিষতে হেৰাই যোৱা
সপোনবোৰৰ আৰ্তনাদ
শুনিবনো কোনে?

ৰুষ্ট প্ৰকৃতিৰ প্ৰচণ্ড তাণ্ডৱে
মুহূৰ্ততে ছিন্ন-ভিন্ন কৰি পেলোৱা
ধ্বংসলীলা
ৰখাব পাৰে কোনে?

নোৱাৰে-
কেতিয়াও নোৱাৰে।
মাথোঁ জীয়াতু হৈ
সময়ৰ সন্মুখত
নিস্তব্ধ হৈ ৰৈ যায়
মানুহৰ অসহায়তা

শেষ...
আজি যেন সকলোবোৰেই শেষ
পলকতে অহা বানৰ উন্মত্ত সোঁতে
উটুৱাই লৈ গ'ল
ককা-আইতাই
ঘামৰ টোপালেৰে গঢ়ি তোলা
খেতিৰ সেউজীয়া মাটি,
ভাঙি চূৰমাৰ কৰিলে
এপদ-দুপদকৈ সাঁচি ৰখা
সপোনৰ ঘৰখন।

যিবোৰ মুখত
এদিন হাঁহিৰ ফুল ফুলিছিল,
সেই মুখবোৰেই আজি
বেদনাৰ সাগৰত ডুব গৈ আছে

বানৰ বিভীষিকাই
কাৰোবাৰ ঘৰ কাঢ়ি নিলে,
কাৰোবাৰ জীৱিকা,
আৰু কাৰোবাৰ
চিৰদিনৰ বাবে আপোনজন

এতিয়া চাৰিওফালে
মাথোঁ নীৰৱতা,
চকুত অশ্ৰুৰ ধল,
হৃদয়ত হাহাকাৰ,
আৰু সপোনহীন
এখন বিধ্বস্ত পৃথিৱী।



# জলপ্ৰলয়

**সংগীতা ডেকা**

শোকাগ্নিৰ গাঢ়তা জুখিব নোৱাৰি
সেই গাঢ়তাক বৰ্ণাব নোৱাৰি
পাৰ নোহোৱা ৰাত্ৰিবোৰ বৰ দীঘলীয়া
ইমানেই দীঘল,
যে ঠুনুকা জীৱনে ককবকাই থাকে পাৰ পাবলে'
কিমান কষ্ট, কিমান যত্নৰ বিনিময়ত
একো একোটি প্ৰাণে কলি মেলে!
মৰহি যাবলৈ কাৰনো কামনা?
সকলো চকুৰে একেই আশা ঃ পোহৰত তিতিবলে'
কিন্তু দুৰ্বিষহ সময়ে আজি,
অলেখ জীৱনৰ বুকুত শ্মশান সাজিছে
পোহৰ সন্ধানী নয়নত, চকুলোৰে মালা গাঁঠিছে
পানীৰ বুকুত সকলোকেই মাথোঁ জ্বলাইছে
উশাহত প্ৰশান্তি নাই ঃ পেটত জীৱনী শক্তি নাই
চৌদিশে মাথোঁ বিভীষিকা
জীৱনৰ জানো উজনি নামনিৰ পৰিচয় থাকে
নাই, নাথাকে জীৱন জীৱনেই
সকলো একাকাৰ...
হে প্ৰাণনাথ, কৃপা কৰা
হে প্ৰাণনাথ, দয়া কৰা
তোমাৰ দ্বাৰা সৃষ্ট মানৱ জাতিক
তুমিয়েই আহি ৰক্ষণাবেক্ষণ দিয়া।

# আই তই নাকান্দিবি

**মেৰী বৰদলৈ**



আই তই নাকান্দিবি
তোৰ দুচকুত
চকুলো চাব পৰাকৈ
মোৰ জানো
সাহস আছে?

সপোনৰ ঘৰখন
বলিয়া বানে
নিমিষতে
শেষ কৰি পেলালে,
আকৌ সাজিম অ' আই-
মাথোঁ তহঁত কুশলে থাক
অদৃশ্যজনৰ ওচৰত
এয়াই মোৰ কাতৰ প্ৰাৰ্থনা জাননে?

বলিয়া বান
কাৰ শকতি আছে
ৰোধ কৰিবলৈ,
ধৈৰ্য সাহসেৰে
সংকটৰ সময়বোৰৰ সৈতে
যুঁজিব লাগিব অ' আই
যুঁজাৰু হ'ব লাগিব আমি আটায়ে
তই নাকান্দিবি আই
সপোনৰ ঘৰখন
আকৌ সজাম
সুখৰ এপাহি ফুলেৰে
উপচি পৰিব পুনৰ
আমাৰ চোতালত
হাঁহিৰ জোনাকে
সদায় থাকিম
তহঁতৰ কাষতে!



# ৰোৱনীৰ আশা

**ত্ৰিবেণী বৰা**



শাওণৰ ভৰপক দুপৰীয়াটিক
পিঠিতে পেলাই লৈ
বলধৰ ডিঙিৰ টিলিঙাৰ শব্দে
আলোড়িত কৰি যায় পথাৰখনিক।

খেতিয়কৰ ঘমাক্ত দেহাৰ গোন্ধ,
কেঁচেলুৱা মাটিত মিহলি হৈ
গন্ধবহত বিচ্ছুৰিত হয়।

একাঁঠু পানীত কলাফুল লৰে ৰোৱনীহঁতৰ।
অধৰৰ ফাঁকেৰে নিগৰি আহে ঐনিতমৰ সুৰ এটি।

ৰোৱনীৰ লাৱনী হাতৰ পৰশত,
গোঁজ মৰা কঠীয়াৰ ফাঁকেৰে
এটি সপোনে পোখা মেলে
সেউজৰ দিশে...!

য'ত লুকাই থাকে এমুঠি আকালৰ ভাত।
য'ত লুকাই থাকে সোণপাহিহঁতৰ
সপোনবোৰৰ কণমানি ডেউকাকেইখন।



# শাওণৰ ৰিমজিম হ'লো মই

**নাছিৰ আহমেদ**

শাওণৰ ৰিমজিম হ'লো মই
বুকু তিয়াই যায়,
হিয়াৰ যাতনাবোৰ
মোক বাৰে বাৰে সোঁৱৰায়।

মন মোৰ শাওণৰ মেঘ হ'ল
তোমাৰ সজল আখিযুৰি
বন্যাৰ ধল হৈ নামি
মোক বাৰে বাৰে কন্দুয়ায়!

শাওণৰ ৰিমজিম হ'লো মই
বুকু তিয়াই যায়
হিয়াৰ যাতনাবোৰ
মোক বাৰে বাৰে সোঁৱৰায়।

মই হ'বতো নোৱাৰো
শেৱালিৰ সুবাস,
কোকিলৰ মিঠা মাত,
হ'বতো নোৱাৰো
সূৰুযৰ ৰাঙলী আভা;
ভঙা-ছিঙা জীৱনৰ বীণ মোৰ
বাৰে বাৰে বিনায় মাথোঁ বিনায়!
তোমাৰ বিদায় বেলাত!

# ম'বাইল ফোনৰ ওপৰত নিৰ্ভৰশীলতা

কানুপ্ৰিয়া ডেকা

আধুনিক যুগত বিজ্ঞান আৰু প্ৰযুক্তিৰ উন্নতিয়ে মানুহৰ জীৱন ধাৰণ সম্পূৰ্ণৰূপে পৰিৱৰ্তন কৰিছে। এই পৰিৱৰ্তনৰ আটাইতকৈ উল্লেখযোগ্য উদাহৰণ হৈছে ম'বাইল ফোন। এটা সময়ত যোগাযোগৰ বাবে চিঠি বা লেণ্ডলাইন ফোন ব্যৱহাৰ কৰা হৈছিল; কিন্তু এতিয়া ম'বাইল ফোন মানুহৰ দৈনন্দিন জীৱনৰ এক অবিচ্ছেদ্য অংশ হৈ পৰিছে। ইমানেই যে বহু মানুহে ম'বাইল ফোন অবিহনে নিজৰ দিনটো কল্পনাও কৰিব নোৱাৰে। এই অৱস্থা ধীৰে ধীৰে এক প্ৰকাৰৰ নিৰ্ভৰশীলতালৈ ৰূপান্তৰিত হৈছে, যাৰ গভীৰ প্ৰভাৱ সমাজৰ ওপৰত পৰিছে।


ম'বাইল ফোনে মানুহৰ জীৱন বহুত সহজ কৰি তুলিছে। যোগাযোগ এতিয়া মুহূৰ্তৰ ভিতৰত সম্ভৱ। দূৰত থকা মানুহৰ সৈতে কথোপকথন, বাৰ্তা আদান-প্ৰদান, ভিডিঅ' কল —এই সকলোবোৰে মানুহক একেডাস সূতাত বান্ধি ৰাখিছে। কেৱল যোগাযোগেই নহয়, শিক্ষা, বিনোদন, বাণিজ্য, চিকিৎসা আদি বহু ক্ষেত্ৰতো ম'বাইল ফোনে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে অনলাইন ক্লাছ কৰে, মানুহে ডিজিটেল পেমেণ্ট কৰে আৰু সামাজিক মাধ্যমৰ জৰিয়তে বিভিন্ন ধৰণৰ তথ্য লাভ কৰে। এই দিশত চালে ম'বাইল ফোনে সমাজক আগবঢ়াবলৈ সহায় কৰিছে বুলি ক'ব পাৰি।

কিন্তু ইয়াৰ আন এটা দিশো আছে, যি যথেষ্ট চিন্তাজনক। ম'বাইল ফোনৰ ওপৰত অত্যধিক নিৰ্ভৰশীলতাই মানুহৰ আচৰণ আৰু জীৱনশৈলীত নেতিবাচক প্ৰভাৱ পেলাইছে। আজিৰ বহু মানুহে সৰু সৰু কামো ম'বাইল ফোন অবিহনে কৰিব নোৱাৰে। যিকোনো তথ্য জানিবলৈ, মনোৰঞ্জনৰ বাবে বা সময় পাৰ কৰিবলৈ সদায় ম'বাইলৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ ফলত মানুহৰ নিজা চিন্তা শক্তি আৰু সৃষ্টিশীলতা লাহে লাহে হ্ৰাস পাইছে।

সমাজত মানৱীয় সম্পৰ্কৰ ক্ষেত্ৰতো ইয়াৰ গভীৰ প্ৰভাৱ দেখা যায়। আগতে মানুহে মুখামুখি বহি কথা পাতিছিল, সময় কটাইছিল আৰু পৰস্পৰৰ সৈতে গভীৰ সম্পৰ্ক গঢ়ি তুলিছিল। কিন্তু এতিয়া বহু মানুহ একে ঠাইতে বহি থাকিও নিজৰ নিজৰ ম'বাইলত ব্যস্ত থাকে। পৰিয়ালৰ মাজতো এই দূৰত্ব স্পষ্টভাৱে অনুভৱ কৰা যায়। পিতৃ-মাতৃ আৰু সন্তানৰ মাজত কথা-বতৰাৰ পৰিমাণ কমি গৈছে। বন্ধুত্বৰ ক্ষেত্ৰতো বাস্তৱ সংযোগৰ ঠাইত ডিজিটেল সংযোগে স্থান ল'লে, যাৰ ফলত সম্পৰ্কবোৰৰ গভীৰতা হ্ৰাস পাইছে।

ম'বাইল ফোনৰ ওপৰত নিৰ্ভৰশীলতাৰ ফলত মানসিক স্বাস্থ্যৰ সমস্যাও বৃদ্ধি পাইছে। অধিক সময় ম'বাইল ব্যৱহাৰ কৰাৰ ফলত একাকীত্ব, উদ্বেগ আৰু হতাশাৰ দৰে সমস্যা দেখা দিব পাৰে। বিশেষকৈ যুৱপ্ৰজন্ম সামাজিক মাধ্যমত নিজকে আনৰ সৈতে তুলনা কৰি মানসিক চাপ অনুভৱ কৰে। আনহাতে, অবিৰত নোটিফিকেচন আৰু মনোযোগ বিচলিত কৰা বিষয়বস্তুৰ বাবে মনোযোগ ক্ষমতা হ্ৰাস পায়, যি শিক্ষা আৰু কৰ্মজীৱনত প্ৰতিকূল প্ৰভাৱ পেলায়।

শাৰীৰিক স্বাস্থ্যতো ইয়াৰ কু-প্ৰভাৱ অস্বীকাৰ কৰিব নোৱাৰি। দীঘলীয়া সময় ধৰি ম'বাইল ব্যৱহাৰ কৰাৰ ফলত চকুৰ সমস্যা, নিদ্ৰাহীনতা আৰু দেহৰ অসুখ আদি সমস্যাই দেখা যায়। বিশেষকৈ ৰাতি দেৰিলৈকে ম'বাইল ব্যৱহাৰ কৰিলে নিদ্ৰাৰ স্বাভাৱিক চক্ৰ বিঘ্নিত হয়, যাৰ ফলত স্বাস্থ্যত বেয়া প্ৰভাৱ পৰে।



তথাপি, ম'বাইল ফোন সম্পূৰ্ণৰূপে ক্ষতিকাৰক নহয়। ই এটা উপযোগী যন্ত্ৰ, কিন্তু সমস্যাটো হৈছে ইয়াৰ অতিমাত্ৰা ব্যৱহাৰ। সঠিক আৰু সীমিত ব্যৱহাৰ কৰিলে ম'বাইল ফোনে জীৱন সহজ আৰু উন্নত কৰিব পাৰে। সেয়ে ম'বাইল ফোনৰ ওপৰত অতিৰিক্ত নিৰ্ভৰশীলতা হ্ৰাস কৰিবলৈ সচেতনতা অতি প্ৰয়োজনীয়। মানুহে নিজৰ সময় সঠিকভাৱে ব্যৱস্থাপনা কৰিব লাগে, পৰিয়াল আৰু বন্ধু-বান্ধৱৰ সৈতে বাস্তৱ সময় কটোৱা উচিত আৰু প্ৰয়োজনতকৈ অধিক ম'বাইল ব্যৱহাৰ এৰাব লাগে।

ম'বাইল ফোন আধুনিক সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ হ'লেও ইয়াৰ ওপৰত অতিৰিক্ত নিৰ্ভৰশীলতা সমাজৰ বাবে চিন্তাৰ বিষয়। ই মানুহৰ সম্পৰ্ক, মানসিক স্বাস্থ্য আৰু জীৱনশৈলীত গভীৰ প্ৰভাৱ পেলাইছে। সেয়ে ম'বাইল ফোনক নিয়ন্ত্ৰণ কৰি, সঠিকভাৱে ব্যৱহাৰ কৰাটো অতি প্ৰয়োজনীয়। তেতিয়াহে আমি এখন সুস্থ, সচেতন আৰু সমতুলিত সমাজ গঢ়ি তুলিবলৈ সক্ষম হ'ম।

ইয়াৰ উপৰি, ম'বাইল ফোনৰ ওপৰত নিৰ্ভৰশীলতাই সমাজৰ নৈতিক দিশটোতো গভীৰ প্ৰভাৱ পেলাইছে। বৰ্তমান সময়ত বহু মানুহে ম'বাইল ফোনৰ জৰিয়তে এনে বিষয়বস্তুৰ সৈতে পৰিচিত হয় যিবোৰ তেওঁলোকৰ বয়স বা মানসিক পৰিপক্কতাৰ লগত সামঞ্জস্যপূৰ্ণ নহয়। বিশেষকৈ কিশোৰ-কিশোৰীৰ ক্ষেত্ৰত এই সমস্যাটো অধিক গুৰুত্বপূৰ্ণ। অনলাইন জগতত থকা বিভিন্ন ধৰণৰ অশোভনীয় বা বিভ্ৰান্তিকৰ বিষয়বস্তু তেওঁলোকৰ মন-মগজুত নেতিবাচক প্ৰভাৱ পেলায় আৰু আচৰণত বিকৃতি আনিব পাৰে। ইয়াৰ ফলত সমাজত শিষ্টাচাৰ আৰু নৈতিক মূল্যবোধ ধীৰে ধীৰে হ্ৰাস পাইছে।

ইয়াৰ লগতে ম'বাইল ফোনৰ জৰিয়তে ভুল তথ্য আৰু অপপ্ৰচাৰৰ বিস্তাৰো এক ডাঙৰ সমস্যা হিচাপে দেখা দিছে। সামাজিক মাধ্যমত যিকোনো তথ্য দ্ৰুতগতিত বিস্তাৰ পায়, কিন্তু সকলো তথ্য সত্য নহয়। বহু সময়ত মিছা খবৰ, অৰ্ধসত্য তথ্য মানুহৰ মাজত বিভ্ৰান্তি সৃষ্টি কৰে আৰু কেতিয়াবা সামাজিক অশান্তিৰ কাৰণো হয়। মানুহে যদি চিন্তা-ভাবনা নকৰাকৈ এনে তথ্য বিশ্বাস কৰে, তেন্তে ই সমাজৰ একতা আৰু শান্তিৰ বাবে বিপজ্জনক হৈ পৰে।

অন্য এটা গুৰুত্বপূৰ্ণ দিশ হৈছে ব্যক্তিগত গোপনীয়তা। ম'বাইল ফোন ব্যৱহাৰৰ জৰিয়তে মানুহৰ ব্যক্তিগত তথ্য সহজে সংৰক্ষণ আৰু আদান-প্ৰদান কৰা হয়। কিন্তু সঠিক সতৰ্কতা অৱলম্বন নকৰিলে এই তথ্যসমূহ অপব্যৱহাৰ হ'ব পাৰে। হেকিং, ডাটা চুৰি আদি সমস্যাই মানুহৰ ব্যক্তিগত জীৱনক বিপদত পেলায় আৰু সমাজত অসুৰক্ষাৰ অনুভৱ সৃষ্টি কৰে।

এই সমস্যাবোৰৰ সমাধানৰ বাবে ব্যক্তিগত আৰু সামাজিক দুয়ো স্তৰত সচেতনতা বৃদ্ধি কৰাটো অতি প্ৰয়োজনীয়। প্ৰতিজন ব্যক্তিয়ে নিজে বুজি ম'বাইল ফোন ব্যৱহাৰ কৰিব লাগে আৰু ইয়াৰ সীমা নিৰ্ধাৰণ কৰিব লাগে। পিতৃ-মাতৃ আৰু শিক্ষকসকলে সন্তানসকলক সঠিক দিশ নিৰ্দেশনা দিব লাগে যাতে তেওঁলোকে সঠিক আৰু স্বাস্থ্যকৰভাৱে প্ৰযুক্তি ব্যৱহাৰ কৰিব শিকে। চৰকাৰ আৰু সমাজৰ বিভিন্ন সংস্থায়ো এইক্ষেত্ৰত নীতি-নিয়ম কঠোৰভাৱে প্ৰয়োগ কৰি এক সুৰক্ষিত ডিজিটেল পৰিৱেশ গঢ়ি তুলিব পাৰে। ম'বাইল ফোন আধুনিক সমাজৰ এক শক্তিশালী উপকাৰী উপকৰণ, কিন্তু ইয়াৰ ওপৰত অতিৰিক্ত নিৰ্ভৰশীলতা বহু সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাবোৰ বুজি, সঠিক ব্যৱহাৰৰ অভ্যাস গঢ়ি তুলিলেহে আমি ইয়াৰ সুফল লাভ কৰিব পাৰিম। তেতিয়াহে সমাজত এক সুস্থ, সজাগ আৰু সমন্বিত জীৱনধাৰা প্ৰতিষ্ঠা কৰা সম্ভৱ হ'ব। ■



## বিপন্ন মানৱতা আৰু ভৱিষ্যৎ সমাজ

# ম'বাইল আসক্তি চাইবাৰ অপৰাধ

শচীন্দ্ৰ কুমাৰ দাস

যোগাযোগ ব্যৱস্থা ক্ষিপ্ৰ কৰা আৰু জ্ঞানৰ পৰিসৰ বৃদ্ধি কৰাৰ উদ্দেশ্যে নিৰ্মিত ম'বাইল ফোন বৰ্তমান মানুহৰ জীৱনৰ আটাইতকৈ ডাঙৰ নিচালৈ ৰূপান্তৰিত হৈছে। সৰু ল'ৰা-ছোৱালীৰ পৰা আৰম্ভ কৰি যুৱক-যুৱতী তথা প্ৰাপ্তবয়স্ক সকলোৰে মাজত ম'বাইল ফোন ব্যৱহাৰ কৰাৰ যি এক তীব্ৰ মানসিকতা গঢ়ি উঠিছে, ই ভৱিষ্যৎ সমাজৰ বাবে এক ডাঙৰ ধুমুহাৰ সংকেত। বিজ্ঞানৰ এই অপূৰ্ব উপহাৰবিধ বৰ্তমান সময়ত মানুহৰ মানসিক দাসত্বৰ কাৰণ হৈ পৰিছে।

ফে'চবুক, হোৱাটছএপ, ইনষ্টাগ্ৰাম, ইউটিউব আদিৰ পৰা কৰ্মবিমুখতা আৰু স্বাস্থ্যৰ অৱনতি আৰু সামাজিক মাধ্যম আৰু বিভিন্ন ধৰণৰ অনলাইন গেমে নতুন প্ৰজন্মক সম্পূৰ্ণ গ্ৰাস কৰি পেলাইছে। ইয়াৰ ফলত সমাজত কৰ্মৰ প্ৰতি এক তীব্ৰ অনীহা আৰু উদাসীনতাৰ সৃষ্টি হৈছে। মানুহে ঘণ্টাৰ পিছত ঘণ্টা একেৰাহে ম'বাইল স্ক্ৰীনলৈ চাই থকাৰ ফলত শাৰীৰিক আৰু মানসিক এলেহুৱা ভাৱ বাঢ়ি গৈছে। ইয়াৰ সমান্তৰালভাৱে তীব্ৰ মূৰৰ বিষ, স্মৃতিশক্তি হানি, একাগ্ৰতাৰ অভাৱ আৰু দৃষ্টিশক্তি কমি যোৱাৰ দৰে ভয়াৱহ স্বাস্থ্যজনিত সমস্যাই দেখা দিছে।

ম'বাইল আৰু ইণ্টাৰনেটৰ অপব্যৱহাৰে সমাজত এক নতুন ধৰণৰ ক'লা অধ্যায়ৰ সূচনা কৰিছে, যাক চাইবাৰ অপৰাধ বুলি কোৱা হয়। বৰ্তমান সময়ত ফেক একাউণ্ট খুলি ব্লেকমেইলিং কৰা, কাৰোবাৰ ব্যক্তিগত ফটো বা ভিডিঅ' ভাইৰেল কৰি মানসিক নিৰ্যাতন চলোৱা আৰু হেকিং আদি ঘটনা দৈনিক বৃদ্ধি পাব ধৰিছে। ইয়াৰ উপৰি অনলাইন লিংক বা ফোন কলৰ জৰিয়তে সহজ-সৰল মানুহৰ বেংকৰ পৰা ধন লুট কৰা বিত্তীয় প্ৰতাৰণা এক ডাঙৰ সামাজিক ব্যাধি হৈ পৰিছে। কোনো সত্যতা নোহোৱাকৈ ম'বাইলৰ জৰিয়তে ভুৱা বাতৰি বিয়পাই সমাজত হিংসা আৰু অশান্তি সৃষ্টি কৰাটো অতি সহজ হৈ পৰিছে।

ম'বাইল ফোন বা ইণ্টাৰনেট নিজে বেয়া বস্তু নহয়, ই হ'ল এখন দুমুখীয়া তৰোৱাল। ইয়াৰ সহায়ত ঘৰত বহিয়ে পৃথিৱীৰ সকলো জ্ঞান অৰ্জন কৰিব পাৰি যদিও বৰ্তমান প্ৰজন্মৰ মাজত কোনটো ভাল আৰু কোনটো বেয়া, তাৰ বিচাৰবোধ হেৰাই যোৱা দেখা গৈছে। শিশু আৰু কিশোৰসকলে ম'বাইলত শিক্ষা সংক্ৰান্তীয় কথা শিকাৰ পৰিৱৰ্তে তেওঁলোকৰ বয়সৰ অনুপযুক্ত হিংসাত্মক গেম বা সমাজ ধ্বংসকাৰী সমলসমূহ বেছিকৈ গ্ৰহণ কৰিবলৈ লৈছে। ইণ্টাৰনেট ব্যৱহাৰৰ মৌলিক জ্ঞান বা ডিজিটেল নৈতিকতা নথকাৰ বাবে সমাজত ক্ৰমান্বয়ে ক্ৰূৰতা আৰু মানসিক বিকৃতি বৃদ্ধি পাইছে।

ম'বাইল ফোনে মানুহক দূৰৈৰ মানুহৰ ওচৰ চপাই আনিছে সঁচা, কিন্তু ওচৰত থকা আপোন মানুহবোৰক বহুত দূৰলৈ ঠেলি দিছে। একেখন ঘৰতে থাকিও পৰিয়ালৰ প্ৰতিজন সদস্যই নিজৰ নিজৰ ম'বাইল স্ক্ৰীনত ব্যস্ত থাকে, যাৰ ফলত পাৰিবাৰিক মৰম-চেনেহ আৰু আন্তৰিকতা নাইকিয়া হৈছে। সামাজিক মাধ্যমৰ অতিৰিক্ত মোহে বৈবাহিক আৰু পাৰিবাৰিক জীৱনত সন্দেহ, অবিশ্বাস আৰু অৱশেষত সম্পৰ্কৰ ভাঙোন মাতি আনিছে। যদিহে এই ম'বাইল আসক্তি এইদৰেই চলি থাকে, তেন্তে ভৱিষ্যতৰ সমাজখন সম্পূৰ্ণ যান্ত্ৰিক, আৱেগহীন আৰু পংগু হৈ পৰাটো নিশ্চিত। ■

# অৰ্থৰ দাপোণত প্ৰতিফলিত মানৱতা

প্ৰেম বৈষ্ণৱ

গাঁৱৰ প্ৰেক্ষাপটত অৰ্থৰ প্ৰভাৱ আৰু অধিক স্পষ্ট। এখন সমাজত বা গাঁৱত যি ব্যক্তিৰ অৰ্থনৈতিক অৱস্থা উন্নত, তেওঁ স্বাভাৱিকতে সমাজৰ মুখ্য ব্যক্তি হিচাপে চিহ্নিত হয়। বিবাদ-বিসম্বাদৰ পৰা আৰম্ভ কৰি সামাজিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰলৈকে সকলোতে তেওঁৰ মতামতেই চূড়ান্ত। কাৰণ সমাজৰ মানুহৰ ধাৰণা মতে, যাৰ হাতত ধন আছে, তেওঁৰ হাতত সমাধানৰ ক্ষমতাও অধিক। তেওঁৰ আদেশ মানি চলাটো যেন সমাজৰ স্বাভাৱিক নিয়ম। এই ব্যৱস্থাত দৰিদ্ৰজনৰ প্ৰজ্ঞা বা অভিজ্ঞতা তল পৰি যায়। তেওঁলোকে দিয়া দিহা বা পৰামৰ্শসমূহ অৰ্থৰ অভাৱত অৱজ্ঞাত ভৰি থাকে। এনে এক পৰিৱেশত প্ৰতিভা বা সততাৰ স্থানত অৰ্থই সমাজৰ নিয়ন্ত্ৰণ ৰেখা নিজৰ হাতলৈ লৈ আহে। গাঁৱৰ পৰিৱেশত অৰ্থই যেন এক শ্ৰেণী বিভাজনৰ দেৱাল তৈয়াৰ কৰে। এই দেৱালৰ সিপাৰে থকা দুখীয়া লোকসকলৰ কণ্ঠ সদায় ৰুদ্ধ হৈ থাকে। তেওঁলোকৰ আশা-আকাংক্ষাবোৰ কেৱল সপোন হৈয়ে ৰয়। ইয়াৰ পৰিণতিত সমাজত একধৰণৰ অঘোষিত শ্ৰেণী বৈষম্য গা কৰি উঠিছে।

আধুনিক সভ্যতাৰ গতিধাৰাত অৰ্থ বা টকা হৈছে এনে এক অমোঘ শক্তি, যিয়ে মানুহৰ সামাজিক অৱস্থান নিৰূপণ কৰাত মুখ্য ভূমিকা পালন কৰে। জন্মৰ পৰা মৃত্যুলৈ মানুহে অৰ্জন কৰা প্ৰতিটো সাফল্যৰ মাপকাঠী বহুক্ষেত্ৰত তেওঁৰ বেংক বেলেঞ্চ বা অৰ্থনৈতিক সচ্ছলতাৰ ওপৰত নিৰ্ভৰশীল হৈ পৰে। সমাজৰ চকুত টকা কেৱল বিনিময়ৰ মাধ্যম হৈ থকা নাই, টকা হৈ পৰিছে এক অদৃশ্য পৰিচয়পত্ৰ। ব্যক্তিজনৰ চৰিত্ৰ, মেধা বা নিষ্ঠাৰ তুলনাত তেওঁৰ আৰ্থিক সক্ষমতাক অধিক অগ্ৰাধিকাৰ দিয়া পৰিলক্ষিত হয়। এই পৰিৱৰ্তিত সমাজ ব্যৱস্থাত টকা থাকিলে মানুহে যেন কোনো যাদুকৰী শক্তিৰ অধিকাৰী হৈ পৰে, ফলত তেওঁৰ চাৰিওফালে এক কৃত্ৰিম আদৰৰ আৱৰণ গঢ় লৈ উঠে। প্ৰতিটো অৱস্থাত অৰ্থই মানুহৰ অস্তিত্বৰ সৈতে এক নিবিড় সম্পৰ্ক স্থাপন কৰে। মানুহৰ প্ৰতিটো উচ্চাকাংক্ষাক টকাৰ অংকত জুখি চোৱাটো আজি এক প্ৰথা হৈ পৰিছে। এই ধাৰাই মানুহক এক যন্ত্ৰসদৃশ জীৱনলৈ ঠেলি দিছে, য'ত মানুহৰ আৱেগবোৰ গৌণ হৈ পৰে। মানুহৰ জীৱনৰ পৰা প্ৰকৃত শান্তি আৰু আনন্দ ক্ৰমে নাইকিয়া হৈছে। আমি টকাৰ পাছত দৌৰিবলৈ গৈ আমাৰ নিজৰ ব্যক্তিত্বক জলাঞ্জলি দিছো। অৰ্থই মানুহৰ চৰিত্ৰৰ ওপৰত এক এনে পৰ্দা টানি দিয়ে, যাৰ ফলত মানুহৰ আচল মুখখন কেতিয়াও পোহৰলৈ নাহে। টকাৰ জৰিয়তে আমি আমাৰ ভুলবোৰকো শুদ্ধ বুলি প্ৰতিষ্ঠা কৰিব পাৰো। মানৱ সমাজৰ বাবে এয়া সঁচাকৈয়ে এক তিতা সত্য।

প্ৰতিটো অনুষ্ঠানত মুখ্য অতিথিৰ আসনখন কেৱল সেইসকলৰ বাবেই সংৰক্ষিত থাকে, যিসকলে সমাজৰ অৰ্থনৈতিক ভেটি টনকিয়াল কৰাত সহায় কৰে। সমাজৰ সভাই-সমিতিয়ে, সাংস্কৃতিক অনুষ্ঠানত বা ধৰ্মীয় কাৰ্যসূচীত এজন আৰ্থিকভাৱে শক্তিশালী ব্যক্তিৰ উপস্থিতিয়ে এক সুকীয়া গাম্ভীৰ্য প্ৰদান কৰে। আয়োজকসকলে তেওঁক সন্মান যাচে, কাৰণ তেওঁৰ উপস্থিতিৰ ওপৰত অনুষ্ঠানৰ ভৱিষ্যৎ নিৰ্ভৰ কৰে। এইক্ষেত্ৰত তেওঁৰ জ্ঞান বা অভিজ্ঞতাৰ বিপৰীতে তেওঁৰ পকেটৰ জোৰহে চৰ্চাৰ কেন্দ্ৰবিন্দু হৈ পৰে। এজন সাধাৰণ অথচ জ্ঞানী ব্যক্তিৰ তুলনাত এজন অৰ্থৱান ব্যক্তিৰ ভাষণত মানুহে যেন অতিপ্ৰাকৃতিক সত্য বিচাৰি পায়। টকা মানুহৰ মানসিকতাৰ এনে এক অৱস্থা, য'ত সত্যতাকৈ আৰ্থিক প্ৰভাৱহে অধিক গুৰুত্বপূৰ্ণ বুলি বিবেচিত হয়। এই প্ৰৱণতাই প্ৰতিভাৰ অৱমূল্যায়ন কৰে। যাৰ হাতত টকা আছে, তেওঁৰ বাবে সকলো দুৱাৰ খোলা। যিজনৰ হাতত টকা নাই, তেওঁৰ বাবে দুৱাৰবোৰ বন্ধ। এই বৈষম্যই সমাজত এক গভীৰ ক্ষোভৰ সৃষ্টি কৰিছে। সমাজৰ প্ৰতিটো স্তৰত আজি টকাৰ এই আধিপত্য পৰিলক্ষিত হয়। জ্ঞান বা বিদ্যা আজি অৰ্থৰ সমকক্ষ হ'ব নোৱাৰে। এই পৰিৱেশত প্ৰকৃত গুণীজনৰ স্থান অৰ্থৱান ধনিকৰ হাতত হেৰাই যায়।

গাঁৱৰ প্ৰেক্ষাপটত অৰ্থৰ প্ৰভাৱ আৰু অধিক স্পষ্ট। এখন সমাজত বা গাঁৱত যি ব্যক্তিৰ অৰ্থনৈতিক অৱস্থা উন্নত, তেওঁ স্বাভাৱিকতে সমাজৰ মুখ্য ব্যক্তি হিচাপে চিহ্নিত হয়। বিবাদ-বিসম্বাদৰ পৰা আৰম্ভ কৰি সামাজিক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰলৈকে সকলোতে তেওঁৰ মতামতেই চূড়ান্ত। কাৰণ সমাজৰ মানুহৰ ধাৰণা মতে, যাৰ হাতত ধন আছে, তেওঁৰ হাতত সমাধানৰ ক্ষমতাও অধিক। তেওঁৰ আদেশ মানি চলাটো যেন সমাজৰ স্বাভাৱিক নিয়ম। এই ব্যৱস্থাত দৰিদ্ৰজনৰ প্ৰজ্ঞা বা অভিজ্ঞতা তল পৰি যায়। তেওঁলোকে দিয়া দিহা বা পৰামৰ্শসমূহ অৰ্থৰ অভাৱত অৱজ্ঞাত ভৰি থাকে। এনে এক পৰিৱেশত প্ৰতিভা বা সততাৰ স্থানত অৰ্থই সমাজৰ নিয়ন্ত্ৰণ ৰেখা নিজৰ হাতলৈ লৈ আহে। গাঁৱৰ পৰিৱেশত অৰ্থই যেন এক শ্ৰেণী বিভাজনৰ দেৱাল তৈয়াৰ কৰে। এই দেৱালৰ সিপাৰে থকা দুখীয়া লোকসকলৰ কণ্ঠ সদায় ৰুদ্ধ হৈ থাকে। তেওঁলোকৰ আশা-আকাংক্ষাবোৰ কেৱল সপোন হৈয়ে ৰয়। ইয়াৰ পৰিণতিত সমাজত একধৰণৰ অঘোষিত শ্ৰেণী বৈষম্য গা কৰি উঠিছে। এই বৈষম্যই গাঁৱৰ শান্তিপূৰ্ণ পৰিৱেশত বিষাক্ত অৱদান আগবঢ়ায়।

এজন বিশিষ্ট সমাজসেৱক হিচাপে নিজকে প্ৰতিষ্ঠা কৰাৰ বাবেও অৰ্থ আটাইতকৈ সহজ পথ। দান-বৰঙণি দিয়া বা সামাজিক অনুষ্ঠানত সাহায্য আগবঢ়োৱা ব্যক্তিক সমাজৰ চকুত সেৱকৰ আসন দিয়া হয়। আচলতে সমাজসেৱা এক মনৰ অনুভূতি; কিন্তু আধুনিক সময়ত ই এক অৰ্থনৈতিক লেনদেনলৈ ৰূপান্তৰিত হৈছে। যিমান বেছি টকা খৰচ কৰিব, সিমানেই তেওঁৰ নামৰ সন্মুখত 'বিশিষ্ট' উপাধিটো দৃঢ় হ'ব। এই অৰ্থনৈতিক প্ৰভাৱৰ বলত এজন ব্যক্তি নেতা বা সমাজৰ মজিয়াৰ গুৰুত্বপূৰ্ণ অংগ হৈ পৰাটো এটা সাধাৰণ প্ৰক্ৰিয়া। সাধাৰণ জনসাধাৰণৰ মাজত তেওঁৰ জনপ্ৰিয়তাৰ আধাৰ তেওঁৰ সেৱা নহয়, সেয়া তেওঁৰ অৰ্থৰ সৰবৰাহহে। নেতা হিচাপে তেওঁৰ গ্ৰহণযোগ্যতা বাঢ়ে, কিয়নো তেওঁৰ আৰ্থিক প্ৰভাৱৰ দ্বাৰা তেওঁ সকলো ধৰণৰ প্ৰতিবন্ধকতা অতিক্ৰম কৰিবলৈ সক্ষম হয়। এইবোৰ ঘটনাই প্ৰমাণ কৰে যে সমাজত মানৱতাতকৈ অৰ্থৰ ওজন বেছি। যিমান ডাঙৰ অৱদান, সিমানেই ডাঙৰ পদবী। সমাজসেৱা আজি এক ব্যৱসায়িক কৌশল হৈ পৰিছে। এই কৌশলৰ আঁৰত প্ৰকৃত সমাজসেৱাৰ কোনো স্থান নাই।

পৰিয়ালৰ অভ্যন্তৰতো অৰ্থই মানুহৰ চৰিত্ৰৰ ওপৰত এক পৰ্দা টানি দিয়ে। পৰিয়ালৰ প্ৰিয়জন হিচাপে পৰিগণিত হ'বলৈ অৰ্থই পথ প্ৰশস্ত কৰে। যি ব্যক্তি আৰ্থিকভাৱে স্বাৱলম্বী বা ধনাঢ্য, তেওঁ পৰিয়ালৰ প্ৰতিটো আলোচনাৰ কেন্দ্ৰবিন্দু। তেওঁৰ কথা ঘৰৰ প্ৰতিজন সদস্যই মানি ল'বলৈ বাধ্য। মাক-দেউতাকৰ দায়িত্বশীল সন্তান হিচাপে তেওঁৰ প্ৰতি থকা মৰমৰ পৰিমাণো কেতিয়াবা তেওঁৰ অৰ্থৰ মাত্ৰাৰ সৈতে সমান্তৰালভাৱে বৃদ্ধি পায়। যি সন্তানৰ হাতত টকা আছে, তেওঁৰ প্ৰতি পিতৃ-মাতৃৰ আশা আৰু চেনেহৰ মাত্ৰা যেন এক ভিন্ন পৰ্যায়ত উপনীত হয়। এই ধাৰণাটোৱে জন্ম দিয়া এক নিৰ্দয় বাস্তৱৰ সৈতে আমি সকলোৱে পৰিচিত। টকা থকা সন্তানৰ ভুলবোৰো অৰ্থৰ জ্যোতিৰ পৰ্দাত ঢাক খাই পৰে।



আনহাতে, দুখীয়া সন্তানৰ সকলো চেষ্টা বা ত্যাগ সমাজৰ চকুত তুচ্ছ হৈ ৰয়। এই পৰিয়ালকেন্দ্ৰিক অৰ্থনীতিয়ে সন্তানৰ মাজতো বৈষম্য সৃষ্টি কৰে। যিটো পিতৃ-মাতৃৰ বাবে অশুভ লক্ষণ। অৰ্থৰ বাবে আজি বহুতো পৰিয়াল খণ্ডিত হৈ পৰিছে। এইটো এক অত্যন্ত দুখজনক বাস্তৱ।

এই অৰ্থনৈতিক প্ৰভাৱৰ পৰা শহুৰ ঘৰৰ সম্পৰ্কও মুক্ত নহয়। এজন আদৰৰ জোঁৱাই হোৱাৰ বাবে তেওঁৰ আৰ্থিক সচ্ছলতা এক প্ৰধান চৰ্ত। সমাজত যি জোঁৱাইৰ হাতত ধন আছে, তেওঁৰ প্ৰতি থকা আদৰ-আপ্যায়নৰ সীমা নাই। বিবাহৰ পৰা আৰম্ভ কৰি প্ৰতিটো সামাজিক কাৰ্যকলাপত তেওঁৰ অৱস্থান ৰাজকীয়। তেওঁৰ অৰ্থনৈতিক অৱস্থাই তেওঁৰ চৰিত্ৰৰ দুৰ্বলতাকো ঢাকি ৰাখে। বিপৰীতে আৰ্থিকভাৱে পিছপৰা জোঁৱাইৰ প্ৰতি থকা বিচাৰ-বুদ্ধি সদায়েই চৰম অৱহেলিত পৰিলক্ষিত হয়। অৰ্থই মানুহৰ ব্যক্তিত্বক কেনেকৈ সংজ্ঞায়িত কৰে, তাৰ উৎকৃষ্ট উদাহৰণ হ'ল এই সম্পৰ্কীয় সমীকৰণ। প্ৰেম বা আত্মীয়তাৰ গভীৰতা বিচাৰিবলৈ যোৱাৰ সলনি অৰ্থৰ জোখ-মাখ লৈ সম্পৰ্কৰ প্ৰমাণপত্ৰ তৈয়াৰ কৰা হয়। এই জোঁৱাইৰ সন্মান বা অৱমাননা কেৱল তেওঁৰ টকাৰ মোনাৰ ওপৰত নিৰ্ভৰ কৰে। ইয়াৰ পৰা স্পষ্ট হয় যে মানুহৰ মৰ্যাদা আজি কিমান তললৈ নামিছে। সম্পৰ্কবোৰ আজি একোটাহঁত টকাৰ লেনদেন হৈ পৰিছে।

পতি আৰু পত্নীৰ মাজৰ পবিত্ৰ বন্ধনতো অৰ্থৰ প্ৰভাৱ স্পষ্ট। পত্নীৰ ওচৰত প্ৰিয় স্বামী হিচাপে পৰিগণিত হ'বলৈ আৰ্থিক নিৰাপত্তা এক প্ৰধান চাবিকাঠী। স্বামীৰ অৰ্থনৈতিক সক্ষমতাই পত্নীৰ সুৰক্ষা আৰু ভৱিষ্যতৰ সপোনবোৰক অৱলম্বন প্ৰদান কৰে। যি স্বামী আৰ্থিকভাৱে স্বাৱলম্বী, তেওঁৰ ঘৰুৱা জীৱনৰ সমীকৰণবোৰ কিছু পৰিমাণে সহজ হয়। ইয়াৰ অৰ্থ এইটো নহয় যে অৰ্থ অবিহনে প্ৰেম নাই; কিন্তু সমাজৰ দৃষ্টিভংগীয়ে স্বামীৰ প্ৰতি থকা পত্নীৰ সন্মান আৰু আকৰ্ষণৰ অৰ্থ অৰ্থৰ সৈতে যুক্ত কৰি দিয়ে। এই বাস্তৱিক সংঘাতত আৱেগবোৰ প্ৰায়েই অৰ্থৰ হেঁচাত চেপা খায়। স্বামীৰ অসাৰ্থকতা বা আৰ্থিক সংকটৰ সময়ত বহু সময়ত সেই প্ৰিয় স্বামীৰ প্ৰতি থকা সমাজ বা পৰিয়ালৰ দৃষ্টিভংগীৰ পৰিৱৰ্তন ঘটে। অৰ্থই মানুহৰ চৰিত্ৰৰ ওপৰত এক প্ৰভাৱ বিস্তাৰ কৰে, যিয়ে প্ৰেমক চৰ্তযুক্ত কৰি তোলে।

আৱেগ আৰু টকাৰ এই যুঁজত প্ৰায়েই টকাই জয়ী হয়।

পিতা আৰু সন্তানৰ মাজৰ সম্পৰ্কতো অৰ্থৰ প্ৰভাৱ অমোঘ। সন্তানৰ ওচৰত শ্ৰেষ্ঠ পিতৃ হিচাপে নিজকে প্ৰতিষ্ঠা ■ ১০ পৃষ্ঠাত

# পল্লৱী কৌশিক শৰ্মাৰ ‘জলছবিত জীৱনৰ গদ্য’

দীপলিপ বৰা

কিছুমান কিতাপ পঢ়ি শেষ কৰিলেও লগে লগে শেষ হৈ নাযায়; কিতাপখনে পাঠকৰ অন্তঃকৰণত নীৰৱে থিতাপি লয়। শব্দবোৰ মনৰ গভীৰলৈ লাহে লাহে অনুৰণিত হৈ থাকে, যেন বৰষুণৰ পিছত গছৰ পাতত ৰৈ যোৱা পানীৰ টোপাল। পল্লৱী কৌশিক শৰ্মাৰ ‘জলছবিত জীৱনৰ গদ্য’ তেনে এখন গল্প সংকলন। এই কিতাপখন পঢ়ি উঠাৰ পিছত অনুভৱ হ’ল যেন কিতাপখনত অকল কাহিনীয়েই পঢ়িলো তেনে নহয় বৰঞ্চ নিজৰ জীৱনৰেই কোনো বিস্মৃত অধ্যায়ৰহে সন্মুখীন হ’লো।

১২টা গল্প সন্নিৱিষ্ট এই গল্প সংকলনখনত শিৰোনামটোৱেই নন্দনতাত্ত্বিক চাবিকাঠী। ‘জলছবি’ মানে কেৱল পানীত প্ৰতিফলিত হোৱা ছবি নহয়; ই এনে এক অস্তিত্বৰ ৰূপক, যি আছে, কিন্তু ধৰি ৰাখিব নোৱাৰি। পানীৰ বুকুত ভাহি থকা প্ৰতিচ্ছবিৰ দৰে মানুহৰ সুখ, প্ৰেম, স্মৃতি, সম্পৰ্ক, বিশ্বাস সকলো এক অনিত্য সত্য। ঢৌ উঠিলেই যেনেকৈ জলছবি ভাঙি যায়, তেনেকৈ সময়ৰ সোঁতত মানুহৰ জীৱনো নিত্য ৰূপান্তৰিত হয়। কিন্তু ভাঙি যোৱা প্ৰতিচ্ছবিয়েও যি আৱেগ এৰি যায়, সেয়াই জীৱনৰ প্ৰকৃত গদ্য। জীৱন কোনো শিলত খোদিত ইতিহাস নহয়; ই পানীৰ বুকুত আঁকা এখন জলছবি যি প্ৰতিক্ষণে সলনি হয়, তথাপি স্মৃতিৰ গভীৰত স্থায়ী হৈ ৰৈ যায়।

সংকলনখনৰ গল্পসমূহত অলংকাৰৰ বাহুল্য নাই। ইয়াৰ ভাষা সাৱলীল অথচ হৃদয়বিদাৰক।

বিষাদ ইয়াত কোনো আৱেগ নহয়, এক অস্তিত্ববোধহে। এই সংকলনৰ বিষাদ কোনো নাটকীয় নহয়। লেখিকাই অশ্ৰুক সাহিত্যৰ লক্ষ্য কৰি তোলা নাই বৰং দেখুৱাইছে, মানুহৰ জীৱনত কিছুমান ক্ষত কেতিয়াও শুকাই নাযায়, কেৱল সেইবোৰৰ লগত জীয়াই থাকিবলৈ শিকি লয়।

ইয়াত বিচ্ছেদ কেৱল স্বামী-স্ত্ৰীৰ নহয়; মানুহৰ নিজৰ সপোনৰ লগত, নিজৰ অতীতৰ লগত, নিজৰ সত্তাৰ লগতো বিচ্ছেদ ঘটে। সেইবাবেই এই গল্পসমূহত কান্দোনতকৈ অধিক উচ্চাৰিত হৈছে নীৰৱতা। বহু সময়ত চৰিত্ৰবোৰে যি কথা নকয়, সেই নোকোৱা কথাই পাঠকৰ অন্তৰত আটাইতকৈ গভীৰ আঘাতৰ সৃষ্টি কৰিছে।

গল্পসমূহত কবিতাৰ এক সূক্ষ্ম শ্বাস-প্ৰশ্বাসো অনুভৱ কৰিব পাৰি। পল্লৱী কৌশিক শৰ্মাৰ ভাষাৰ বিশেষত্ব ইয়াতেই দেখিলো যে তেওঁ গল্পসমূহৰ ভাষাক অলংকাৰৰ ভৰত জটিল কৰা নাই। তেওঁ এই কথা ভালদৰেই উপলব্ধি কৰিছে যে গভীৰ বেদনাৰ নিজস্ব একোটা ভাষা থাকে। তেওঁৰ বাক্যবোৰো এখন শান্ত নদীৰ দৰে বহমান কিন্তু ইয়াৰ অন্তঃসলিলাত গভীৰ সোঁত বৈ থাকে।

উপমা, ৰূপক, প্ৰতীক এইবোৰ তেওঁ কৃত্ৰিমভাৱে আৰোপ কৰা নাই। জীৱনৰ স্বাভাৱিক অভিজ্ঞতাৰ মাজৰ পৰাই সেইবোৰ জন্ম লৈছে। সেইবাবেই ‘জিলাপিৰ পাক’, ‘যন্ত্ৰণাৰ মোহনা’, ‘সাগৰ মন্থনৰ অমৃত’ বা ‘পেণ্ডুলাম’ কেৱল অলংকাৰ হৈ থকা নাই; সেইবোৰ চৰিত্ৰৰ মনস্তত্ত্বৰ অংশ হৈ উঠিছে।

সংকলনখনৰ বাৰটা গল্পৰ নামসমূহ তলত উল্লেখ কৰিছো ঃ

১। এপিয়লা বিষাদৰ ৰাগি, ২। জলছবিত জীৱনৰ গদ্য, ৩। নিগনি, ৪। পেণ্ডুলামৰ বুকুত সুখৰ সংজ্ঞা বিচাৰি, ৫। তোমাৰ পৰা তোমালৈ (কথা গল্প), ৬। খিৰিকীৰ সিপাৰে, ৭। দেৱী, ৮। ‘নীলকণ্ঠ’ মই, ৯। চুক্তি, ১০। অন্তহীন, ১১। বিদায় পৰ্বৰ শেষ কথা আৰু ১২। ইনস্মনিয়া

সংকলনখনৰ প্ৰতিটো গল্পই নিজস্ব অভিজ্ঞতাৰে পৃথক পৃথক পৰিসৰ গঢ়ি তুলিছে। ‘এপিয়লা বিষাদৰ ৰাগি’ত বিষাদ কোনো ক্ষণিক আৱেগ নহয়; ই মানুহৰ অন্তৰ্জীৱনৰ নিত্যসংগী। ‘পেণ্ডুলামৰ বুকুত সুখৰ সংজ্ঞা বিচাৰি’ গল্পত জীৱনৰ একঘেয়ামি, সময়ৰ অবিৰাম গতি আৰু সুখৰ অনিশ্চিত অনুসন্ধান গভীৰ প্ৰতীকমূলক ব্যঞ্জনাৰে প্ৰকাশ পাইছে। ‘দেৱী’ আৰু ‘বিদায় পৰ্বৰ শেষ কথা’ত নাৰীমনৰ নিঃশব্দ যন্ত্ৰণা, অপূৰ্ণ প্ৰেম, ত্যাগ আৰু স্মৃতিৰ দীঘলীয়া অনুৰণন অত্যন্ত সংযমী শিল্পভাষাৰে ফুটাই তোলা হৈছে। আনহাতে, ‘ইনস্মনিয়া’, ‘নিগনি’ আৰু ‘খিৰিকীৰ সিপাৰে’ গল্পসমূহে আধুনিক নগৰীয়া জীৱনৰ একাকীত্ব, মানসিক হতাশা আৰু আত্ম-অনুসন্ধানক বাস্তৱতাৰ সৈতে থিয় কৰাইছে। ফলত সংকলনখনৰ প্ৰতিটো গল্প নিজাকৈ স্বয়ংসম্পূৰ্ণ হোৱাৰ লগতে সামগ্ৰিকভাৱে একোটা জীৱন দৰ্শনৰ বিভিন্ন প্ৰকাশ ৰূপ হিচাপেও পাঠকৰ আগত ধৰা দিয়ে। আধুনিক জীৱনৰ উপাদানে গল্পসমূহক সমসাময়িক সময়ৰ বাস্তৱৰ লগত সামঞ্জস্য ঘটাইছে। সম্পৰ্কৰ ভৌগোলিক মানচিত্ৰ এই সংকলনৰ কেন্দ্ৰবিন্দু সম্পৰ্ক।

কিন্তু ইয়াত সম্পৰ্ক কোনো চিৰস্থায়ী আশ্ৰয় নহয়; ই মানুহৰ সুখ-দুখ, দায়িত্ব, অপৰাধবোধ, অপূৰ্ণতা আৰু একাকীত্বৰ জটিল মানচিত্ৰ। এটা সম্পৰ্ক ভাঙিলে কেৱল দুজন মানুহ পৃথক নহয়; পৃথক হৈ যায় বহু সপোন, বহু প্ৰতিশ্ৰুতি, বহু অব্যক্ত সম্ভাৱনা।

লেখিকাই বিচ্ছেদক কোনো নাটকীয় ঘটনাৰূপে দেখুওৱা নাই। বিচ্ছেদ তেওঁৰ গল্পত অতি নীৰৱে সংঘটিত হৈছে। মানুহ এজনে আনজনৰ পৰা আঁতৰি যায়; কিন্তু স্মৃতিৰ পৰা কেতিয়াও আঁতৰি যাব নোৱাৰে।

এই সংকলনখনত লেখিকাই প্ৰেমৰ সংজ্ঞাক অত্যন্ত হৃদয়স্পৰ্শীভাৱে উপস্থাপন কৰিছে। ইয়াত প্ৰেম মানে অধিকাৰ সাব্যস্ত কৰা নহয়; বৰং নোপোৱাৰ মাজতো আনজনৰ অস্তিত্বক মমতাৰে বহন কৰি থকাহে। প্ৰেম কেতিয়াবা উচ্চাৰিত নহয়, তথাপি ই সম্পূৰ্ণ। কেতিয়াবা বিদায়েই প্ৰেমৰ শেষ ভাষা হৈ উঠে।

লেখিকাই দেখুৱাইছে সঁচা অনুভৱৰ পূৰ্ণতা লাভত নহয়; বহু সময়ত অপূৰ্ণতাই অনুভৱক অনন্ত কৰি তোলে। স্মৃতি এই সংকলনৰ অন্যতম শক্তিশালী শিল্প-উপাদান। স্মৃতি কেতিয়াও অতীত নহয়; বৰঞ্চ বৰ্তমানৰ অন্তৰালত অবিৰতভাৱে জীয়াই থকা এক সমান্তৰাল বাস্তৱহে। লেখিকাই যেন ক’ব বিচাৰিছে মানুহে সময় পাৰ কৰে; কিন্তু সময়ে মানুহক কেতিয়াও সম্পূৰ্ণকৈ এৰি নিদিয়ে।

সংকলনখনৰ চৰিত্ৰসমূহ অসম্পূৰ্ণতাৰ মাজতেই পূৰ্ণ মানুহ হৈ উঠিছে। চৰিত্ৰসমূহ আদৰ্শবাদী নহয়। তেওঁলোকৰ ভুল আছে, দুৰ্বলতা আছে, অনুশোচনা আছে। সেইবাবেই তেওঁলোক বাস্তৱ। বিশেষকৈ নাৰী চৰিত্ৰসমূহে উচ্চকণ্ঠে বিদ্ৰোহ কৰা নাই ঠিকেই কিন্তু তেওঁলোকৰ নীৰৱতাই বহু সময়ত প্ৰতিবাদতকৈ অধিক শক্তিশালী হৈ উঠা দেখা গৈছে।

পুৰুষ চৰিত্ৰসমূহো একৰৈখিক নহয়। তেওঁলোক দোষী, কিন্তু তেওঁলোকৰ অনুশোচনা আছে। তেওঁলোক যদিও ভাঙি পৰিছে, কিন্তু সম্পূৰ্ণ পৰাজিতও হোৱা নাই।

সাহিত্যিক মূল্যায়নৰ ফালৰ পৰা চাবলৈ গ’লে অসমীয়া চুটি গল্পৰ পৰম্পৰাত পল্লৱী কৌশিক শৰ্মাৰ এই সংকলনখন এক তাৎপৰ্যপূৰ্ণ সংযোজন।

তেওঁ সামাজিকভাৱে উচ্চকণ্ঠে মাত নামাতিলেও মানুহৰ অন্তৰ্জগতৰ সৰু সৰু কম্পনবোৰক শব্দৰ ৰূপ দি সজাই তুলিছে আৰু সেই ৰূপেই সমাজৰে একো একোটা পৰিয়ালৰ গণ্ডীত কেন্দ্ৰীভূত হৈ যেন মৌনতাক অৱলম্বন কৰিও উচ্চস্বৰে চিঞৰি উঠিছে।

এই গল্পসমূহে কোনো বৃহৎ সামাজিক ইতিহাস লিপিবদ্ধ কৰাৰ প্ৰয়াস কৰা নাই ইয়াত মানুহৰ অন্তঃইতিহাস অৰ্থাৎ মনৰ গভীৰত সঞ্চিত আঘাত, অপূৰ্ণতা, স্মৃতি আৰু নীৰৱে বলি থকা যন্ত্ৰণাসমূহক শিল্পৰূপ প্ৰদান কৰিছে। এই অন্তঃইতিহাসেই সংকলনখনক সমসাময়িক অসমীয়া গল্প সাহিত্যত এক স্বকীয় মৰ্যাদা প্ৰদান কৰিছে।

কিন্তু সংকলনখনৰ সামগ্ৰিক সুৰ আৰম্ভণিৰ পৰা শেষলৈ বিষাদময়। ইচ্ছাকৃতভাৱে এই সুৰ বজাই ৰখা হৈছে যদিও মাজে মাজে বিষয় বৈচিত্ৰ্য বা আৱেগৰ উত্থান-পতনে পাঠ-অভিজ্ঞতাক অধিক বহুমাত্ৰিক কৰিব পাৰিলেহেঁতেন।

কিছুমান গল্পত অন্তৰ্মুখী বৰ্ণনাই সামান্য দীঘলীয়া অনুভৱৰো সৃষ্টি কৰিছে। তথাপি এইখিনিয়ে সংকলনখনৰ সাহিত্যিক মৰ্যাদা বিশেষ ক্ষুণ্ণ নকৰে যেনেই বোধ হৈছে।

‘জলছবিত জীৱনৰ গদ্য’ কেৱল বাৰটা গল্পৰ সমষ্টি নহয়; ই মানুহৰ অন্তৰ্জীৱনৰ এখন দলিল।

ই আমাক সোঁৱৰাই দিয়ে যে জীৱন কেতিয়াও কেৱল ঘটনাৰ সমষ্টি নহয়; জীৱন হৈছে স্মৃতি, অপূৰ্ণতা, অপেক্ষা আৰু অনুচ্চাৰিত বেদনাৰ অনন্ত সংগীত।

জলছবিৰ দৰে জীৱনো ক্ষণস্থায়ী। কিন্তু সেই ক্ষণস্থায়ী প্ৰতিফলনেই মানুহৰ অস্তিত্বক অৰ্থ দিয়ে।

সেই অৰ্থৰ সন্ধানেই এই সংকলনখনৰ সাহিত্যিক সাৰ্থকতা। এই কাৰণেই ‘জলছবিত জীৱনৰ গদ্য’ কেৱল এখন গল্প সংকলন নহয়; ই আধুনিক অসমীয়া মানুহৰ মনোজগতৰ এক অন্তলিখিত জলছবি।

নন্দনতাত্ত্বিক দৃষ্টিৰে বিচাৰ কৰিলে ‘জলছবিত জীৱনৰ গদ্য’ কেৱল বাস্তৱ জীৱনৰ ঘটনাপুঞ্জৰ বৰ্ণনা নহয়; ই মানুহৰ অন্তৰ্জগতৰ মনস্তাত্ত্বিক বাস্তৱতাক প্ৰতীকমূলক ব্যঞ্জনাৰে শিল্পৰূপ দিয়াৰ এক সাৰ্থক প্ৰয়াস। জীৱনৰ অনিত্যতা, স্মৃতিৰ অনুৰণন, সম্পৰ্কৰ ভাঙোন আৰু অস্তিত্বৰ নিঃসংগ অনুসন্ধান এই সংকলনৰ মূল সুৰ। পল্লৱী কৌশিক শৰ্মাই কেৱল কাহিনী কোৱা নাই; আধুনিক মানুহৰ অন্তঃসত্তাৰ জটিল অনুভৱক শিল্পিত ৰূপত প্ৰকাশ কৰি সমসাময়িক অসমীয়া চুটি গল্পলৈ এক নতুন সংবেদনশীলতা, নন্দনতাত্ত্বিক গভীৰতা আৰু মনস্তাত্ত্বিক ব্যঞ্জনা সংযোজন কৰিছে। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ —

## অসমৰ বানপানীক

বিগত দশকবোৰত বিভিন্ন নিৰ্বাচনৰ সময়ত ৰাজনৈতিক দলসমূহে অসমৰ বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ প্ৰতিশ্ৰুতি দি আহিছে। ২০০৫ চনত সদৌ অসম ছাত্ৰ সন্থা, অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত অনুষ্ঠিত এক ত্ৰিপাক্ষিক বৈঠকত অসমৰ বানপানী আৰু খহনীয়াক ৰাষ্ট্ৰীয় সমস্যা হিচাপে ঘোষণা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। আনকি ২০১৬ আৰু ২০২১ চনৰ অসম বিধানসভা নিৰ্বাচনৰ পূৰ্বেও ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ নিয়ন্ত্ৰণৰ জৰিয়তে বান সমস্যাৰ চিৰস্থায়ী সমাধানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰা হৈছিল। কিন্তু বাস্তৱিক ক্ষেত্ৰত এই প্ৰতিশ্ৰুতিসমূহ কেৱল ঘোষণাতেই আবদ্ধ হৈ ৰোৱা দেখা গৈছে। যেতিয়াই চৰকাৰক এই মৰ্যাদা প্ৰদানৰ বাবে হেঁচা প্ৰয়োগ কৰা হয়, তেতিয়াই দুৰ্যোগ ব্যৱস্থাপনা আইনৰ সীমাবদ্ধতাৰ কথা দোহাৰি বিষয়টো সামৰি থোৱা হয়। ইয়াৰ পৰাই এইটো স্পষ্ট হয় যে ৰাজনৈতিক দলসমূহে জনসাধাৰণৰ আৱেগক ব্যৱহাৰ কৰি প্ৰতিশ্ৰুতি প্ৰদান কৰে যদিও আইনী পৰিকাঠামোৰ সংশোধন নকৰালৈকে এই প্ৰতিশ্ৰুতি বাস্তৱায়িত হোৱাটো অসম্ভৱ। বানপানী কেৱল এটা দিনৰ বৰষুণৰ ফলশ্ৰুতি নহয়। অসমৰ বানপানীৰ আঁৰত আছে গুৰুতৰ ভৌগোলিক আৰু মানৱসৃষ্ট কাৰণ। ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীৰ অৱবাহিকাত অৱস্থিত অসমৰ ভৌগোলিক অৱস্থান প্ৰাকৃতিকভাৱেই বানপ্ৰৱণ। ব্ৰহ্মপুত্ৰ নদীয়ে পৃথিৱীৰ ভিতৰতে সৰ্বাধিক গেদ বা পলস কঢ়িয়াই আনে, যাৰ ফলত নদীৰ তলি তৰাং হৈ পৰে আৰু অতিৰিক্ত পানীভাগ দুয়োকাষে বাগৰি বানপানীৰ সৃষ্টি কৰে। ইয়াৰ উপৰি বৰ্তমান সময়ত জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱত হোৱা মাত্ৰাধিক বৰষুণ, চুবুৰীয়া ৰাজ্য নাগালেণ্ড আৰু অৰুণাচল প্ৰদেশত হোৱা নিৰন্তৰ বনানীকৰণ ধ্বংস আৰু পাহাৰীয়া অঞ্চলত অবৈজ্ঞানিকভাৱে চলি থকা খনন কাৰ্যই এই সমস্যাক এক ভয়াবহ মানৱীয় সংকটলৈ ৰূপান্তৰিত কৰিছে। নদীৰ বুকুৰ পৰা অবাধে বালি আৰু শিল খনন কৰাৰ ফলত নদীৰ স্বাভাৱিক গতিপথ বাধাগ্ৰস্ত হৈছে। আনহাতে বান্ধসমূহৰ অবৈজ্ঞানিক পৰিচালনা আৰু জৰুৰীকালীন কাৰ্যপৰিকল্পনাৰ অভাৱৰ বাবে অতিৰিক্ত পানী হঠাতে এৰি দিয়াৰ ফলতো নামনি অঞ্চলত কৃত্ৰিম বানৰ সৃষ্টি হয়। অসমৰ বানপানী সমস্যাৰ সমাধান কেৱল আৱেগিক ঘোষণাৰে নহয়, বৰঞ্চ এক সুচিন্তিত বৈজ্ঞানিক নদী অৱবাহিকা ব্যৱস্থাপনাৰ জৰিয়তেহে সম্ভৱ।

অসমৰ বানপানীক ৰাষ্ট্ৰীয় দুৰ্যোগ ঘোষণা কৰাৰ দাবীটো প্ৰকৃততে অসমীয়া জনসাধাৰণৰ এক পুঞ্জীভূত ক্ষোভ আৰু নিৰাপত্তাহীনতাৰ বহিঃপ্ৰকাশ। বছৰ বছৰ ধৰি সৰ্বস্বান্ত হোৱা কৃষক, ঘৰ-মাটি হেৰুওৱা পৰিয়ালসমূহৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা এক শক্তিশালী আৰু স্থায়ী সঁহাৰিৰ প্ৰয়োজন। যদিও আইনীভাৱে ‘ৰাষ্ট্ৰীয় দুৰ্যোগ’ ঘোষণা কৰাটো সম্ভৱ নহয়, কেন্দ্ৰীয় চৰকাৰে অসমৰ বান সমস্যাক এক ‘গুৰুতৰ ৰাষ্ট্ৰীয় সমস্যা’ হিচাপে মানি লৈ ইয়াৰ স্থায়ী সমাধানৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। উত্তৰ-পূব জল ব্যৱস্থাপনা কৰ্তৃপক্ষ গঠন কৰাৰ যি প্ৰতিশ্ৰুতি দিয়া হৈছিল, তাক শীঘ্ৰে কাৰ্যকৰী কৰা উচিত। বান নিয়ন্ত্ৰণৰ পৰিৱৰ্তে বান ব্যৱস্থাপনা, বানপানীৰ আগতীয়া জাননী ব্যৱস্থাৰ আধুনিকীকৰণ, নদীৰ খনন আৰু ক্ষতিগ্ৰস্ত লোকসকলৰ উপযুক্ত পুনৰ্সংস্থাপনৰ বাবে সুনিৰ্দিষ্ট ৰাষ্ট্ৰীয় নীতি গ্ৰহণ কৰা উচিত। অসমৰ বানপানী কেৱল অসমৰ সমস্যা হৈ নাথাকি সমগ্ৰ দেশৰ অৰ্থনীতিৰ বাবে এক হেঙাৰস্বৰূপ হৈ পৰিছে। সেয়েহে, আইনী বিভ্ৰান্তিৰ আঁৰ লৈ দায়িত্বৰ পৰা আঁতৰি থকাৰ পৰিৱৰ্তে, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে মিলি এক বৈজ্ঞানিক আৰু দীৰ্ঘম্যাদী পৰিকল্পনাৰে এই মানৱীয় সংকটৰ মোকাবিলা কৰাটোৱেই সময়ৰ আহ্বান। ■

অষ্টম পৃষ্ঠাৰ পৰা ঃ —

# অৰ্থৰ দাপোণত প্ৰতিফলিত মানৱতা

কৰিবলৈ অৰ্থই একমাত্ৰ মাধ্যম হৈ পৰে। পিতৃৰ ওপৰত থকা সন্তানৰ আস্থা আৰু শ্ৰদ্ধা বহুক্ষেত্ৰত পিতৃৰ আৰ্থিক অৱস্থাৰ ওপৰত নিৰ্ভৰশীল। সন্তানৰ শিক্ষা, দীক্ষা, বিলাস-ভ্ৰমণ আৰু ভৱিষ্যতৰ সুনিশ্চিত পৰিকল্পনা কৰিবলৈ পিতৃৰ হাতত অৰ্থৰ প্ৰয়োজন হয়। অৰ্থৱান পিতৃৰ প্ৰতি থকা সন্তানৰ আকৰ্ষণ আৰু তেওঁৰ আদৰ্শ মানি লোৱাৰ প্ৰৱণতা অধিক। তাৰ বিপৰীতে আৰ্থিকভাৱে দুৰ্বল পিতৃয়ে বহু সময়ত সন্তানৰ ওচৰত নিজৰ অস্তিত্বৰ সংকটত ভোগা দেখা যায়। এই ধাৰণাটোৱে জন্ম দিয়া এক নিৰ্দয় বাস্তৱৰ সৈতে আমি সকলোৱে পৰিচিত। টকা থকা পিতৃৰ প্ৰতি সন্তানৰ যি ধৰণৰ আৱেগিক সান্নিধ্য থাকে, আৰ্থিকভাৱে পিছপৰা পিতৃৰ ক্ষেত্ৰত সেয়া বহু সময়ত বিৰল হৈ পৰে। এয়া এক ধৰণৰ মানসিক দাসত্ব, য'ত আৱেগক অৰ্থৰ জোখ-মাখৰে পৰিমাপ কৰা হয়। পিতৃৰ প্ৰতি অৰ্থই আজি এক নতুন সংজ্ঞাত উপনীত হৈছে। এই সংজ্ঞাই আমাৰ সমাজৰ বুনিয়াদ কঁপাই তুলিছে। সমাজত মানুহৰ পৰিচয়ৰ এটা বৃহৎ অংশ নিৰ্ভৰ কৰে তেওঁৰ সামাজিক প্ৰতিষ্ঠাৰ ওপৰত। অৰ্থৱান ব্যক্তিয়ে সমাজে দিয়া উপাধি আৰু সন্মানৰ পাত্ৰ হ'বলৈ সৰ্বদাই চেষ্টা চলায়। এই ধৰণৰ প্ৰতিষ্ঠাই তেওঁলোকক এক বিশেষ শ্ৰেণীৰ মানুহ হিচাপে সমাজত থিয় কৰায়। তেওঁলোকৰ কথাত সমাজৰ প্ৰভাৱ পৰে, তেওঁলোকৰ পৰামৰ্শসমূহ আজ্ঞা হিচাপে গ্ৰহণ কৰা হয়। ইয়াৰ বিপৰীতে, সাধাৰণ অৰ্থনীতিৰ ব্যক্তিৰ কণ্ঠ সদায় সমাজৰ মাজত হেৰাই যায়। তেওঁলোকৰ যোগ্যতা বা প্ৰজ্ঞা থকা সত্ত্বেও অৰ্থৰ অভাৱত তেওঁলোকে একো প্ৰমাণ কৰিবলৈ সক্ষম নহয়। সমাজৰ এই বিভাজনৰ আঁৰত থকা অৰ্থৰ শক্তি অতিশয় ভয়ংকৰ। ইয়াৰ দ্বাৰা আমি আচলতে মানুহৰ মাজত বৈষম্যৰ বীজ ৰোপণ কৰি আছো। প্ৰতিভাৱান লোকসকলে অৰ্থৰ অভাৱত নিজৰ কণ্ঠ হেৰুৱাই পেলায়। তেওঁলোকৰ জ্ঞান অৰ্থৰ অভাৱত কেৱল নিজৰ ভিতৰতে সীমিত হৈ ৰয়। এই বিভাজনে সমাজক কেৱল ক্ষতি কৰে। যি ক্ষতি সমাজৰ বাবে অপূৰণীয়।

মানুহৰ সামাজিক জীৱনত প্ৰভাৱ বিস্তাৰ কৰাৰ কৌশলবোৰো অৰ্থৰ ওপৰত নিৰ্ভৰশীল। এজন নেতা হোৱাৰ বাবে প্ৰয়োজনীয় ধনৰ অভাৱত বহু সৎ ব্যক্তিৰ সামাজিক ৰাজনীতিৰ দৌৰৰ পৰা আধা বাটৰ পৰা বিদায় ল'ব লগা হয়। টকাৰ জৰিয়তে কিদৰে মানুহৰ মন জয় কৰিব পাৰি, সেয়া এক কলা হিচাপে ব্যৱহাৰ কৰা হয়। এই কৌশলে সমাজৰ সুস্থ পৰিৱেশক কলুষিত কৰে। প্ৰকৃত নেতাৰ চৰিত্ৰ গুণৰ দ্বাৰা বিচাৰ কৰিবলৈ এৰি অৰ্থৰ জোৰত বিচাৰ কৰা বাবে আমি আজি সমাজত যোগ্য নেতৃত্বৰ অভাৱ অনুভৱ কৰিবলৈ ধৰিছো। এই অৰ্থনৈতিক প্ৰভাৱে সমাজৰ মূল গাঁথনিটোকেই দুৰ্বল কৰি পেলাইছে। ইয়াৰ ফলত প্ৰকৃত প্ৰতিভাৱান ব্যক্তি অৱহেলিত হৈ পৰে আৰু অৰ্থৰ জোৰত অযোগ্য ব্যক্তিয়ে ক্ষমতাৰ গাদী দখল কৰে। ক্ষমতাৰ এই খেলত সততাৰ কোনো মূল্য নাই। কেৱল টকাৰ শক্তিহে শেষত বিজয়ী হয়। ইয়াৰ পৰিণতি দেশ আৰু দহৰ বাবে অতি ভয়াৱহ। বন্ধুত্বৰ সম্পৰ্কৰ ক্ষেত্ৰতো অৰ্থৰ এই ভূমিকা অতিকৈ স্পৰ্শকাতৰ। বন্ধুত্ব যেতিয়া অৰ্থৰ আধাৰত গঢ় লয়, তেতিয়া সি কেৱল এটা সাময়িক চুক্তি হিচাপে গণ্য হয়। ধনাঢ্য বন্ধুৰ প্ৰতি থকা আকৰ্ষণৰ মূলতে তেওঁৰ লগত থকা অৰ্থৰ প্ৰভাৱ। এনে বন্ধুত্বত কোনো আত্মিক সংযোগ নাথাকে। যেতিয়া অৰ্থৰ অৱসান ঘটে, তেতিয়া এই বন্ধুত্বৰো অৱসান ঘটে। আমি দেখা পাওঁ যে বহু সময়ত বন্ধুমহলত অৰ্থৰ আদান-প্ৰদানক লৈয়ে সম্পৰ্কৰ গভীৰতা নিৰ্ধাৰণ কৰা হয়। এয়া বন্ধুত্বৰ দৰে এক পৱিত্ৰ আৱেগৰ বাবে নিশ্চিতভাৱে এক ডাঙৰ অপমান। আমি আমাৰ সামাজিক জীৱনত প্ৰকৃত বন্ধু বিচাৰিবলৈ যোৱাৰ সলনি অৰ্থৱান সংগী বিচাৰি ঘূৰি ফুৰো। এই পৰিৱেশে মানুহৰ মনৰ পৰা দয়া আৰু মৰমৰ ভাববোৰ আঁতৰাই পেলাইছে। প্ৰকৃত বন্ধুত্বৰ অৰ্থ আজিৰ যুগত অৰ্থৰ প্ৰভাৱত ম্লান পৰিছে। এই ম্লানতা বন্ধুত্বৰ বাবে এক চৰম আঘাত।

জীৱনৰ অৱসৰৰ দিশে গতি কৰা অৱস্থাত মানুহে উপলব্ধি কৰে যে অৰ্থৰ সেই চকচকীয়া প্ৰভাৱবোৰ আচলতে ক্ষণস্থায়ী। যি অৰ্থৰ বাবে আমি জীৱনৰ গুৰুত্বপূৰ্ণ সময়বোৰ উৎসৰ্গা কৰিলো, সেই অৰ্থই শেষত আমাক প্ৰকৃত শান্তি দিবলৈ সক্ষম নহয়। অৱসৰৰ সময়ত মানুহে নিজৰ হাতৰ তলুৱালৈ চাই অনুভৱ কৰে যে জীৱনৰ অৰ্থ টকাৰ সংখ্যাত নাথাকে, সেইবোৰ থাকে আমি অৰ্জন কৰা অভিজ্ঞতা আৰু মানুহৰ মৰমৰ মাজতহে থাকে। টকা থাকিলে সমাজৰ সকলোৱে আদৰ কৰিব পাৰে, কিন্তু সেই আদৰৰ অন্তৰালত থকা স্বাৰ্থৰ বৰণ যেতিয়া স্পষ্ট হৈ পৰে, তেতিয়া মানুহে নিজৰ ভুলৰ সৈতে মুখামুখি হয়। আমি যি প্ৰতিষ্ঠা, যি নাম আৰু যশস্যাৰ বাবে দৌৰিলো, সেইবোৰ যেন একো একোটা মৰীচিকা মাত্ৰ। এই সত্যটো বাৰ্ধক্যৰ দুৱাৰডলিত উপনীত হৈহে বহুতে অনুভৱ কৰে। এই উপলব্ধিয়ে মানুহক জীৱনৰ শেষ বেলাত এক নতুন দিশ দেখুৱায়। এই শিক্ষা জীৱনৰ আটাইতকৈ দামী শিক্ষা।

প্ৰকৃততে মানৱীয় মূল্যবোধসমূহ অৰ্থৰ দ্বাৰা ক্ৰয় কৰিব নোৱাৰি। মৰম, বিশ্বাস, ত্যাগ আৰু সহানুভূতি — এইবোৰ হৈছে জীৱনৰ আচল সম্পদ। টকা থাকিলে আমি নিজৰ ইচ্ছা অনুসৰি ভোগ-বিলাসিতা লাভ কৰিব পাৰো, কিন্তু শান্তি ক্ৰয় কৰিব নোৱাৰো। আজিৰ সমাজত আমি যি প্ৰতিযোগিতাৰ মাজেদি পাৰ হৈছো, তাৰ ফলত আমি আমাৰ চৰিত্ৰৰ মান হ্ৰাস কৰি পেলাইছো। অৰ্থৰ লালসাত আমি পাহৰি গৈছো যে মানুহৰ অস্তিত্ব কেৱল তেওঁৰ সম্পত্তিত নহয়, মানুহৰ অস্তিত্ব, আদৰ্শ আৰু তেওঁৰ চিন্তাধাৰাতহে থাকে। যি সমাজত টকাৰ বাবে মাক-দেউতাকক অৱহেলা কৰা হয় বা পত্নীৰ আদৰ টকাৰ ওপৰত নিৰ্ভৰশীল হয়, সেই সমাজ অৱক্ষয়ৰ পথত আগবাঢ়িছে। এই অৱক্ষয় ৰোধ কৰিবলৈ আমি এক ধৰণৰ মানসিক বিপ্লৱৰ প্ৰয়োজন অনুভৱ কৰো। আমাৰ চিন্তাৰ ধাৰা সলনি হ'লেই সমাজৰ পৰিৱেশ সলনি হ'ব। মানৱতাক জয় কৰিবলৈ অৰ্থৰ প্ৰয়োজন নাই। তাৰ বাবে প্ৰয়োজন কেৱল এটা নিকা মনৰ। সামৰণিত এটা কথা নিশ্চিতভাৱে ক'ব পাৰি যে টকা সুখী জীৱনৰ একমাত্ৰ আহিলা নহয়। আমাৰ প্ৰতিটো ভাল কামৰ পিছত থকা প্ৰধান শক্তিক আমি সদায় সন্মান জনোৱাৰ প্ৰয়োজন আছে। নিজৰ কৰ্মৰ মাজেদি আমি অনাগত প্ৰজন্মৰ বাবে এক উদাহৰণ হৈ ৰ'ব পাৰো। যি হাতত টকা থাকে, সেই হাতেৰে যদি কোনো দুখীজনক নিঃস্বাৰ্থভাৱে সহায় কৰা হয়, তেতিয়াহে সেই টকাৰ সাৰ্থকতা আহে। কোনো আড়ম্বৰ নোহোৱাকৈ কৰা দানে মানুহক যি তৃপ্তি দিয়ে, সেয়া কোনো ধন-সম্পত্তিয়ে দিব নোৱাৰে। হাতৰ পৰশৰ লগত জড়িত এই অসীম শক্তিৰ ওপৰত ভাৰসা কৰিয়েই আমি আমাৰ অনন্ত যাত্ৰাৰ প্ৰতিটো পদক্ষেপ আগুৱাব পাৰো। নিজৰ নৈতিকতা আৰু কৰ্মত দেখুওৱা নিষ্ঠাই মানুহক মৃত্যুৰ পিছতো অমৰ কৰি ৰাখে। এই নিষ্ঠাই পৃথিৱীৰ আটাইতকৈ ডাঙৰ অৰ্থ।

টকা হৈছে আমাৰ জীৱনৰ এক গৌণ বস্তু, যি আমাক প্ৰয়োজনত সহায় কৰে কিন্তু শেষলৈকে সাৰথি হৈ নাথাকে। জীৱনৰ শেষৰ ফালে নিজৰ কৰ্মৰ ফালে চাই আমি অৱশেষত তৃপ্তিৰ হাঁহি মাৰিব পাৰিম, কাৰণ আমি অৰ্থৰ মোহত বন্দী নহৈ মানৱতাক ধৰি ৰাখিবলৈ চেষ্টা কৰিছিলো। যিদিনা সমাজৰ প্ৰত্যেকজন মানুহে বুজি পাব যে টকাৰ ওচৰত মানুহৰ মূল্য নাই, সেইদিনাই আমাৰ সমাজ প্ৰকৃত অৰ্থত শিক্ষিত হৈ উঠিব। আহক, আমি সকলোৱে মিলি এক নতুন সমাজ গঢ়াৰ প্ৰতিশ্ৰুতি লওঁ, য'ত টকাৰ পৰিমাণে নহয়, মানুহৰ হৃদয়ৰ বিশালতাই তেওঁৰ পৰিচয় বহন কৰিব। এইদৰেই এটা সফল জীৱনৰ আধাৰ হ'ল নিজে কৰা কষ্ট আৰু নিজৰ ওপৰত ৰখা অটল বিশ্বাস। আমাৰ ভৱিষ্যৎ প্ৰজন্মৰ বাবে আমি এক মূল্যবোধৰ আধাৰিত পৃথিৱী এৰি থৈ যাব পাৰিলে, সেয়াই হ'ব আমাৰ আচল উত্তৰাধিকাৰ। অৰ্থৰ মোহমুক্ত জীৱনই প্ৰকৃত সুখৰ আধাৰ। এই সত্যক আমি কেতিয়াও পাহৰিব নালাগে। ■

পঞ্চম পৃষ্ঠাৰ পৰা ঃ

# অনৈক্যৰ মাজত ঐক্য

ইফালে, বাট-পথত হাতত সাহায্য বাকচ লৈ আগবাঢ়ি অহা কিশোৰ-কিশোৰীসকলৰ কাতৰ আহ্বান আৰু সাহায্য শিবিৰত নিঃসংগ, দিশহাৰা বৃদ্ধাৰ চকুৰ পানী মচি এমুঠি খোৱাবস্তু আগবঢ়াই দিয়া অচিনাকি ডেকাটোৰ আন্তৰিকতাই অসমীয়াৰ হৃদয়ৰ মৰম আৰু সংবেদনশীলতাক দৃঢ় কৰি তুলিছে। আনকি পলস বা বোকাত পোত খাই থকা ঘৰসমূহ বিনা পাৰিশ্ৰমিকত পৰিষ্কাৰ কৰাৰ দায়িত্বও এচাম লোকে গ্ৰহণ কৰিছে আৰু হাতে-কামে লাগি গৈছে। কেৱল মানুহৰ বাবেই নহয়, বিপদৰ সময়ত নিজৰ জীৱন বিপন্ন কৰিও পোহনীয়া গৰু-ছাগলী, কুকুৰ-মেকুৰীক ডাংকোলা কৰি নাও বা ওখ ঠাইলৈ তুলি অনাৰ দৃশ্যই প্ৰমাণ কৰে যে প্ৰকৃতি আৰু জীৱকুলৰ প্ৰতি অসমীয়াৰ দয়া আৰু প্ৰেম কিমান গভীৰ আৰু কিমান দায়বদ্ধ।

সম্প্ৰতি উজনি অসমত হোৱা এই বান দুৰ্যোগৰ দৃশ্যই সমগ্ৰ পৃথিৱীতে প্ৰতিপন্ন কৰিছে যে বিপদৰ সময়ত অসমত অতীততো কোনো ধৰ্মৰ প্ৰভেদ নাছিল, জাত-পাত বা ধনী-দুখীয়াৰ কোনো ভেদাভেদ নাছিল আৰু বৰ্তমানেও সেই ঐতিহাসিক একতাৰ দৃশ্য বিৰাজমান। কোনো দল-মত বা ৰাজনৈতিক চিন্তাক প্ৰাধান্য নিদি চৰকাৰী, বেচৰকাৰী সংস্থাসমূহ আৰু স্থানীয় ৰাইজ তথা যুৱক-সংঘসমূহৰ স্বেচ্ছাসেৱকসকলে প্ৰাণ-পণে এবুকু পৰ্যন্ত পানীৰ সোঁতত নামি জনসাধাৰণক ৰক্ষা কৰাত ব্ৰতী হৈছে। আশ্ৰয় শিবিৰসমূহতো সৃষ্টি হোৱা নাই কোনো পৃথক অস্তিত্ব। এফালে যদি ইছলাম ধৰ্মী লোকসকলে আহাৰ ৰন্ধন কৰি হিন্দুসকলক আপ্যায়ন কৰিছে, আনফালে জনজাতীয় ককাই-ভনীয়ে অজনজাতীয় লোকসকলক খুৱাবৰ বাবে ভাত-দাইল ৰন্ধন কৰা দেখা গৈছে। একেটা স্থানতে, একেটা শিবিৰতে একেলগে বহি ধনী-দুখীয়া, জাত-পাত, ধৰ্মৰ ব্যৱধান পাহৰি এমুঠি খোৱাৰ যি ছবি বৰ্তমান অসমত প্ৰতিফলিত হৈছে, সি প্ৰমাণ কৰিছে যে সকলো ভৌগোলিক আৰু ধাৰ্মিক পৰিচয়ৰ ওপৰত মানৱীয়তাই হৈছে আটাইতকৈ ডাঙৰ ধৰ্ম। মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে সৃষ্টি কৰি থৈ যোৱা 'বৰঅসম'ৰ সেই মহান ব্যৱস্থাটো কিমান উচ্চ, কিমান মহান— সেয়া এই দুৰ্যোগৰ সময়ত আকৌ এবাৰ প্ৰমাণিত হৈছে। বিপদে মানুহক সৰু-বৰ বিভাজন পাহৰাই একেডাল সূতাৰে বান্ধি পেলায়, আৰু অসমীয়া সমাজে সেই নীতিকে নিজৰ অস্তিত্বৰ মূল চালিকাশক্তি হিচাপে প্ৰতিষ্ঠা কৰাত স্বাভাৱিকতেই 'অনৈক্যৰ মাজত ঐক্য'ৰ এই সবল উক্তিটো আজিৰ এই সন্ধিক্ষণত জিলিকি উঠিছে।

নিশ্চিতভাৱেই আজিৰ খণ্ড-বিখণ্ড আৰু ব্যক্তিগত স্বাৰ্থকেন্দ্ৰিক জগতখনত, উজনি অসমৰ বানৰ সময়ত প্ৰকাশ পোৱা এই অভূতপূৰ্ব একতাই সমগ্ৰ বিশ্বতে এক বিৰল আদৰ্শ স্থাপন কৰিলে। যি সময়ত ধৰ্ম আৰু জাতিৰ নামত পৃথিৱীৰ বিভিন্ন প্ৰান্তত সংঘাত আৰু বৈষম্যৰ সৃষ্টি হৈছে, সেই সময়ত আনৰ দুখত দুখী আৰু সুখত সুখী হোৱাৰ এই বৈশ্বিক আৰু মহান মানসিকতাই বিশ্বৰ বুকুত অসমীয়াক এক সুকীয়া স্বাভিমান প্ৰদান কৰিলে। এই অনাবিল একতাই প্ৰমাণ কৰিলে যে মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰত বাস কৰা মানুহবোৰৰ ধমনীত বৈ থকা তেজৰ ৰং একে আৰু তেওঁলোকৰ স্পন্দনৰ নামো একে 'আমি অসমীয়া'।

প্ৰকৃতিৰ দুৰ্যোগ আহে আৰু যায়; কিন্তু এই ভয়াৱহ সমস্যা আৰু দুৰ্যোগৰ মাজত অসমীয়া সমাজে যি সম্প্ৰীতি, সহমৰ্মিতা আৰু মানৱীয়তাৰ অনুপম নিদৰ্শন প্ৰতিষ্ঠা কৰিলে, সি যুগ যুগান্তৰলৈ অসমীয়া জাতিৰ মূল ভেটিক অধিক সুদৃঢ় কৰি ৰাখিব। বানৰ কোবাল সোঁতে ঘৰ-বাৰী, সা-সম্পত্তি উটুৱাই নিব পাৰে; কিন্তু অসমীয়াৰ হৃদয়ত যুগে যুগে গঢ়ি উঠা ঐক্য, ভাতৃত্ববোধ আৰু মানৱীয়তাৰ বান্ধোন কেতিয়াও উটুৱাই নিব নোৱাৰে। উজনিৰ বানৰ বিভীষিকাই অসমবাসীক চৰম আঘাত দি কন্দুৱাইছে, কিন্তু সেই চকুপানী মচি দিবলৈ সমগ্ৰ অসমে ঐক্যবদ্ধভাৱে আগবঢ়োৱা মৰম, সহানুভূতি আৰু সহমৰ্মিতাৰ হাতখনে আমাৰ সাতামপুৰুষীয়া একতাৰ ৰূপালী ৰেখাডাল অধিক স্পষ্ট আৰু চিৰন্তন কৰি তুলিছে।

এই অতুলনীয় একতাই আমাক সাহস, সান্ত্বনা আৰু নতুন আশাৰ বাট দেখুৱাব। ইয়াৰ লগতে চৰকাৰে এই দুৰ্যোগৰ মূল কাৰণসমূহ গভীৰভাৱে আৰু নিৰপেক্ষভাৱে পৰ্যালোচনা কৰাটো সময়ৰ এক অনিবাৰ্য দাবী হৈ পৰিছে। এই পৰিস্থিতিৰ সৃষ্টি কিয় হ'ল, কেনেকৈ হ'ল আৰু কোনবোৰ ত্ৰুটি, অৱহেলা বা ব্যৰ্থতাৰ ফলত লাখ লাখ নিৰ্দোষী জীৱনে এনে কৰুণ পৰিণতি ভোগ কৰিবলগীয়া হ'ল —সেই সকলো দিশ সৎ আৰু স্বচ্ছভাৱে অনুসন্ধান কৰি সত্য উদ্‌ঘাটন কৰাটো চৰকাৰৰ নৈতিক আৰু সাংবিধানিক দায়িত্ব। কেৱল শোক প্ৰকাশ বা ক্ষতিপূৰণ ঘোষণা কৰিলেই এই দায়িত্ব শেষ নহয়। ভৱিষ্যতে যাতে এনে মৰ্মান্তিক ঘটনা পুনৰ সংঘটিত নহয়, তাৰ বাবে কঠোৰ, সময়োপযোগী আৰু ফলপ্ৰসূ ব্যৱস্থা গ্ৰহণ কৰি সেইবোৰ কাৰ্যকৰীভাৱে ৰূপায়ণ কৰাটোও সমানে জৰুৰী।

'মাক বিচাৰিয়েই পোৱা নাই' নিঠৰুৱা হোৱা কণমানিৰ কঁপা কণ্ঠৰ এই হৃদয়বিদাৰক আৰ্তনাদ কেৱল এটা বাক্য নহয়। ই আমাৰ সমাজ, আমাৰ প্ৰশাসন আৰু আমাৰ বিবেকৰ প্ৰতি এক গভীৰ প্ৰশ্ন। এনে কৰুণ বাক্য যাতে পুনৰ কেতিয়াও অসমৰ আকাশত প্ৰতিধ্বনিত নহয়, কোনো শিশুৱে যাতে দুৰ্যোগৰ মাজত নিজৰ মাক-দেউতাকক হেৰুৱাই অসহায়ভাৱে কান্দিবলগীয়া নহয়, সেই নিশ্চয়তা প্ৰদান কৰাটো চৰকাৰৰ সৰ্বোচ্চ দায়িত্ব। এই দায়িত্ব পালনত কোনো ধৰণৰ গাফিলতি বা উদাসীনতাৰ স্থান থাকিব নোৱাৰে। প্ৰতিটো নাগৰিকৰ জীৱনৰ সুৰক্ষা নিশ্চিত কৰাৰ মাজতেই এখন দায়িত্বশীল চৰকাৰৰ প্ৰকৃত সফলতা নিহিত হৈ থাকে। কেৱল দুৰ্যোগৰ সময়ত একতাবদ্ধ হোৱাই যথেষ্ট নহয়। ভৱিষ্যৎ প্ৰজন্মৰ বাবে এক সুৰক্ষিত, সুস্থিৰ আৰু সমৃদ্ধ অসম গঢ়ি তোলাটোৱেই আমাৰ প্ৰকৃত কৰ্তব্য। এই একতা, এই মানৱীয়তা আৰু এই স্বাভিমান যুগ যুগান্তৰলৈ অক্ষুণ্ণ থাকক —এয়া প্ৰতিজন অসমীয়াৰ আন্তৰিক সংকল্প হোৱা উচিত। ■



## বকোত ডাঃ ৰজনী বড়োৰ কাব্যগ্ৰন্থ 'নতুন জীৱন' উন্মোচন

**অসম ভূমি সেৱা, বকো ঃ** সমাজ জীৱনত মানৱ অধিকাৰ কৰ্মী হিচাপে পৰিচিত এগৰাকী সু-সাহিত্যিক কামৰূপ জিলাৰ বকোৰ ডাঃ ৰজনী বড়োৰ দ্বিতীয়খন কাব্যগ্ৰন্থ যোৱা দেওবাৰে উন্মোচন কৰা হয়। খ্ৰীষ্টান ধৰ্মাৱলম্বী লোকৰ এক ধৰ্মীয় অনুষ্ঠানত ৰজনী বড়োৰ কাব্যগ্ৰন্থ 'নতুন জীৱন'খন উন্মোচন কৰে ছয়গাঁও আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া বিজয় দুৱৰাই। উল্লেখ্য যে যোৱা ৯ আগষ্টত পবিত্ৰ দেওবাৰৰ দিনা বকো-ছয়গাঁও সমজিলাৰ অন্তৰ্গত সন্যাসীৰ গিৰ্জা ঘৰত হোৱা মাংগলিক অনুষ্ঠানত আৰক্ষী বিষয়াগৰাকীয়ে উন্মোচন কৰে নতুন জীৱন শীৰ্ষক কাব্যগ্ৰন্থখন। ৰজনী বড়োৰ দ্বিতীয় কাব্যগ্ৰন্থ নতুন জীৱন উন্মোচনী অনুষ্ঠানত সন্যাসী গিৰ্জাৰ চালক তথা সভাপতি খেৰায়িং ডব্লিউ চাংমা, নহিৰাৰ বিশিষ্ট শিক্ষাবিদ তথা শিক্ষক ড° হোমেন মেধি, ছয়গাঁও বেপ্টিছ ফেল'শ্বিপৰ সভাপতি ভৰেশ ৰাভা, সন্যাসীৰ গিৰ্জা পৰিচালনা সমিতিৰ সম্পাদক খ্ৰাইৰ চাংমাৰ উপৰি বহুসংখ্যক বিশিষ্ট অতিথিয়ে অংশগ্ৰহণ কৰে।

## নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ প্ৰতিষ্ঠা দিৱস পালন

**অসম ভূমি সেৱা, নলবাৰী ঃ** অসম জ্যেষ্ঠ নাগৰিক সন্মিলনে শ্ৰেষ্ঠ জিলা হিচাপে স্বীকৃতি প্ৰদান কৰা নলবাৰী জিলা জ্যেষ্ঠ নাগৰিক সন্মিলনৰ ষষ্ঠদশ প্ৰতিষ্ঠা দিৱস যোৱা শনিবাৰে নলবাৰী চহৰত থকা সন্মিলনৰ নিজ কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে উদ্‌যাপন কৰা হয়। এই উপলক্ষে পুৱা ১০ বজাত জিলা সন্মিলনৰ সভাপতি দক্ষৰাম বৰ্মনৰ সঞ্চালনাত এক জ্যেষ্ঠসকলৰ আলাপ অনুষ্ঠান অনুষ্ঠিত হয়। সন্মিলনৰ জিলা সম্পাদক প্ৰিয়নাথ বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সন্মিলনৰ ৰাজ্যিক সমিতিৰ কাৰ্যনিৰ্বাহক সদস্য কেশৱ ডেকা, অৱসৰপ্ৰাপ্ত অধ্যক্ষ ফণীধৰ ডেকা, শচীন্দ্ৰ শৰ্মা আৰু অৰুণ শৰ্মা আদি কেইগৰাকীও জ্যেষ্ঠ লোকে নিজৰ নিজৰ অনুভৱ ব্যক্ত কৰে। অনুষ্ঠানটোত জিলাখনৰ বিভিন্ন প্ৰান্তৰ সাতগৰাকী জ্যেষ্ঠ নাগৰিক ক্ৰমে অসম পথাৰ পৰিচালনা সমিতিৰ প্ৰাক্তন সভাপতি গোলক চন্দ্ৰ বৰ্মন, সৰ্বেশ্বৰ বৰ্মন, অপূৰ্ব পাটোৱাৰী, সমাজসেৱক ৰজনী বৰ্মন, অৱসৰী শিক্ষক উত্তম ভাগৱতী, কিশোৰ দাস আৰু প্ৰিয়নাথ ডেকাক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানত বিভিন্নজনে সাংগঠনিক দিশৰ উপৰি নলবাৰীত অনুষ্ঠিত হ'বলগীয়া সন্মিলনৰ আগত ৰাজ্যিক অধিৱেশনৰ ক্ষেত্ৰতো বক্তব্য দাঙি ধৰে। ইয়াৰ পূৰ্বে পুৱাৰ ভাগত ষষ্ঠদশ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি সন্মিলনৰ ১৬ খন পতাকা উত্তোলন কৰে সভাপতি দক্ষৰাম বৰ্মনৰ লগতে আন কেইগৰাকীও জ্যেষ্ঠ লোকে। স্মৃতি তৰ্পণ কৰে পূৰ্বৰ সম্পাদক অমূল্য প্ৰসাদ দাস আৰু অৱসৰী অধ্যক্ষ ফণীধৰ ডেকাই।

### নিত্যানন্দ আঞ্চলিক উন্নয়ন সমিতি

## মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিলৈ ৫০,০০০ টকা

**অসম ভূমি সেৱা, পাঠশালা ঃ** উজনি অসমৰ বান পৰিস্থিতিৰ বাবে মুখ্য মন্ত্ৰীৰ সাহায্য পুঁজিলৈ বজালীৰ নিত্যানন্দ আঞ্চলিক উন্নয়ন সমিতিয়ে ৫০ হাজাৰ টকাৰ সাহায্য প্ৰদান কৰে। নিত্যানন্দ আঞ্চলিক উন্নয়ন সমিতিৰ কাৰ্যালয়ত বজালী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ৰ হাতত উক্ত ধনৰাশিৰ চেক প্ৰদান কৰে। এই কাৰ্যসূচীত নিত্যানন্দ আঞ্চলিক উন্নয়ন সমিতিৰ সভাপতি মনোজ চৌধুৰী, সম্পাদক জীৱৰাজ ভুঞা, বিকাশ তালুকদাৰসহ উন্নয়ন সমিতিৰ কেইগৰাকী কাৰ্যকৰ্তা উপস্থিত থাকি বিধায়কগৰাকীৰ হাতত এই ধনৰাশি প্ৰদান কৰে।

প্ৰথম পৃষ্ঠাৰ পৰা ঃ —

## সোণাপুৰৰ বিজ্ঞান নগৰীক অতিৰিক্ত

১০০ কোটি টকা আগবঢ়োৱা হ'ব বুলিও তেওঁ ঘোষণা কৰে। ভাৰত চৰকাৰৰ সাংস্কৃতিক মন্ত্ৰালয় আৰু অসম চৰকাৰৰ বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা বিভাগৰ যৌথ উদ্যোগত ৰূপায়িত এই প্ৰকল্পৰ কাম-কাজসমূহ সম্পূৰ্ণ হৈ উঠিলে ই দেশৰ ভিতৰতে এক অন্যতম উৎকৃষ্ট বিজ্ঞান নগৰী হিচাপে পৰিগণিত হ'ব বুলি তেওঁ আশা প্ৰকাশ কৰে। বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলকে ধৰি সকলো বয়সৰ লোককে এই বিজ্ঞান নগৰী দৰ্শনৰ বাবে আহ্বান জনাই তেওঁ কয় যে গুৱাহাটীৰ পৰা এই স্থানলৈ অসম ৰাজ্যিক পৰিবহণ নিগমৰ উৎসৰ্গীকৃত বাছ সেৱা আৰম্ভ কৰাৰ বিষয়েও চৰকাৰে বিবেচনা কৰিছে আৰু অতি সোনকালে এই দিশতো এক সিদ্ধান্ত গ্ৰহণ কৰা হ'ব। এই পৰিদৰ্শনৰ সময়ত বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যা আদি বিভাগৰ মন্ত্ৰী কেশৱ মহন্ত, কৃষি আদি বিভাগৰ মন্ত্ৰী পীযুষ হাজৰীকা, খাদ্য, ৰাজহুৱা বিতৰণ আৰু গ্ৰাহক পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী কৌশিক ৰায় প্ৰমুখ্যে কেইগৰাকীও বিশিষ্ট ব্যক্তি আৰু বিভাগীয় উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে। মুখ্যমন্ত্ৰীয়ে সোণাপুৰৰ কমাৰকুছিস্থিত 'জুবিন ক্ষেত্ৰ'তো উপস্থিত হৈ শিল্পী জুবিন গাৰ্গৰ সমাধি ক্ষেত্ৰৰ চৌহদ পৰিদৰ্শন কৰে আৰু নিৰ্মাণকাৰ্যৰ বুজ লয়। তেওঁ লোকনিৰ্মাণ বিভাগৰ বিষয়ববীয়াসকল আৰু কাম-কাজত নিয়োজিত আৰ্কিটেক্ট আদিৰ সৈতে প্ৰকল্পটোৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে আৰু মুকলি ৰংগমঞ্চ, চৌহদৰ সেউজীকৰণ আদি পৰৱৰ্তী কাম-কাজসমূহ হাতত লোৱাৰ বাবে অতি সোনকালে চৌহদৰ বেৰাৰ কাম সম্পূৰ্ণ কৰিবলৈ নিৰ্দেশ দিয়ে।

## বিদ্যালয় চামিলকৰণ আৰু কিছু প্ৰাসংগিক চিন্তা

ফলত বিগত ৫ বছৰত (২০২৫ বৰ্ষ পৰ্যন্ত) অসমত মুঠ ২,৭৭৪ খন প্ৰাথমিক স্কুলৰ সংখ্যা হ্ৰাস পাইছে। এনে ব্যৱস্থাৰ ফলত ৰাজ্যখনৰ কেইখনমান জিলাত হ্ৰাস পোৱা প্ৰাথমিক স্কুলৰ সংখ্য এনেধৰণৰ— হাইলাকান্দি- ২১১, ডিব্ৰুগড়- ১৬৭, লখিমপুৰ- ১৬২, বৰপেটা- ১৫৯, নলবাৰী- ১৫৬, কামৰূপ- ১৫২, নগাঁও- ১৮৬, শিৱসাগৰ-১৮৮, কৰিমগঞ্জ- (শ্ৰীভূমি)- ৭৬ আদি। তেনেই তাকৰীয়া সংখ্যক শিক্ষাৰ্থীয়ে নামভৰ্তি কৰা স্কুল একোখন চলাই ৰখা বিষয়টো আৰ্থিকভাৱে বহনক্ষম নোহোৱা কথাটো অস্বীকাৰ কৰাৰ উপায় নাই। আনহাতে, একত্ৰীকৰণৰ বাবে স্কুলৰ সংখ্যা আপাততঃ হ্ৰাস পালেও ইয়াৰ প্ৰভাৱ শিক্ষাৰ্থীৰ ওপৰত নপৰে। কিন্তু স্কুল চামিলকৰণ ব্যৱস্থাৰ প্ৰভাৱ ঋণাত্মক হোৱাৰ অৱকাশো নথকা নহয়।

চৰকাৰী প্ৰাথমিক স্কুল কিছুমানত নামভৰ্তিৰ ধাৰা কিয়নো নিম্নগামী হ'বলৈ পালে— তাকো অলপ চিন্তা কৰি চোৱা উচিত। ইয়াৰ কাৰণসমূহ তলত দিয়া ধৰণৰ হোৱা দেখা যায়।

১। জন্ম নিয়ন্ত্ৰণৰ প্ৰভাৱ, ২। ক্ৰমবৰ্ধমান নগৰমুখী প্ৰব্ৰজন, ৩। বেচৰকাৰী স্কুলৰ আকৰ্ষণীয়তা, ৪। স্কুল চৰকাৰীকৰণৰ প্ৰভাৱ আদি।

স্বাধীনতাৰ কালত জন্মলাভ কৰা শিক্ষিত অসমীয়া লোকৰ মাজত পৰিয়াল পৰিকল্পনাৰ আঁচনিয়ে ব্যাপক সঁহাৰি লাভ কৰে। আৰম্ভণিতে দুটা-তিনিটা সন্তান জন্ম দিয়াৰ প্ৰচাৰ চলোৱা চৰকাৰী বিভাগটোৱে পৰৱৰ্তী কালত এটা-দুটা সন্তানহে জন্ম দিয়াৰ পোষকতা কৰিবলৈ লয়। শিক্ষিত আৰু সচেতন দম্পতীসকলে 'সৰু পৰিয়াল সুখী পৰিয়াল'ৰ আদৰ্শৰে উদ্বুদ্ধ হোৱাৰ ফলত কুৰি শতিকাৰ অন্তিম দশকমানৰ পৰা কোনো বিশেষ জনগোষ্ঠী বা সম্প্ৰদায়ৰ কথা বাদ দি বৃহত্তৰ সমাজখনৰ বাকী অংশত থকা স্কুলবিলাকত ছাত্ৰভৰ্তিৰ সংখ্যা লাহে লাহে নিম্নগামী হ'বলৈ আৰম্ভ কৰে। ইতিমধ্যে চৰকাৰে বৃহৎসংখ্যক 'ভেঞ্চাৰ' স্কুল প্ৰাদেশীকৃত কৰে। ফলস্বৰূপে, চৰকাৰী প্ৰাথমিক বিদ্যালয়সমূহত গড় হিচাপত নামভৰ্তিৰ সংখ্যাত ঋণাত্মক প্ৰভাৱ পৰে। সমান্তৰালভাৱে প্ৰায়বোৰ গাঁৱত চাকৰিজীৱী আৰু স্ব-নিয়োজিত বৃত্তিধাৰীৰ সংখ্যা বৃদ্ধি হ'বলৈ আৰম্ভ কৰে। এইসকলৰ ভিতৰৰে এচামৰ মাজত নগৰবাসী হোৱাৰ প্ৰৱণতা গা কৰি উঠে। বাস্তৱৰ এনে পৰিস্থিতিত ভালেমান গাঁৱত জনসংখ্যা বৃদ্ধিৰ স্বাভাৱিক গতিত যতি পৰে, যাৰ প্ৰত্যক্ষ প্ৰভাৱ স্কুলৰ ছাত্ৰভৰ্তিৰ সংখ্যাত প্ৰতিফলিত হ'বলৈ আৰম্ভ কৰে।

ইতিমধ্যে, পিতৃপুৰুষৰ তুলনাত পৰৱৰ্তী পীৰিৰ লোকসকলৰ এচামৰ মাজত সন্তানৰ শিক্ষা-দীক্ষাৰ বাবে অধিক ধন ব্যয় কৰিব পৰা আৰ্থিক সচ্ছলতা বৃদ্ধিৰ প্ৰতি লক্ষ্য ৰাখি সৰু সৰু চহৰ-নগৰৰ উপৰি জনবহুল গাঁওবোৰতো ব্যক্তিগত খণ্ডৰ স্কুলৰ জৰিয়তে শিক্ষাৰ বাণিজ্যিকীকৰণে প্ৰসাৰ লাভ কৰে। পৰিৱৰ্তনৰ এনেবোৰ ধামখুমীয়াত বাপেক-মাকে পঢ়ি যোৱা গাঁৰৰ প্ৰাথমিক স্কুলখন নিজৰে সন্তানৰ শিক্ষাৰ বাবে এলাগী হৈ পৰে। চৰকাৰী স্কুলৰ নিম্নমানৰ কাঠামো, শিক্ষক নিযুক্তিত হোৱা বিসংগতি আদিৰ কাৰণতো লাহে লাহে স্কুলবোৰে গ্ৰহণযোগ্যতা হেৰুৱাবলৈ আৰম্ভ কৰে।

তথ্যনিৰ্ভৰ কাৰণ প্ৰদৰ্শন কৰি দশকৰ পিছত দশক ধৰি চলি অহা স্কুল একোখন চৰকাৰে আন স্কুলৰ লগত চামিল কৰি দিলেও তেনে সিদ্ধান্তই চুবুৰীয়া ৰাইজৰ আৱেগ-অনুভূতিক আঘাত হনাৰ কথাটো দলিয়াই পেলাব নোৱাৰি। ইয়াৰ ফলত সংশ্লিষ্ট সমাজখনত এক প্ৰতিষ্ঠানবিৰোধী ক্ষোভে শিপা মেলিবলৈ আৰম্ভ কৰিছে। ইয়াক ক্ষণস্থায়ী বা হ্ৰস্বকালীন আৱেগিক সমস্যা বুলিও হেয় কৰা অনুচিত। কিয়নো, ওচৰতে পোৱা স্কুলখন নাইকিয়া হোৱাৰ ফলত ৰাজহুৱা শিক্ষাৰ এক পশ্চাৎগামী অধ্যায়ো মুকলি হ'ব পাৰে। উদাহৰণস্বৰূপে, এখন স্কুলত প্ৰয়োজনীয়সংখ্যক শিক্ষাৰ্থীয়ে নামভৰ্তি নকৰা বাবে নিকটৱৰ্তী স্কুলখনৰ লগত তাক চামিল কৰা হ'ল। ফলত যিখন স্কুল আনৰ লগত চামিল হ'ল, তাৰ শিক্ষাৰ্থীসকলে আনখন স্কুলত গৈ নামভৰ্তি কৰিব লাগিব। ইয়াৰ ফলত সংখ্যাত তাকৰীয়া হ'লেও একাংশ ছাত্ৰ-ছাত্ৰীৰ বাবে নতুনকৈ যাবলগীয়া স্কুলখনৰ দূৰত্ব বৃদ্ধি পাব। শিক্ষাৰ অধিকাৰ আইন, ২০০৯ ত উল্লেখ কৰা হৈছে যে শিক্ষাৰ্থীৰ বাবে প্ৰাথমিক স্কুলৰ দূৰত্ব ১ কিলোমিটাৰৰ ভিতৰত হ'ব লাগিব। চামিলকৰণৰ ফলত যিসকল শিশুৰ বাবে স্কুলৰ দূৰত্ব বাঢ়ি যায়, সেইসকলৰ ক্ষেত্ৰ প্ৰকৃতাৰ্থত শিক্ষাৰ অধিকাৰ সুৰক্ষিত হোৱা বুলি দৃঢ়তাৰে দাবী কৰিব পৰা নাযায়। দূৰত্ব বৃদ্ধিৰ এনে পৰিস্থিতি চম্ভালিব নোৱাৰি কোনো অভিভাৱকে যদি সন্তানক স্কুলৰ পৰা আঁতৰাই আনিব লগা হয়, ই এচাম নতুন নিৰক্ষৰ বা অৰ্ধ-সাক্ষৰৰ সৃষ্টি কৰিব, যিটো সমস্যা হয়তো পাঁচ-ছয় বছৰ পিছতহে প্ৰকট হৈ উঠিব। নগৰীয়া বায়ু-পানী সেৱন কৰি ডাঙৰ মানুহ হোৱা আমাৰ এচাম নেতা বা বিষয়াই সমস্যাটোৰ গভীৰতা কিমান সঠিকভাৱে উপলব্ধি কৰিব পৰা জনা নাযায়।

অসমৰ অনগ্ৰসৰ অঞ্চলসমূহৰ আৰ্থ-সামাজিক পৰিৱেশত চৰকাৰী প্ৰাথমিক শিক্ষা ব্যৱস্থাটোৰ প্ৰতি ৰাইজৰ আশাভংগ হোৱাটো শুভ লক্ষণ নহয়। ইয়াৰ মাজতো অৱশ্যে কিছুসংখ্যক স্কুলে ৰাইজৰ সমাদৰ আৰু শ্ৰদ্ধা লাভ কৰি চৰকাৰী স্কুলৰ কৃতিত্বৰ ধ্বজা বহন কৰি আহিছে। তৎসত্ত্বেও সাত-আঠ বছৰৰ ভিতৰত ৬৫০০ খনতকৈও অধিক প্ৰাথমিক স্কুল নিশ্চিহ্ন হৈ যোৱা কথাটো চিন্তাজনক। এনে সিদ্ধান্তৰ ফলত কোনো এখন গাঁৱত এটা বা দুটা শিশুও যদি নিৰক্ষৰতাৰ বলি হ'ব লগা হয়, সেয়া নিশ্চয় কাৰো বাবে গ্ৰহণযোগ্য কথা নহ'ব। স্কুলৰ দূৰত্ব বা যাতায়াতৰ অসুবিধাই যাতে শিশুৰ শিক্ষা লাভত হেঙাৰ হ'ব নোৱাৰে তাৰো বিধান শিক্ষাৰ অধিকাৰ আইনত উল্লেখ আছে। তেনে পৰিস্থিতিত চৰকাৰ বা কৰ্তৃপক্ষই শিক্ষাৰ্থীৰ বাবে বিনামূলীয়া পৰিবহণ ব্যৱস্থা কৰিব পাৰে। আমাৰ চৰকাৰে এই দিশটোত কি পদক্ষেপ গ্ৰহণ কৰিছে বা কিবা পৰিকল্পনা কৰিছে বুলি জনা নাযায়।

সাক্ষৰতা প্ৰদান কৰি শিশুৰ ভৱিষ্যৎ জীৱনৰ ভেটি পঢ়িবলৈকে প্ৰাথমিক স্কুলবোৰৰ জন্ম। পৰ্যাপ্তসংখ্যক শিক্ষাৰ্থীৰ নামভৰ্তি নহ'লে চৰকাৰে স্কুল একোখন বন্ধ বা চামিল— যিয়েই নকৰক, সেইখন স্কুলৰ এলেকাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়া পৰিবহণ ব্যৱস্থা নিশ্চিত কৰি কোনো শিশু যাতে স্কুলৰ পৰা বঞ্চিত হ'ব নালাগে, তাৰ প্ৰতি চৰকাৰী কৰ্তৃপক্ষ দায়বদ্ধ হ'ব লাগিব। ইয়াৰ বাবে খৰচী যান-বাহন ক্ৰয় কৰাৰো প্ৰয়োজন নাই। স্থানীয়ভাৱে উপলব্ধ ক্ষুদ্ৰ বা লঘু যান-বাহনৰ দ্বাৰা ঠিকাভিত্তিক ব্যৱস্থাৰে কম খৰচতে কণ কণ শিক্ষাৰ্থীৰ স্কুলৰ দূৰত্ব বৃদ্ধিজনিত সমস্যাৰ সমাধান পাব পাৰি। বিষয়টোৰ গুৰুত্ব বুজি চৰকাৰে স্বেচ্ছাই আগবাঢ়ি অহা বাঞ্ছনীয়।

### চৰকাৰৰ জনকল্যাণমূলক আঁচনিয়ে ৰাইজক উপকৃত কৰিছে ঃ প্ৰকাশ চন্দ্ৰ দাস

# হাজোত ৰাজসাহায্যযুক্ত চেনী-মচুৰ দাইল বিতৰণ

**অসম ভূমি সেৱা, হাজো ঃ** ৰাজ্যৰ সাধাৰণ জনতাৰ খাদ্য সুৰক্ষা নিশ্চিত কৰাৰ লগতে বজাৰৰ বৰ্ধিত মূল্যৰ বোজা হ্ৰাস কৰাৰ উদ্দেশ্যে যোৱা ৮ আগষ্টৰ পৰা অসম চৰকাৰে পুনৰ আৰম্ভ কৰিছে ৰাজসাহায্যযুক্ত চেনী আৰু মচুৰ দাইল বিতৰণ প্ৰক্ৰিয়া। ইয়াৰ লগতে সংগতি ৰাখিয়েই হাজো শুৱালকুছি সমষ্টিতো উলহ-মালহেৰে আৰম্ভ কৰা হয় এই জনকল্যাণমূলক আঁচনিৰ। কামৰূপ জিলাৰ খাদ্য পৰিদৰ্শক খৰ্গেশ্বৰ পেগুৰ উপস্থিতি তথা সক্ৰিয় তদাৰকত হাজো মাজৰ ছুপাৰ সুলভ মূল্যৰ এজেন্ট দীপক দাস আৰু সৰলা পাঠকৰ সুলভ মূল্যৰ দোকানত গ্ৰাহকসকলৰ মাজত আনুষ্ঠানিকভাৱে এই সামগ্ৰীসমূহ বিতৰণ কৰে স্থানীয় বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে। সামগ্ৰী বিতৰণৰ আৰম্ভ কৰি বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে কয় যে, ৰাজ্য চৰকাৰৰ এই গুৰুত্বপূৰ্ণ পদক্ষেপৰ জৰিয়তে সুলভ মূল্যত অত্যাৱশ্যকীয় খাদ্য সামগ্ৰী লাভ কৰি সাধাৰণ ৰাইজ প্ৰভূতভাৱে উপকৃত হ'ব। বিশেষকৈ ৰাজ্যৰ নিম্ন আৰু মধ্যমীয়া আয়ৰ পৰিয়ালসমূহৰ দৈনন্দিন জীৱনৰ আৰ্থিক বোজা হ্ৰাস কৰাত এই ব্যৱস্থাই সকাহ দিব বুলি তেওঁ আশা কৰে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ দূৰদৰ্শী নেতৃত্বত ৰাজ্য চৰকাৰে গ্ৰহণ কৰা এনে জনমুখী আৰু জনকল্যাণমূলক



পদক্ষেপসমূহে সদায় সৰ্বস্তৰৰ জনসাধাৰণক উপকৃত কৰি আহিছে বুলি বিধায়কগৰাকীয়ে নিজৰ বক্তব্যত জোৰ দি উল্লেখ কৰে। উদ্বোধনী অনুষ্ঠানটোত সুলভ মূল্যৰ দোকানৰ গ্ৰাহকসকলৰ লগতে স্থানীয় পঞ্চায়ত প্ৰতিনিধিসকল আৰু বহুকেইজন বিশিষ্ট ব্যক্তি উপস্থিত থাকে। চৰকাৰৰ এই পদক্ষেপে অঞ্চলটোৰ খাদ্য সুৰক্ষাৰ ক্ষেত্ৰত এক ইতিবাচক প্ৰভাৱ পেলাব বুলি স্থানীয় ৰাইজে সন্তুষ্টি প্ৰকাশ কৰিছে।



## এম টেকত প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানত পাঠশালাৰ তৃষা শৰ্মা

**অসম ভূমি সেৱা, পাঠশালা ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ চলিত বৰ্ষৰ সদ্যঘোষিত স্নাতকোত্তৰ এম টেক Electronics & Communication Engineering বিভাগৰ চূড়ান্ত পৰীক্ষাত পাঠশালাৰ তৃষা শৰ্মাই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থান দখলেৰে সোণৰ পদক লাভ কৰিবলৈ সক্ষম হৈছে। পাঠশালাৰ কৃষ্ণনগৰ নিবাসী তথা জলসিঞ্চন বিভাগৰ অৱসৰপ্ৰাপ্ত গাণনিক বিষয়া কৈলাস চন্দ্ৰ শৰ্মা আৰু অৱসৰপ্ৰাপ্ত শিক্ষয়িত্ৰী অনিতা দেৱীৰ জ্যেষ্ঠ কন্যা তৃষা শৰ্মাই ৰঙিয়া নৱোদয় বিদ্যালয়ৰ পৰা হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱাৰ পাছত যোৰহাট ইঞ্জিনীয়াৰিং কলেজত নাম ভৰ্ত্তি কৰি সুখ্যাতিৰে স্নাতক উত্তীৰ্ণ হোৱাৰ পিছত এইবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম টেকৰ চূড়ান্ত পৰীক্ষাত প্ৰথম শ্ৰেণীৰ প্ৰথম হৈ উত্তীৰ্ণ হয়।

### পলাশবাৰীৰ হালিগাঁৱৰ শৈক্ষিক সজাগতা মঞ্চৰ উদ্যোগ

# ৪২ গৰাকী কৃতী ছাত্ৰ-ছাত্ৰীক ৰাজহুৱা সম্বৰ্ধনা



**ৰামপুৰ ঃ** পলাশবাৰী সমষ্টিৰ অন্যতম স্বেচ্ছাসেৱী সংস্থা 'শৈক্ষিক সজাগতা মঞ্চ, হালিগাঁও'ৰ উদ্যোগত বৃহত্তৰ হালিগাঁও অঞ্চলৰ ৪২ গৰাকী কীৰ্তিমান শিক্ষাৰ্থীক যোৱা শনিবাৰে ৰাজহুৱাকৈ সম্বৰ্ধনা জ্ঞাপন কৰা হয়। উচ্চ মাধ্যমিক, উচ্চতৰ মাধ্যমিক, স্নাতক আৰু স্নাতকোত্তৰ পৰীক্ষাত কৃতিত্বৰে উত্তীৰ্ণ শিক্ষাৰ্থীসকলক সম্বৰ্ধনা জনোৱা অনুষ্ঠানত সভাপতিত্ব কৰে সংস্থাটোৰ সভাপতি মনিৰ আলীয়ে। মজনুৰ আলীয়ে উদ্দেশ্য ব্যাখ্যা কৰা অনুষ্ঠানত সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে সম্পাদক মাণিক আলীয়ে। বিগত ২০১২ চনৰ পৰা সংস্থাটোৱে অঞ্চলটোত শৈক্ষিক পৰিৱেশ প্ৰতিষ্ঠাত লৈ অহা কাৰ্যসূচীৰ বিষয়ে প্ৰতিবেদনত উল্লেখ কৰে। সম্বৰ্ধনা অনুষ্ঠানত এম বি এ উত্তীৰ্ণ আৰ্জুৱাৰা বেগম, স্নাতকোত্তৰ উত্তীৰ্ণ আৰ্জিনা আহমেদ, উৰ্মিলা চুলতানা, ৰিজুৱাৰা চুলতানা, ডিষ্টিংচনসহ স্নাতক উত্তীৰ্ণ ৰিতু আজমী, ৰিমি বেগম, ইমৰান হুছেইন, জেৰিফা ৱাহেদ, চাইনা ইয়াছমিন, উচ্চতৰ মাধ্যমিক উত্তীৰ্ণ ক্ৰমে নাজিফা অঞ্জুম, জুমি বেগম, ৰূপচানা আখতাৰা, জুৰি বেগম, আফৰিণ হুছেইন, আচিফ ইকবাল আহমেদৰ উপৰি উচ্চ মাধ্যমিক উত্তীৰ্ণ ছামিম আখতাৰ, নাজিয়া বিলকিছ, নাছৰিন চুলতানা, ৰোজলিন বেগম, ৰেকিব আহমেদ প্ৰমুখ্যে ৪২ গৰাকী কীৰ্তিমান শিক্ষাৰ্থীক গামোচা, গছপুলি, কলম, মানপত্ৰ আৰু একোখনকৈ কিতাপেৰে উষ্ম সম্বৰ্ধনা জ্ঞাপন কৰে। অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক পৱিত্ৰ কুমাৰ দাস, হালিগাঁও অঞ্চলৰ বিশিষ্ট নাগৰিক বাপুকণ ঠাকুৰীয়া প্ৰমুখ্যে লোকসকলে সাৰগৰ্ভ ভাষণ ৰাখে। তদুপৰি, উক্ত অনুষ্ঠানত বিজয়নগৰ আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া কৌশিক হাজৰিকাও উপস্থিত আছিল।

### গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য সভাৰ অনুষ্ঠান

# ড° জয়ন্ত দেৱশৰ্মা সম্পাদিত গ্ৰন্থ 'বস্ত্ৰৰ কথা' উন্মোচন

**গুৱাহাটী ঃ** গুৱাহাটী বিশ্ববিদ্যালয় চৌহদৰ প্ৰাগজ্যোতিষপুৰ সাহিত্য সভাৰ উদ্যোগত যোৱা ৯ আগষ্টত বিশ্ববিদ্যালয়ৰ শিক্ষক সন্থাৰ সভাগৃহত অনুষ্ঠিত এখন সভাত ড° জয়ন্ত দেৱশৰ্মাই সম্পাদনা কৰা আৰু শাখা সভাই প্ৰকাশ কৰা 'বস্ত্ৰৰ কথা' নামৰ প্ৰবন্ধ সংকলন এখন উন্মোচন কৰা হয়। ড° ময়ূৰী শৰ্মাৰ বৰগীতেৰে আৰম্ভ হোৱা সভাখনত ৰবীন্দ্ৰনাথ ঠাকুৰ বিশ্ববিদ্যালয়ৰ প্ৰাক্তন উপাচাৰ্য অধ্যাপক ড° অমলেন্দু চক্ৰৱৰ্তীয়ে সঞ্চালনা কৰে। বিশ্ববিদ্যালয়ৰ বাণিজ্য আৰু পৰিচালনা বিভাগৰ ডীন ড° প্ৰশান্ত শৰ্মাৰ আদৰণী ভাষণৰ পাছতে অনুষ্ঠানৰ মুখ্য অতিথি তথা গুৱাহাটী বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° ননীগোপাল মহন্তই 'বস্ত্ৰৰ কথা' গ্ৰন্থখন উন্মোচন কৰে। ভাষণ প্ৰসংগত ড° মহন্তই অসমৰ বস্ত্ৰশিল্পৰ গৌৰৱোজ্জ্বল ইতিহাসৰ কথা উল্লেখ কৰি কয় যে সাহিত্য সভাই প্ৰকাশ কৰা 'বস্ত্ৰৰ কথা' নামৰ এই মূল্যৱান গ্ৰন্থখন গৱেষক ছাত্ৰ-ছাত্ৰীসকলৰ বাবে যথেষ্ট উপযোগী হ'ব। বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ সহযোগী অধ্যাপিকা ড° দীপামণি বৰুৱা দাসে বিশিষ্ট অতিথিৰূপে অনুষ্ঠানত ভাষণ প্ৰদান কৰি অসমীয়া সাহিত্য-সংস্কৃতিত বয়ন শিল্পৰ ভূমিকাৰ কথা উনুকিওৱাৰ লগতে পৰিবেশ্য কলাৰ সৈতে থকা




সম্পৰ্কিত ঢেপা ঢোলৰ কথা সুন্দৰভাৱে ব্যক্ত কৰে। তেওঁ ড° জয়ন্ত দেৱশৰ্মাৰ সম্পাদনা কাৰ্যৰ প্ৰশংসা কৰে আৰু প্ৰাগজ্যোতিষপুৰ সাহিত্য সভাৰ এই প্ৰচেষ্টাৰ শলাগ লয়। অনুষ্ঠানত বিশ্ববিদ্যালয়ৰ শিক্ষাৰ্থী মনশ্বিনী ঈশানী গৌতম, ধীমান শৰ্মাই গীত আৰু ড° ভৱভূতি শৰ্মা, ক্ষায়েমুদ্দিন আহমেদে কবিতা আবৃত্তি কৰে। সভাত 'বস্ত্ৰৰ কথা' গ্ৰন্থখনৰ সম্পাদক ড° জয়ন্ত দেৱশৰ্মাই পুথিখনত সন্নিৱিষ্ট পঁচিশটা বস্ত্ৰ বিষয়ৰ বিভিন্ন লেখাৰ এক চমু পৰিচয় দাঙি ধৰে। সভাত গ্ৰন্থৰ লেখকসকলক সাহিত্য সভাৰ তৰফৰ পৰা সম্ভাষণ জনোৱা হয়। ড° প্ৰীতি শৰ্মা, জিতুমণি শৰ্মা, ৰবীন খাটনিয়াৰ, চোহৰাব আলী সৰকাৰ, ঠাকুৰপদ দে', ঘন দত্ত প্ৰমুখ্যে কেইবাগৰাকীও ব্যক্তিয়ে চমু ভাষণ প্ৰদান কৰে। সভাপতিৰ ভাষণত ড° অমলেন্দু চক্ৰৱৰ্তীয়ে উন্মোচন কৰা 'বস্ত্ৰৰ কথা' গ্ৰন্থখনৰ ওপৰত এক সমীক্ষা আগবঢ়ায়। সভাত ড° অমৃত পাল, ড° প্ৰসন্ন মজুমদাৰ, ড° সত্যজিৎ দাস, ড° গজেন্দ্ৰ নাথ দাস, ড° সংগীতা চক্ৰৱৰ্তী, লীলাধৰ হাজৰিকা, ধ্ৰুৱজ্যোতি কলিতা, ৰণজিৎ নাথ প্ৰমুখ্যে বহুকেইগৰাকী বিশিষ্ট লোক উপস্থিত থাকে। সভাৰ শেষত শাখা সাহিত্য সভাৰ ভাৰপ্ৰাপ্ত সম্পাদক ড° গৌৰ গোপাল বণিকে শলাগৰ শৰাই আগবঢ়ায়।

Printed by Prafulla Gogoi, Seven Stars Publications Pvt. Ltd. and published by Raghabendra Narayan Dutta Baruah , Seven Stars Publications Pvt. Ltd. on behalf of Raghabendra Narayan Dutta Baruah and printed at Seven Stars Publications Pvt. Ltd. at A.T. Road, Adabari, Near Bus Stand (Out Gate) Guwahati-781014 and published at 6, College Hostel Road, Panbazar, Guwahati-781001. Tel: 0361-2674555, E-mail: sspplghy@gmail.com

Editor: Raghabendra Narayan Dutta Baruah